# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): Premodhor Rajkhowa | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saāhailaya Sabhaā Patarai kaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat - |
| Year: 1955 (1877 Sak) | Edition: |
| Size: 24 cms 11+ 176 pages | Genre: Magazine |
| Volumes: 14 - 3 issues | Condition of the original: good |
| Remarks: Illust. 1st volume published in the year 1927 and has been continuing, | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

আসাম সাহিত্য সভা।
লাইব্ৰেৰী।
তাৰিখ...

নং ২০৬৪

NEW BOOK BINDING WORKS
Dated ..................
GAR-ALI JORHAT, ASSAM.

অসম সাহিত্য সভা

# পত্রিকা



সম্পাদক

শ্ৰীপ্ৰেমধৰ ৰাজখোৱা

# অসম সাহিত্য সভাৰ

## বঁটা ঘোষণা ঃ—

১৯৫৫-৫৬ (১৮৭৭ শক) চনৰ বাবে

### আনন্দৰাম ঢেকিয়াল ফুকন বঁটা ঃ—

এই বঁটা বছৰটোৰ সৰ্ব্বশ্ৰেষ্ঠ অসমীয়া উপন্যাসৰ বাবে দিয়া হব।

### হেমচন্দ্ৰ বৰুৱা বঁটা ঃ—

এই বঁটা বছৰটোৰ সৰ্ব্বশ্ৰেষ্ঠ অসমীয়া নাটকৰ বাবে দিয়া হব।

গোস্বামী ... সাহিত্য সভা
নং ২০৬৯/
তাং ৩/২/২০

### গুণাভিৰাম বৰুৱা বঁটা ঃ—

এই বঁটা বছৰটোৰ সৰ্ব্বশ্ৰেষ্ঠ চুটি গল্পৰ পুথিৰ বাবে দিয়া হব।

### আনন্দৰাম বৰুৱা বঁটা ঃ—

এই বঁটা বছৰটোৰ সৰ্ব্বশ্ৰেষ্ঠ বুৰঞ্জীমূলক অথবা আন যি কোনো বিষয়ৰ গধুৰ চিন্তাশীল প্ৰবন্ধৰ পুথিৰ বাবে দিয়া হব।

***চাবলগীয়া ঃ*** — প্ৰতিটো বঁটাৰ মূল্য দুশ টকা হব। এই বছৰৰ ৩০ চ'তৰ ভিতৰত ছপা হোৱা সকলো পুথি প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা হব। সাহিত্য-সভাই নিযুক্ত কৰা পৰীক্ষকমণ্ডলীৰ সিদ্ধান্তকেই চূড়ান্ত বুলি ধৰা হব। এই বিষয়ে কিবা কথা জানিব খুজিলে সম্পাদকলৈ লিখে যেন।

বিনীত—

**শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা**

প্ৰধান সম্পাদক—

অসম সাহিত্য সভা, গুৱাহাটী।

# পত্রিকাৰ নিয়মাৱলী।

১। এই পত্রিকা বছেৰেকত তিনিখন ওলাব। সাধাৰণতে সকলো গ্ৰাহকেই প্ৰথম সংখ্যাৰ পৰা কাকত পাব, যেতিয়াই গ্ৰাহক হওক।

২। ইয়াৰ বছেৰেকীয়া বৰঙণি ৪৲ আগধৰি দিব লাগে। প্ৰতি সংখ্যাৰ বেচ ডেৰ টকা। অসম সাহিত্য সভাৰ সভ্যৰ কাৰণে বছেৰেকীয় বৰঙণি ৩৲।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰৱন্ধ আদি এপিঠিত ফটফটীয়াকৈ লিখি "সম্পাদক, অসম সাহিত্য সভা পত্রিকা, তিনিচুকীয়া (লক্ষীমপুৰ)", এই ঠিকনাত পঠাব, আৰু কাকত সম্পৰ্কে আন চিঠিপত্র আৰু টকা কড়ি "সহকাৰী সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট" এই ঠিকনাত পঠাব।

৪। অমনোনীত প্ৰৱন্ধ ঘূৰাই পঠোৱা আৰু সেই প্ৰসঙ্গৰ কোনো প্ৰশ্নৰ উত্তৰ দিয়া নহয়।

৫। মৌলিক আলোচনা অনুসন্ধান আদিৰ গবেষণামূলক প্ৰৱন্ধহে ইয়াত ঠাই পাব।

## জাননীৰ নিৰিখ।

| | প্ৰতি সংখ্যাত। |
|---|---|
| এপিঠিত ... ... ... | ৪০৲ |
| আধা পিঠিত ... ... ... | ২২৲ |
| সিকি পিঠিত ... ... ... | ১২৲ |
| বেটুপাতৰ তৃতীয় পিঠিত ... ... | ৫০৲ |

সিকিৰ নিৰিখতকৈ তাকৰ ঠাই দিয়া নহয়; আৰু নিৰ্দ্দিষ্ট দৰতকৈ সুবিধা নোলায়।

জাননীৰ লগতে তাৰ খৰচ ফেৰি আগধৰি পঠাব লাগে।

**শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী**
সহকাৰী সম্পাদক।
অসম সাহিত্য সভা, যোৰহাট।

# সূচী।


| | বিষয়। | লেখক। | পিঠি। |
|---|---|---|---|
| ১। | সাহিত্য সৃষ্টি ... ... | অধ্যক্ষ মনোৰঞ্জন শাস্ত্ৰী ... | ১ |
| ২। | মহিয়সী মীৰাবাঈ ... ... | শ্ৰীযুক্তা নলিনী বালা দেৱী ... | ৫ |
| ৩। | অসমৰ সংস্কৃতিত ললিত কলাৰ প্ৰভাৱ | শ্ৰীযুক্ত বিষ্ণুৰাম মেধি ... | ১০ |
| ৪। | অসমীয়া গীতি-সাহিত্যত বুৰঞ্জীৰ সাঁচ | „ লীলা গগৈ ... | ১৩ |
| ৫। | বৃন্দাবনী বস্ত্ৰ ... ... | „ অৰ্জ্জুন চন্দ্ৰ দাস ... | ২০ |
| ৬। | ফাকিয়াল ... ... | „ সৰ্ব্বানন্দ ৰাজকুমাৰ ... | ২৬ |
| ৭। | বড়ো কছাৰী জাতিৰ সংস্কৃতি ... (ৰাথৌ আৰু খেৰাই পূজাৰ উপাখ্যান বা আদিকথা) | „ ৰূপনাথ ব্ৰহ্ম ... | ২৯ |
| ৮। | ভাষাৰ ঐক্য | শ্ৰীযুক্ত বত্ন কান্ত বৰকাকতী ... | ৩৪ |
| ৯। | ৺দণ্ডিনাথ কলিতা | „ মহাদেৱ শৰ্ম্মা ... | ৩৬ |
| ১০। | অসম সাহিত্য সভাৰ বাহিৰে ভিতৰে | „ অতুলচন্দ্ৰ হাজৰিকা ... | ৩৮ |
| ১১। | অশ্ৰু অঞ্জলি (বেণুধৰ ৰাজখোৱা) | „ উপেন্দ্ৰনাথ দত্ত ... | ৫৩ |
| ১২। | „ (দণ্ডিনাথ কলিতা) | শ্ৰীমতী বাগ্দেৱী বৰদলৈ ... | ৫৬ |
| ১৩। | পুথি সমালোচনা ... ... | শ্ৰীযুক্ত বত্ন কান্ত বৰকাকতী ... | [illegible] |
| ১৪। | „ ... ... | সম্পাদক ... | [illegible] |
| ১৫। | সম্পাদকীয় ... ... | ... | ৬৫ |


## অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত পুথি

১। লৱকুশৰ যুদ্ধ (সচিত্ৰ) — প্ৰাক্তন শঙ্কৰী যুগৰ কবি হৰিবৰ বিপ্ৰ ৰচিত অধ্যাপক শ্ৰীযুত মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত শ্ৰীশ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ পঞ্চম গ্ৰন্থ। বেচ ছটকা।

২। সাত্বত তন্ত্ৰ :— ভাগৱতী মিশ্ৰৰ দ্বাৰা ৰচিত। শ্ৰীশ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ চতুৰ্থ গ্ৰন্থ। বেচ দহ অনা।

৩। শ্ৰীশ্ৰীব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ — বলোৰাম দ্বিজ ৰচিত। শ্ৰীশ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ তৃতীয় গ্ৰন্থ। বেচ এটকা।

অসম সাহিত্য সভাৰ সভ্যসকলৰ বাবে সুকীয়া বেচ।

**শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী**
সহকাৰী সম্পাদক।
অসম সাহিত্য সভা,
চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট।

## অসম সাহিত্য সভাৰ মূল অধিৱেশনৰ প্ৰাক্তন সভাপতি সকলৰ নাম।

| | | | |
|---|---|---|---|
| ১। | পদ্মনাথ গোহাঞিঃ বৰুৱা ... | ... শিৱসাগৰ ... | ১৯১৭ চন |
| ২। | চন্দ্ৰধৰ বৰুৱা .. | ... গোৱালপাৰা ... | ১৯১৮ চন |
| ৩। | কালিৰাম মেধি ... | ... বৰপেটা ... | ১৯১৯ চন |
| ৪। | হেমচন্দ্ৰ গোস্বামী ... | ... তেজপুৰ ... | ১৯২০ চন |
| ৫। | অমৃত ভূষণ অধিকাৰী ... | ... যোৰহাট ... | ১৯২৩ চন |
| ৬। | কণকলাল বৰুৱা ... | ... ডিব্ৰুগড় (এপ্ৰেইল) | ১৯২৪ চন |
| ৭। | লক্ষ্মীনাথ বেজবৰুৱা ... | ... গুৱাহাটী ( ডিচেম্বৰ ) | ১৯২৪ চন |
| ৮। | ৰজনীকান্ত বৰদলৈ ... | ... নগাওঁ ... | ১৯২৫ চন |
| ৯। | বেণুধৰ ৰাজখোৱা ... | ... ধুবুৰি ... | ১৯২৬ চন |
| ১০। | তৰুণ ৰাম ফুকন ... | ... গোৱালপাৰা ... | ১৯২৭ চন |
| ১১। | কমলাকান্ত ভট্টাচাৰ্য্য ... | ... যোৰহাট ... | ১৯২৯ চন |
| ১২। | মফিজুদ্দিন আহমদ হাজৰিকা | ... গোলাঘাট ... | ১৯৩০ চন |
| ১৩। | নগেন্দ্ৰ নাৰায়ণ চৌধুৰী ... | ... শিৱসাগৰ ... | ১৯৩১ চন |
| ১৪। | জ্ঞানদাভিৰাম বৰুৱা ... | ... উঃ লক্ষীমপুৰ ... | ১৯৩৩ চন |
| ১৫। | আনন্দ চন্দ্ৰ আগৰৱালা ... | ... মঙ্গলদৈ ... | ১৯৩৪ চন |
| ১৬। | ৰঘুনাথ চৌধুৰী ... | ... তেজপুৰ ... | ১৯৩৫ চন |
| ১৭। | কৃষ্ণকান্ত সন্দিকৈ ... | ... গুৱাহাটী ... | ১৯৩৭ চন |
| ১৮। | ডাঃ মৰিজুল ইচলাম বৰা | ... যোৰহাট ... | ১৯৪০ চন |
| ১৯। | নীলমণি ফুকন ... | ... শিৱসাগৰ ... | ১৯৪৪ চন |
| ২০। | নীলমণি ফুকন ... | ... ডিব্ৰুগড় | ১৯৪৭ চন |
| ২১। | অম্বিকাগিৰি ৰাই চৌধুৰী ... | ... মাৰ্ঘেৰিটা ... | ১৯৫০ চন |
| ২২। | ডাঃ সূৰ্য্যকুমাৰ ভূঞা .. | ... শ্বিলং ... | ১৯৫৩ চন |
| ২৩। | নলিনীবালা দেৱী ... | ... যোৰহাট ... | ১৯৫৪ চন |

২৪। অহা ২৫ ডিচেম্বৰৰ পৰা গুৱাহাটীত বহিব লগীয়া ২৪ শ অধিৱেশনৰ সভাপতি বৰ্ত্তমান অনিশ্চিত অবস্থাত।

( সম্পাদকীয় দ্ৰষ্টব্য )

---

অসম সাহিত্য সভা পত্ৰিকাঃ—



বহি— (বাওঁফালৰ পৰা) শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস (বৰপেটা) শ্ৰীবিশ্বনাথ ৰাজবংশী (কাচাৰ) শ্ৰীমিত্ৰদেৱ মহন্ত (যোৰহাট) শ্ৰীনলিনী বালা দেৱী (সভানেত্ৰী—গুৱাহাটী) শ্ৰীঅতুল হাজৰিকা (প্ৰধান-সম্পাদক—গুৱাহাটী) শ্ৰীপ্ৰেমধৰ ৰাজখোৱা (পত্ৰিকা সম্পাদক—তিনিচুকীয়া) শ্ৰীকৰুণাধৰ বৰুৱা (যোৰহাট) ;

থিয়হৈ—( বাওঁফালৰ পৰা )

ছৈয়দ আব্দুল মালিক (যোৰহাট) শ্ৰীৰজনী শৰ্ম্মা (গুৱাহাটী), শ্ৰীহেম বৰুৱা (গুৱাহাটী) শ্ৰীপৰাগ চলিহা (শিৱসাগৰ) শ্ৰীমহেশ্বৰ নেওগ (গুৱাহাটী), শ্ৰীঅশ্বিনী চৌধুৰী (ডিব্ৰুগড়), শ্ৰীদেবেন দাস (গোৱালপাৰা), শ্ৰীশিৱপ্ৰসাদ বৰুৱা (সাপেখাতী), শ্ৰীভবানন্দ ৰাজখোৱা (মঙ্গলদৈ) শ্ৰীযতীন গোস্বামী (যোৰহাট)

ফটো। —[ বৰদৈচিলাৰ সৌজন্যত ]

# অসম সাহিত্য সভা পত্ৰিকা।

চতুৰ্দ্দশ বছৰ | ১৮৭৭ শক, | প্ৰথম সংখ্যা

## সাহিত্য সৃষ্টি

অধ্যক্ষ মনোৰঞ্জন শাস্ত্ৰী।

সমস্ত প্ৰাণীৰে স্বাভাৱিকভাৱে একপ্ৰকাৰ বহু ভৱনৰ প্ৰাৱণ্য বা নিজক নানাৰূপে বিস্তৃত কৰাৰ বাসনা আছে। যি দৰে প্ৰজা বা সন্তান উৎপাদনৰ দ্বাৰা সংখ্যাত নিজে বহু হব খোজে সেই দৰে মনৰ ভাব বা স্বীয় অনুভূতি সমাজত অভিব্যক্ত কৰি পৰিমাণতো বিস্তৃতি লাভ কৰিব খোজে। কালিক বিস্তৃতিৰ বাসনাই তাৰ জীয়াই থকাৰ বাসনা আৰু দৈশিক বিস্তৃতিৰ বাসনাই হৈছে নিজৰ বল বীৰ্য্য. প্ৰভাৱ জ্ঞান বিজ্ঞান আদি প্ৰসাৰৰ বাসনা। অন্যান্য প্ৰাণীৰ এই বহু ভৱনৰ বা আত্ম বিস্তৃতিৰ প্ৰবৃত্তি আৰু শক্তি সীমাবদ্ধ, প্ৰকৃতিৰ নিয়মৰ দ্বাৰা নিয়ন্ত্ৰিন। গতিকে এই বিকাশ বা বিস্তৃতি প্ৰাকৃতিক নিয়ম অনুসাৰেই হৈ যায়, ব্যক্তিভেদে তাৰ উল্লেখযোগ্য তাৰতম্য নাই। কিন্তু মানুহ প্ৰাণী হলেও তাত আন প্ৰাণীতকৈ অতিৰিক্ত কিছুমান ধৰ্ম্ম আছে, যিবিলাকে তাক সাধাৰণ প্ৰাণীৰ ওপৰৰ আন এটা স্তৰলৈ লৈ গৈছে। সি অভ্যাস আৰু যত্নৰ দ্বাৰা প্ৰকৃতিৰ গতিকো অনেক পৰিমাণে নিয়ন্ত্ৰিত কৰিব পাৰে, নিজৰ অন্তঃকৰণস্থ ধৰ্ম্মবোৰৰ ব্যক্তিগতভাৱে তাৰতম্য ঘটাব পাৰে, অনন্য সাধাৰণ উপায়ে নিজক বিস্তৃত বা বিকশিত কৰি তুলিব পাৰে। এই বহু হোৱাৰ কামনা প্ৰাণ্য-স্তৰতকৈ মানুহত অধিক সাৰ্থক হৈছে। এই কাৰণেই আমি ৰূপ ৰস গন্ধ স্পৰ্শ আৰু

শব্দৰূপ বিষয়ৰ উপলব্ধিৰপৰা নিজৰ চিত্তত যি একপ্ৰকাৰ বেদনা অৰ্থাৎ সুখ দুঃখ আদি অনুভূতিৰ সঞ্চয় কৰোঁ, সেই সুখ দুখৰ অনুভূতিখিনিকো নানা ভাৱে অভিব্যক্ত কৰি আমাৰ ওচৰ চুবুৰীয়া বন্ধু বান্ধৱ আৰু সহৃদয়জনক বিলাই দিব খোজোঁ। তাকে কৰিব পাৰিলেহে আমাৰ বহু হোৱাৰ অভিলাস কিছু পৰিমাণে চৰিতাৰ্থ হয়। গতিকে স্বীয় অনুভূতিক আনৰ হৃদয় স্পৰ্শ কৰিব পৰাকৈ বিলাই দিয়াৰ প্ৰবৃত্তি মানৱৰ স্বাভাৱিক বদান্যতা।

এই বিষয়বোৰক আমি নিজে যিমান ঘনিষ্ঠভাৱে, উজ্জ্বলভাৱে আৰু সুন্দৰকৈ উপভোগ কৰোঁ আনেও যাতে ঠিক সেই ভাৱে উপভোগ কৰিব পাৰে তাৰ কাৰণে আমাৰ ভুক্তি বা অনুভূতিৰ লগত খাপখোৱা নতুন নতুন শব্দ সম্ভাৰ আহৰণ কৰি ছন্দোবদ্ধ বা প্ৰণালীবদ্ধভাৱে সজ্জিত কৰি, ভাৱৰ ভাৱনা দি, সুৰৰ জাল দি, অলঙ্কাৰৰ মাল মচলা সানি নতুন ভাৱে উপভোগ্য কৰি তুলিবলৈ চেষ্টা কৰোঁ। এই নিজে উপভোগ কৰি উপভুক্ত বিষয়ক নতুনকৈ গঢ়ি আনক উপভোগ কৰোৱাৰ যি স্বাভাৱিক অসাধাৰণ ক্ষমতা তাৰ নামেই কৰি প্ৰতিভা।

"অপূৰ্ব্ব বস্তু নিৰ্ম্মাণ ক্ষমা প্ৰজ্ঞা প্ৰতিভা"। ( অভিনৱ গুপ্ত ) জন সাধাৰণৰ জীৱসুলভ আত্ম বিস্তৃতিৰ স্পৃহা আৰু নিজৰ উপভোগক পৰোপভোগ কৰি দিয়াৰ প্ৰবৃত্তি থাকিলেও তাকে কৰিবৰ অসাধাৰণ ক্ষমতা বা প্ৰতিভাখিনি নাই হেতুকে সকলোৱে কৰি হ'ব নোৱাৰে। এই অপূৰ্ব্ব বস্তু নিৰ্ম্মাণ ক্ষমা প্ৰতিভাই প্ৰধানতঃ কাব্য বা সাহিত্যৰ কাৰণ। ইয়াকে কৰি জগন্নাথে কৈছে যে "তস্য চ কাৰণং কৱিগতা প্ৰতিভা।" ( ৰসগঙ্গাধৰ ) প্ৰতিভা কাব্যৰ বীজ স্বৰূপ হলেও নানাবিধ শাস্ত্ৰ আৰু লোক ব্যৱহাৰ জ্ঞানৰ দ্বাৰা চিত্তভূমি উৰ্ব্বৰ হলে, তাৰ উপৰি সাহিত্যালোচনাৰ অভ্যাস আৰু নৈপুণ্যৰ জলবায়ু পালেহে তাৰপৰা কাব্য-লতাৰ অঙ্কুৰোৎপত্তি সম্ভৱপৰ হয়। ইয়াকে প্ৰাচীন সকলে কৈছে—

প্ৰতিভৈৰশ্ৰুতাভ্যাস সহিতা কৱিতাং প্ৰতি।
হেতু মৃদম্বুসম্বদ্ধ বীজব্যক্তিৰ্লতামিৱ ॥

সাহিত্যাচাৰ্য দণ্ডীয়ে কৈছে যে, যিবিলাক স্বভাৱ কৱি নহয় সেই বিলাকেও যথোচিত ভাৱে অতি যত্নে সাহিত্যৰ সেৱা কৰিলে কৰি সমাজত শ্ৰেষ্ঠ আসন লাভ কৰিব পাৰে।

ন বিদ্যতে যদ্যপি পূৰ্ব্ব বাসনা
গুণানুবন্ধি প্ৰতিভা ন্ মদভূতম্।
ক্ৰশে কৱিত্বেঽপি নৰাঃ কৃতশ্ৰমাঃ
বিদগ্ধগোষ্ঠীষু বিহৰ্ত্তুমীশতে।

যেতিয়া বিষয়ৰ উপলব্ধি আৰু অনুভূতিৰ আলোড়নত কৱিৰ হৃদয় সমুদ্ৰৰ অমৃতপূৰ্ণ ভাৱ ঘটটি উদ্বেলিত আৰু অসম্বাৰণীয় হৈ উঠে, কৱিৰ হৃদয় পদ্ম যেতিয়া উদ্দীপ্ত চিদানন্দৰ উজ্জ্বল কিৰণ-স্পৰ্শত বিকাশোন্মুখ হৈ উঠে তেতিয়া সেই উপলব্ধিৰ উন্মাদনাতে আহি পৰে তাৰ প্ৰকাশোপযোগী ভাষা, ছন্দঃ অলঙ্কাৰ শব্দ-সম্ভাৰ আৰু তাৰ বিন্যাস ভঙ্গী বা ৰীতি যিবোৰৰ সমাবেশত যি সহস্ৰদলে বিকশিত আৰু ৰূপে, ৰসে পৰশে সৌৰভে ভৰপুৰ হৈ সামাজিকৰ হৃদয় আকুল কৰি তোলে। ধ্বনিকাৰে কৈছে যে—

কাব্যস্যাত্মা সত্ৰবাৰ্থস্তথাচাদিকৱেঃ পুৰা।
ক্ৰৌঞ্চদ্বন্দ্ববিয়োগোত্থঃশোকঃ শ্লোকত্বমাগতঃ ॥

ইয়াৰ আনন্দ বৰ্দ্ধন আৰু অভিনৱ গুপ্তৰ ব্যাখ্যাত তাৎপৰ্য্য এই যে জল পৰিপূৰ্ণ কুম্ভ



কোনো কাৰণত কম্পিত হলে তাৰপৰা উচ্চালিত জলধাৰা যেনেকৈ উপচি পৰি যায় তেনেকৈয়ে ক্ৰৌঞ্চ মিথুনৰ বিয়োগজাত শোকৰূপ স্থায়ী ভাৱটি বিভাৱ, তাৰপৰা অভিব্যক্ত ক্ৰন্দনাদি অনুভাৱ আৰু মোহমূৰ্চ্ছা আদি ব্যভিচাৰী ভাৱৰ অনুভূতিৰ দ্বাৰা মহাকৱিৰ হৃদয় আপ্লুত কৰি, তন্ময় কৰি, কৰুণ ৰসৰূপে আস্বাদিত হৈ প্ৰতিভাৰ আস্ফালনত সমুচিত গুণ ৰীতি ছন্দঃ অলঙ্কাৰ আদিৰে জকমকীয়া শ্লোক বা কৱিতা এটি ৰূপে অভিব্যক্ত হ'ল। সেই কৱিতাৰূপে অভিব্যক্ত ৰসেই কাব্যৰ আত্মা, প্ৰাণবস্তু বা আচল ৰূপ।

ইয়াত মহাকৱি বাল্মিকীয়ে যে কোনো ব্যক্তি বা সমাজৰ সুখ সুবিধা আদিক লক্ষ্য কৰি যত্নপূৰ্ব্বক এই কৱিতা ৰচনা কৰিছিল তাৰ কোনো উদিহ পোৱা নাযায়। বুজা যায়, কেৱল কৱিৰ কৰুণৰসময় মকৰন্দ পৰিপূৰ্ণ, হৃদয়স্থ, ভাৱময় পদুম কলিটি প্ৰতিভা কিৰণত প্ৰস্ফুটিত হৈ উঠিছিল কৱিৰ অজ্ঞাতসাৰেই। মহামহিমময়ী প্ৰতিভাই মহামুনিৰ সুদীৰ্ঘকালৰ কঠোৰ তপস্যালব্ধ সংযম আৰু ধৈৰ্য্যৰ উচ্চ সৌধ ভূমিসাৎ কৰি তাৰ ওপৰত কেতিয়া কোন ছেগত কাব্যময় মহাসৌধ নিৰ্ম্মাণ কৰি তুলিলে আৰু তাৰ অভ্যন্তৰস্থ নানাবৰ্ণমণিকুট্টিমময় মহাবেদীত ৰসাধিষ্ঠাত্ৰী দেৱতা প্ৰতিষ্ঠা কৰি তেওঁৰ আগত নৈবেদ্যৰূপে মহাকৱিৰ হৃদয় উপহাৰ দিলে সংযমীন্দ্ৰ সংসাৰ বিৰাগী বৃদ্ধ তপস্বীয়ে তেতিয়া তাৰ একো উমানকে নাপালে। পাচত প্ৰকৃতিস্থ হৈ দেখে যে, ইতিমধ্যে তেওঁৰ অন্তৰ ৰাজ্যত কোনোবা এজন অভিষিক্ত হৈ তেওঁৰ হৃদয়ৰ শাসনভাৰ গ্ৰহণ কৰিছে আৰু আন আন সমস্ত ভাৱ সম্পন্ন মনোৰাজ্যৰ লগত যথাৰীতি যোগাযোগ স্থাপন কৰি সেই বিলাকত স্বৰাজ্য প্ৰতিষ্ঠিত সুখ শান্তিময় নীতিৰ সুধাস্পৰ্শৰ অনুভূতি বিতৰণ কৰিছে। এই নতুন অৱস্থাৰ অনুভূতিয়েও কৱিৰ সৰ্ব্বাঙ্গত এটা ভাৱময় শীতল চন্দনৰ প্ৰলেপ দি গ'ল। ইয়াতো নিজৰ কৱিতাৰ অভিব্যক্তিৰূপ অচিন্তিত পূৰ্ব্ব অদ্ভূত ঘটনাৰ উপলব্ধিত কৱিৰ হৃদয়স্থ 'বিস্ময়' নামৰ ভাৱটি উদ্ৰিক্ত হৈ তাৰ দ্বাৰা তেওঁৰ সমস্ত হৃদয় ভৰপুৰ হৈ উঠিল বীক্ষণশীল মুনিয়ে আচৰিত হৈ নিজকে নিজে প্ৰশ্ন কৰিলে 'পক্ষীৰ শোকত শোকাৰ্ত্ত হৈ যে মই উচ্চাৰণ কৰিলোঁ এইটো কি ?

"তস্যেত্থং ব্ৰুৱতঃ চিন্তা বভূৱ হৃদিবীক্ষতঃ।
শোকাৰ্ত্তেনাস্য শকুনেঃ কিমিদং ব্যাহৃতং ময়া ॥

এয়ে ভাৰতবৰ্ষৰ গৌৰৱময় আদি মহাকাব্য 'ৰামায়ণ' সৃষ্টিৰ মূল উৎস।

ইয়াৰ দ্বাৰা বুজা গল মহাকৱিৰ পক্ষে কাব্য সৃষ্টিৰ মূলত আন কোনো প্ৰয়োজন সিদ্ধিৰ উদ্দেশ্য নাই। তেওঁৰ ৰস সমাহিত চিত্তৰ আনন্দ লহৰত কাব্য নিজে নিজেই উৎপন্ন হয়; কৱিয়ে স্বেচ্ছাই তাৰ উৎপত্তি নিৰোধ কৰিব নোৱাৰে। কিন্তু কৱিৰ পক্ষে কাব্য সৃষ্টিৰ আন একো প্ৰয়োজন নাথাকিলেও তেওঁৰ নিজৰ আৰু সামাজিকৰ পক্ষে তাৰপৰা অনেক ফল সিদ্ধ হয়।

যিটোৰ উৎপত্তিৰ কাৰণে কৰ্ত্তাই ক্ৰিয়াত ইচ্ছা কৰি প্ৰবৃত্ত হয় তাকে বোলে প্ৰয়োজন। কাৰণৰ পৰা যিটো কাৰ্য্য উৎপন্ন হয় তাকে বোলে ফল। যেনে ক্ষুধা নিবৃত্তি পাকক্ৰিয়াৰ প্ৰয়োজন, কিন্তু পাক ক্ৰিয়াৰপৰা হোৱা কৰ্ত্তাৰ আয়াস বা পৰিশ্ৰম আদি তাৰ ফলহে, প্ৰয়োজন নহয়।

পৰস্পৰৰ মিলনাৱাস্থাত স্ত্ৰী-পুৰুষৰ হৃদয় যে একপ্ৰকাৰ উচ্ছল আনন্দত মগ্ন হৈ যায়, তদিতৰ সুখ দুখ আদি বেদনা-

বোৰ আবৃত বা অপসাৰিত হয়, সেই আনন্দ লহৰীৰ মধুৰ আৱেশ বা অনুভূতি অসম্বাৰণীয় হ'লে তেওঁবিলাকৰ অজ্ঞাতসাৰেই অভিব্যক্ত হয় তেওঁবিলাকৰ শাৰীৰিক নানা পৰিণতিত, তেওঁবিলাকৰ সৰ্ব্বাঙ্গৰ সলীল সালস সঞ্চালনত, লোমাৱলীৰ শিহৰণত আৰু কণ্ঠৰ অস্পষ্ট মধুৰালাপময় কূজনত। এই অঙ্গ বিকৃতিবোৰৰপৰা হোৱা আনন্দৰ পুষ্টি তাৰ ফল হ'ব পাৰে কিন্তু প্ৰয়োজন বা উদ্দেশ্য নহয়। কাৰণ সেই আনন্দৰ পুষ্টিৰ উদ্দেশ্যে তেওঁলোকে অঙ্গ বিকৃতিবোৰ কৰা নাই।

কোনো বৃক্ষ বীজ পৃথিবীত পতিত হ'লে বহিৰ্জ্জগতৰ ৰূপ-ৰস, গন্ধ-স্পৰ্শ আহৰণ কৰি তাৰ ভাৱনাৰে ভাৱিত হৈ পৰিপক্ক হৈ স্বীয় স্বতঃস্ফূৰ্ত্ত উদ্গম্ সাধনাৰ বলত অঙ্কুৰিত বা অভিব্যক্ত হৈ কালত মহামহীৰূহ ৰূপ ধাৰণ কৰি, পল্লৱৰ কোমলতা, ফলৰ ৰসালতা, ছায়াৰ স্নিগ্ধতা, কুসুমৰ সুষমাৰে জন সমাজক আপ্যায়িত কৰে। তাৰ এই ফল-পুষ্পাদি ৰূপে অভিব্যক্তিৰ পৰা প্ৰাণীৰ নানা প্ৰয়োজন সিদ্ধ হলেও সেইটো গছৰ অঙ্কুৰোদ্গমৰ ফলহে উদ্দেশ্য বা লক্ষ্য নহয়।

ফুলৰ পাহিৰ মাজত মুখ গুজি মধুপানাসক্ত ভ্ৰমৰৰ পানানন্দ মধু পানৰ উন্মাদনাতে কল গুঞ্জনৰূপে অভিব্যক্ত হৈ শ্ৰোতাৰ কাণতো মধু ধাৰা অৰ্পণ কৰে। সেই বুলি শ্ৰোতাৰ শ্ৰুতি সুখটো ভ্ৰমৰ গুঞ্জনৰ প্ৰয়োজন নহয়, ফলহে।

প্ৰপঞ্চময় প্ৰকৃতি প্ৰেয়সীৰ কোমল বাহুলতাৰ গাঢ় আৱেষ্টনৰ মাজত আবিষ্ট কৰি হৃদয় অনুভূতি বা সম্ভোগৰ আনন্দত ভৰপূৰ হৈ অসম্বাৰণীয় হৈ উঠিলে সেই সম্ভোগানন্দ বৰ্ণে, ৰসে, ছন্দে, অলঙ্কাৰে সুসম্বদ্ধ কৱিতা ৰূপে প্ৰকট হৈ আনৰ হৃদয় স্পৰ্শ কৰিলেও সেইটো তাৰ ফলহে উদ্দেশ্য বা প্ৰয়োজন নহয়। তেনেকৈ কৱিহৃদয়স্থ প্ৰতিভা বীজটিয়ে অনুভূতিৰ দ্বাৰা বহিৰ্জ্জগতৰ অৰ্থ আহৰণ কৰি তাৰ ভাৱনাৰে ভাৱিত হৈ স্বীয় স্বতঃস্ফূৰ্ত্ত উদ্গম্ সাধনাৰে কল্পনাৰূপে অঙ্কুৰিত আৰু বাক্য ৰূপে অভিব্যক্ত হৈ কাব্যাত্মক মহামহীৰূহৰূপ ধাৰণ কৰি নিজৰ অভিনৱ ৰূপ, ৰস, গন্ধ, স্পৰ্শ বিতৰণৰ দ্বাৰা সামাজিকক নিৰতিশয় তৃপ্তিদান কৰে।

এই ব্ৰহ্মাণ্ডখন কৱিৰ দৃষ্টিত এখন নানা বৰ্ণে, নানা ৰসে প্ৰচুৰ সৌৰভে পৰিপূৰ্ণ পুষ্পপাত্ৰ। তাৰ মাজত আবিষ্ট, ৰস পানাসক্ত, পৰমতৃপ্ত কৱিৰ পানানন্দৰ স্ফুৰণ ৰূপ গুঞ্জন হ'ল তেওঁৰ কাব্য। এই কথাকে ধ্বনিকাৰে সংক্ষেপে কৈছে—

"সৰস্বতী স্বাদু তদৰ্থ বস্তু
নিস্যন্দমানা মহতাং কৱিনাম্।
আলোক সামান্যমভিব্যনক্তি
প্ৰতিস্ফুৰন্তং প্ৰতিভাবিশেষম্॥

সুস্বাদু, দিব্য আনন্দময় ৰসতত্ব প্ৰবাহিনী মহা কৱিৰ বাণীয়ে অলৌকিক অথচ অতি বিশদ ভাৱে প্ৰকাশিত কৰি প্ৰতিভাবিশেষ অভিব্যক্ত কৰে।

উপনিষদৰ ঋষিয়ে কান্তাকান্তৰ পৰস্পৰালিঙ্গনজন্য সম্ভোগানন্দৰ লগত আত্মজ্ঞানীৰ ব্ৰহ্মানন্দৰ তুলনা কৰিছে " তদ্ যথা প্ৰিয়য়া স্ত্ৰিয়া সংপৰিষ্বক্তো ন বাহ্যং কিঞ্চন বেদনান্তৰ মেৱমেৱায়ং পুৰুষঃ প্ৰাজ্ঞেনাত্মনা সংপৰিষ্বক্তো ন বাহ্যং কিঞ্চন বেদনান্তৰং— " [ বৃঃ উঃ ৪। ৩। ২১ ]।

ইফালে আলঙ্কাৰিক সকলে কাব্যানন্দক ব্ৰহ্মাস্বাদৰ লগত তুলনা কৰি ' ব্ৰহ্মাস্বাদ সহোদৰঃ " বুলি কৈছে। গতিকে ফলতঃ স্ত্ৰীপুৰুষৰ সম্ভোগানন্দ, কাব্যানন্দ, আৰু ব্ৰহ্মানন্দ, এই তিনিওটি আনন্দ এক জাতীয় বুলি বুজা যায়। কেৱল সম্ভোগানন্দ অনিত্য অসীম আৰু লৌকিক। কাব্যানন্দ অনিত্য



আৰু অসীম হলেও অলৌকিক। আৰু ব্ৰহ্মানন্দ অলৌকিক নিত্য আৰু নিঃসীম। এয়ে ইহঁতৰ ভেদ। ভট্টনায়কে কৈছে যে যোগীবিলাকে বাক্যৰূপ ধেনুৰপৰা যোগানন্দৰূপ দুগ্ধ দোহন কৰে। কিন্তু সেইটো আয়াসসাধ্য। কৱি বা ৰসিকে যি ৰস ৰূপ দুগ্ধ লাভৰ কাৰণে বাক্য ধেনুক দোহন কৰে সেইটো তাৰ অনুভূতিৰ আৱেশ বশতঃ অনায়াসেই হৈ যায়। গতিকে যোগানন্দও কাব্যানন্দৰ সমান নহয়।

"বাগ্ধেনুৰ্দুগ্ধ একংহিৰসং যল্লাভ তৃষ্ণয়া।
তেননাস্যসমঃ যস্যাদ্দুহ্যতে যোগীভিৰ্হিযঃ॥"

ইয়াৰ দ্বাৰা বুজা গ'ল, মহকৱিৰ কাব্য সৃষ্টিৰ মূলত কোনো প্ৰয়োজন সিদ্ধিৰ উদ্দেশ্য নাই অথচ সেই সৃষ্ট কাব্যৰপৰা কিছুমান ফল সিদ্ধ হয়। কিন্তু যাৰ স্বতঃস্ফূৰ্ত্ত ভাৱে উক্ত প্ৰকাৰে কৱিতা বাহিৰ হয় এনেকুৱা মহাকৱিৰ সংখ্যা জগতত অতি বিৰল। " যেনাস্মিন্নাতিবিচিত্ৰকৱিপৰম্পৰা বাহিনী সংসাৰে কালিদাসপ্ৰভৃতয়ঃ দ্বিত্ৰাঃ পঞ্চষাঃ বা মহাকৱয় ইতি গণ্যান্তে "। [ আনন্দবৰ্দ্ধন ] অনেক ক্ষুদ্ৰ কৱিও সংসাৰত থাকে যি সকলে হয়তো কোনো সামাজিক ৰাষ্ট্ৰিক আদি উদ্দেশ্য সিদ্ধিৰ অৰ্থে অতি যত্ন সহকাৰে কাব্য প্ৰণয়ন কৰে। গতিকে উদ্দেশ্য বা প্ৰয়োজনৰপিনেদি সকলো কাব্যকে একে শ্ৰেণীৰ ভিতৰত পৰিগণিত কৰিব নোৱাৰি। ফলৰপিনেদি হলে সকলো কাব্যই এটা সাধাৰণ শ্ৰেণীৰ ভিতৰত পৰে। সকলো কাব্যৰে সাধাৰণ ফল ৰসাস্বাদ আৰু সাধাৰণ কাৰণো ৰসাস্বাদ। কৱিৰ ৰসাস্বাদৰপৰা কাব্য জন্মে, তাৰপৰা আকৌ সামাজিকৰ হৃদয়ত ৰসাস্বাদ জন্মে। " গুটিৰ পৰা গছ, গছৰ পৰা গুটি।" এই একে নিয়ম॥ ওঁ শান্তি॥

# মহিয়সী মীৰাবাঈ

শ্ৰীযুক্তা নলিনী বালা দেৱী।

যুগে যুগে ভাৰতবৰ্ষ নাৰীতীৰ্থ। শত শত মহিয়সী নাৰীৰ ত্যাগোজ্জ্বল মহিমাৰে গৌৰবান্বিত ভাৰতবৰ্ষৰ প্ৰতি ধূলিকণা। পৃথিবীৰ ভিতৰত একমাত্ৰ ভাৰতবৰ্ষতেইহে মাথোন চিৰ আৰাধ্যা আদ্যাশক্তিৰ স্বৰূপ কল্পনাৰে নাৰীক গৰিমাময় দেৱী বিশেষণৰে বিভূষিত কৰিছে। ভাৰতৰ বাহিৰে পৃথিবীৰ কোনো দেশতে নাৰীয়ে এনে শ্ৰদ্ধাৰ আসন পোৱা নাই। ভাৰতৰ মাতৃ পূজাই নাৰীক মাতৃৰ সম্মান, দেৱীৰ সম্মান, দিবলৈ শিকাইছে। আনকি প্ৰিয়তমা সহধৰ্ম্মিনীকো স্বামীয়ে দেৱী সম্বোধনেৰে শ্ৰদ্ধা জনাই গৌৰবান্বিত হয় এই পুণ্যভূমি ভাৰতবৰ্ষতেই। সুদূৰ অতীতৰ আদি সভ্যতাৰেপৰা ভাৰতীয় নাৰীয়ে প্ৰজ্ঞা সেৱা প্ৰেমৰ আদৰ্শত জীৱনৰ সৰ্ব্বস্ব আত্ম সুখ বলিদান দিয়া আদৰ্শৰে ভাৰতৰ ইতিহাস অনুৰঞ্জিত।

এনে ত্যাগ-তীৰ্থ ভাৰতবৰ্ষতে জন্ম লৈছিল

মহিয়সী নাৰীৰত্ন মীৰাবাঈ। পৰিপূৰ্ণ যৌৱনত ভুমা আনন্দৰ সন্ধানত তেওঁ ত্যাগ কৰিছিল চিতোৰ ৰাজ মহিষীৰ পদ, ঐহিক সুখ সম্পদ পাৰ্থিব ভোগ বিলাস। বৈষ্ণৱ কবি সকলৰ মাজত তপস্বিনী কবি মীৰাবাঈৰ জীৱন কাহিনী অমৰ সঙ্গীতৰূপে ভাৰতবৰ্ষ প্ৰতিধ্বনিত হৈ আছে। দেহতত্ত্ববাদী সাধক সকলে সাধনাৰ সহায়েৰে ভগৱানৰ চিন্ময়ৰূপ দৰ্শন কৰি ব্ৰহ্মকমল ৰস পান কৰি সমাধিস্থ হয়। অদ্বৈতবাদিনী মীৰাবাঈয়ে সঙ্গীতময় সাধনাৰে আধ্যাত্ম জগতৰ দিব্য অনুভূতিৰ বিভিন্ন অৱস্থা লাভ কৰি ভক্তি প্ৰেমৰ অমিয়া-ৰস পান কৰি তেওঁৰ চিৰ আৰাধ্য গিৰিধাৰী লালক দৰ্শন কৰিবলৈ সমৰ্থ হৈছিল। তেওঁৰ মতে বিশ্বনিয়ন্তা পৰমাত্মা স্বৰূপ পৰম পুৰুষ এজন মাথোন। বিশ্বপ্ৰকৃতিস্বৰূপ বিশ্ব মানৱাত্মাই প্ৰকৃতিৰূপেই পৰম পুৰুষৰ উপাসিকা। পৰম পুৰুষ পুৰোষোত্তম শ্যাম মনোহৰ চিৰসুন্দৰ শ্ৰীকৃষ্ণৰূপ আছিল তেওঁৰ চিৰ আৰাধ্য দেৱতা।

মধ্যযুগৰ ১৪২০ খৃষ্টাব্দত মাৰোৱাৰ প্ৰদেশৰ মেৰতা গাঁৱৰ ৰাঠোৰ ৰাজবংশী সামন্ত ৰজা ৰতিয়া ৰজাৰ ঘৰত মহিয়সী মীৰাই জন্মগ্ৰহণ কৰে। সৌৰ মণ্ডলৰ কক্ষচ্যুত উজ্জ্বল নক্ষত্ৰৰ দৰে স্বৰ্গীয় অলৌকিক প্ৰতিভামণ্ডিত দুটি ঈশ্বৰদত্ত সম্পদৰ অধিকাৰিণী হৈ মীৰাবাঈ পৃথিৱীলৈ আহে। এটি তেওঁৰ অনিন্দ্য সুন্দৰ ৰূপ, আনটি স্বভাব-কোমল সুকণ্ঠ, লগতে আৰু আনে কোন অতীন্দ্ৰিয় অনুভূতিময় স্বভাৱ কবিত্বপূৰ্ণ এখনি অন্তৰ, যি অনুভূতি সৰ্ব্বসাধাৰণৰ মাজত দেখা নেযায়। দৈৱী সম্পদত ঐশ্বৰ্য্যশালিনী মীৰাৰ শিশু কণ্ঠত আপোনা আপুনি ধ্বনিত হৈ উঠে শ্ৰীকৃষ্ণৰ ভজন সঙ্গীত। আপোন মনে উমলি থাকোঁতে অসংলগ্ন ৰচনাৰে ৰচিত অপূৰ্ব্ব ভজন গীতি গাই থকা শুনি শুনোতা স্তম্ভিত হৈ পৰিছিল। ৰজাৰ ঘৰত সাধাৰণতে অলেখ আলহী অতিথি সাধু সন্ন্যাসীৰ সদায় সমাগম হৈ থাকে। এদিন মীৰাই আপোন মনে ভজন গীত গাই থকা শুনি এজন সন্ন্যাসীয়ে এটি পিতলৰ শ্ৰীকৃষ্ণৰ বংশীধাৰী মূৰ্ত্তি মীৰাক দি কলে, 'তোমাক উমলিবলৈ এই লগৰীয়াটি দিলে।। এওঁৰ নাম গিৰিধাৰীলাল। এওঁৰ লগত তুমি উমলিবা কথা পাতিবা, পূজা কৰিবা, নাচিবা গাবা, এওঁ তোমাৰ লগত উমলিব।" সেইদিনাৰেপৰা সেই মূৰ্ত্তিটি লৈ মীৰাই খোৱা বোৱা পাহৰিলে। লগৰীয়াৰ লগ এৰিলে। ফুল তুলি মালা গাঁথি তেওঁ গিৰিধাৰীলালক পিন্ধায়, নিজেও পিন্ধে। গীত গাই শুনাই, নাচি দেখুৱাই আপোন মনেৰে কথা পাতে। মীৰাৰ এই লৰা ধেমালি আনবোৰৰ এটি আকৰ্ষণীয় বিষয় হৈ পৰিল। গধূলি পৰত মীৰাই যেতিয়া ফুলৰ মালা পিন্ধি বিগ্ৰহৰ আগত আৰতি-নৃত্য কৰে, মীৰাৰ সৰ্ব্বাঙ্গ আৱৰি ভগৱৎ ভক্তিৰ উচ্ছ্বসিত আৱেগ উপচি পৰে গীত আৰু নৃত্য ভঙ্গিত। গধূলি পৰত মীৰাৰ অপূৰ্ব্ব নৃত্য গীত শুনিবলৈ 'ৰতিয়া' ৰজাৰ ঘৰ দৰ্শকে নধৰা হয়। এই দেৱ কন্যাটিৰ নৃত্য গীত শুনি দৰ্শক মণ্ডলী ঐন্দ্ৰজালিক তন্ময়তাৰে মন্ত্ৰ মুগ্ধৰ দৰে ঘৰলৈ ওভতে ভগৱৎ ভক্তিপুত শুচি অন্তৰ লৈ। লাহে লাহে এই বাতৰি দেশ বিদেশলৈ বিয়পি পৰে।

চিতোৰ ৰাজ কুমাৰ দেশ ভ্ৰমণ কৰিবলৈ আহি এই বাতৰি শুনি ছদ্ম বেশেৰে মীৰাৰ গীত নৃত্য দেখি মুগ্ধ হয়। বিদায় পৰত পিতাকৰ ওচৰত আত্ম পৰিচয় দি মীৰাৰ পাণি প্ৰাৰ্থনা কৰে। সামন্ত ৰতিয়া ৰজাই, চিতোৰ ৰাজকুমাৰৰ প্ৰস্তাৱত গৌৰৱান্বিত হৈ, মীৰাক সসম্ভ্ৰমেৰে চিতোৰলৈ আগবঢ়াই নিজে ধন্য মানিলে।



শুভ-ক্ষণত মীৰাবাঈ চিতোৰ ৰাজ-লক্ষ্মী ৰূপে ৰাজকোঁৱৰ কুম্ভৰ যুৱৰাণী হৈ চিতোৰত ভৰি দিলেহি। ৰূপৱতী, গুণৱতী ভাৰ্য্যা পাই কুম্ভ কোঁৱৰৰ আনন্দৰ পাৰ নোহোৱা হ'ল। নিজে কোঁৱৰ সু কবি আৰু সঙ্গীতজ্ঞ। সঙ্গীতত পাৰদৰ্শিনী কবি পত্নীৰ সঙ্গত কাব্য সঙ্গীতৰ আৱেষ্টনত কোঁৱৰৰ স্বৰ্গ সুখত দিন যাবলৈ ধৰিলে। কোঁৱৰে মীৰাক বীণা বজাবলৈ শিকালে। যোগ্য স্বামীৰ সাহচৰ্য্যত মীৰাৰ কবিত্ব শক্তি পূৰ্ণ বিকশিত হৈ পৰিল। কোঁৱৰৰ অনুৰোধত সু-কবি মীৰাই জয়দেৱ বিৰচিত 'গীত গোবিন্দ'ৰ টীকা লিখি উলিয়ালে। বীণাৰ ঝঙ্কাৰৰ লগে লগে মীৰাৰ সুললিত কণ্ঠৰ ভজন গীতে চিতোৰ ৰাজ কাৰেঙত মায়াপুৰী সৃষ্টি কৰিলে।

অপৰিসীম সুখ, ৰূপৱান, গুণৱান স্বামীৰ অকপট ভালপোৱা, স্বামীৰ অসীম যত্ন; তথাপি মীৰাই অনুভৱ কৰে এটি অজ্ঞাত অন্তৰ বেদনা। পিতৃ গৃহৰ সঙ্গীত কাননৰ মুক্ত বিহঙ্গিনী মীৰা চিতোৰৰ ৰাজ প্ৰাসাদৰ ঐশ্চৰ্য্য, সন্মান বিশাল বৈভৱৰ মাজত বন্দিনী। স্বামীৰ অকৃত্ৰিম প্ৰেমৰ বন্ধনত মীৰাৰ সত্ত্বা হ'ল নিষ্প্ৰভ। মীৰাই অনুভৱ কৰে অন্তৰৰ বিশাল শূন্যতা। জীৱন নিজৰাটি যেন বাট হেৰুৱাই শুকাই যায়। অন্তৰ বেদীৰপৰা যেন দেৱতা অন্তৰ্ধ্যান। বেদীৰ চৌপাশে সংসাৰ বন্ধন, ভোগ ঐশ্চৰ্য্য, বিলাস সন্মানৰ শত শত বাধা নিষেধে মীৰাৰ যেন কণ্ঠৰোধ কৰে। অন্তৰৰ অদৃশ্য বেদনাত মীৰা লাহে লাহে বিষাদ প্ৰতিমাত পৰিণত হবলৈ ধৰে। সংসাৰৰ সুখ ভোগ বিলাস বাসনাত মীৰাই তৃপ্তি নাপায়। অন্তৰৰ সকলো কামনা পাৰ্থিৱতাৰ উৰ্দ্ধত কোনোবা অতীন্দ্ৰিয় জগতলৈ যেন গতি কৰে কোন অসীমৰ সন্ধানত। বিনন্দীয়া বিশ্বৰ সকলো ৰূপৰ সম্ভাৰ নিষ্প্ৰভ হৈ পৰে মীৰাৰ চকুত। কোন কল্পলোকৰ চিৰসুন্দৰৰ ৰূপ তৃষাত্ত মীৰাৰ তৃষিত হিয়া ব্যাকুল হৈ উঠে, মীৰা হয় অন্যমনা, বিষাদিতা। মীৰাৰ এনে ভাবান্তৰ অৱস্থা পত্নী প্ৰাণ স্বামীৰ চকুত ধৰা পৰে। কোঁৱৰে নানা উপায়েৰে মীৰাৰ প্ৰফুল্লতা ঘূৰাই আনিবলৈ যত্ন কৰে। কোঁৱৰৰ সকলো চেষ্টা বিফল হয়। মীৰা দিনে দিনে ম্ৰিয়মাণ হৈ যায়। শেষত তেওঁ ভাবি থিৰ কৰিলে মীৰাই সৰুকালতে শ্ৰীকৃষ্ণ বিগ্ৰহ পূজা কৰি আৰতিত নৃত্যগীত গাইছিল, হয়তোবা এতিয়া বিগ্ৰহ পূজা কৰিবলৈ নোপোৱাৰ গতিকেই মীৰাৰ এনে শোচনীয় ৰূপান্তৰ ঘটিছে। শেষত পত্নী প্ৰেমেই জয়লাভ কৰিলে। শক্তি উপাসক চিতোৰ ৰাজ পুৰোহিতৰ তীব্ৰ বাধা আৰু গুৰুজনৰ আপত্তি পৰাজিত হ'ল। চিতোৰ ৰাজকুল দেৱী 'ভৱানীৰ' মন্দিৰৰ কাষতে শ্ৰীকৃষ্ণৰ মন্দিৰ নিৰ্ম্মিত হ'ল। মন্দিৰ সংলগ্ন বিশাল অতিথিশালা স্থাপিত হল। মন্দিৰৰ মৰ্ম্মৰ বেদীত সোণৰ সিংহাসনত মীৰাৰ আৰাধ্য দেৱতা "গিৰিধাৰী লাল" কৃষ্ণ বিগ্ৰহ স্থাপিত হল। মন্দিৰৰ পূজাৰিণী হ'ল ৰাজ মহিষী মীৰাবাঈ। সাধু সন্ন্যাসী সকলৰ কাৰণে মীৰাৰ মন্দিৰ হল মুক্ত। মীৰাই পাহৰিলে স্বামী সেৱা, পাহৰিলে সংসাৰ ধৰ্ম্ম। বিগ্ৰহৰ পূজাত মীৰা হ'ল আপোন পাহৰা।

মীৰাই নিজহাতেৰে বিগ্ৰহৰ পূজা কৰে আৰতি কৰে,- ভজন গায়, নৃত্য কৰে। নিতে নতুন নতুন ভজন সঙ্গীত ৰচনা কৰে। আপোন পাহৰা মীৰাই বীণা বজায় বিগ্ৰহৰ সন্মুখত। ভক্তি প্ৰেমানন্দত বিভোৰা মীৰাৰ বিষাদ মুখত হাঁহি ফুটে। ইপিনে ৰাজমহিষীৰ মন্দিৰৰ নৃত্য গীতৰ কুখ্যাতিয়ে ৰাজ অন্তঃপুৰত অশান্তিৰ জুই জ্বলালে। প্ৰবাদ আছে ৰাজপুৰোহিত আৰু মীৰাৰ দেওৰেক

বিক্ৰমজিৎ আৰু ননন্দেকে মীৰাৰ প্ৰাণ নাশ কৰিবলৈ কেইবা বাৰো যত্ন কৰে। কিন্তু কৃষ্ণ ভক্তি বৰ্ম্মেৰে সুৰক্ষিতা মীৰাৰ শৰীৰৰ অকণো ক্ষতি সাধন নহ'ল। মীৰাই গায় —

" ম্যাইতো হৰিকে দৰশন প্যাসি।"
জনম জনম ম্যায় হৰি পূজনকো
আতি হৈ বনকি দাসী —

পূজাৰিণী মীৰাৰ সংসাৰ উদাসী আচৰণত লাহে লাহে স্বামীৰ মনতো অশান্তি আৰু সন্দেহে ঠাই ল'লে। পত্নীৰ প্ৰেমোন্মত্ত স্বামীয়ে বিচাৰে পত্নীৰ প্ৰেম ব্যাকুল উচ্ছ্বসিত অন্তৰ ; আত্মনিবেদনৰ অকৃত্ৰিম প্ৰতিদান। প্ৰতি মুহূৰ্ত্তে কামনা তৃষিত প্ৰাণে বিচাৰে মিলন অমিয়া। কিন্তু পাষাণ প্ৰতিমা মীৰাৰ সংসাৰলৈ ভ্ৰূক্ষেপ নাই। স্বামীৰ আকুলতাই পাষাণৰ নিশ্চলতা টলাব নোৱাৰি অভিমানী হিয়া উলটি যায় ব্যৰ্থ আক্ৰোশলৈ। কোঁৱৰৰ অতৃপ্ত প্ৰাণ ভাগৰি পৰে তৃপ্তিৰ সন্ধানত। মীৰাৰ সংসাৰ অনাশক্তিত বিলাসী স্বামী অতিষ্ঠ হৈ উঠে। মীৰাৰ অনুমতিক্ৰমে কোঁৱৰে জালান্ধৰ ৰাজকুমাৰীক পুনৰ বিবাহ কৰি আনে। এইবাৰ সংসাৰ বন্ধনৰপৰা মীৰাই সম্পূৰ্ণৰূপে মুক্তি পালে। মীৰাই তন্ময়ভাৱে আপোন মনে সঙ্গীত ৰচনা কৰে, উল্লাসত নৃত্য কৰে। গীত গায়। দিন ৰাতিৰ জ্ঞান নাই. আহাৰ বিহাৰৰ সময় বোধ হেৰুৱাই কৃষ্ণ প্ৰেমত উন্মত্ত মীৰা বিভোৰ হৈ পৰে। পাহৰে লাজ, মান, সাজ-সজ্জা, আড়ম্বৰ, সন্মান দ্বিধা। মীৰাই যেন আগবাঢ়ে কোনো অশ-ৰিৰী অতীন্দ্ৰিয় অৰূপ ৰূপৰ সন্ধানত। কল্প লোকৰ প্ৰিয়তমৰ মিলন আকুল কল্পিত অন্তৰৰ অনুভূতিত মীৰা হয় আকুল। মানসৰ বিচিত্ৰ কল্পলোকত শুনে অজান প্ৰিয়তমৰ পদধ্বনি — মীৰাই গায়—

" শুনি মই হৰি আওনকী আওৱাজ "

দৰ্শনৰ মতে জীৱাত্মাৰূপী জীৱে বিচাৰে পৰমাত্মাৰ সন্ধান, সচ্চিদানন্দৰ আনন্দ সানিধ্যৰ আশাত জীৱ জগৎ ব্যাকুল হৈ আগবাঢ়িছে প্ৰতি মুহূৰ্ত্তে। জীৱকুলে এই ভূমানন্দৰ সন্ধানত আকুল ভাৱে সাৰটি লৈছে বাস্তৱতাৰ ভোগময় ক্ষণিক সুখ পথ। পাৰ্থিব বাসনা পাশ মুক্ত জীৱাত্মা পৰমাত্মাত সমাধিত নোহোৱালৈকে কৰ্ম্ম ব্যাকুল জীৱনৰ শান্তি নাই, স্থিতি নাই। এই পৰম মিলন ক্ষণৰ কাৰণে জীৱ জগৎ গতিশীল। মীৰাৰ সঙ্গীত সাধনা ভক্তি যোগ পথেৰে অন্তৰ দেৱতাৰ সন্ধানত আকুল ভাৱে আগবাঢ়িবলৈ ধৰিলে, চিৰ সুন্দৰৰ সান্নিধ্য বিচাৰি। মীৰাই সঙ্গীত সাধনাৰ বাহিৰে কোনো তপস্যা বা যোগ পথ অৱলম্বন কৰা নাছিল। সৌন্দৰ্য্য পিয়াসী কৱি চিত্তত প্ৰেমৰ প্ৰদীপ জ্বলাই সংসাৰ গহনৰ মাজে মাজে আগবাঢ়ি গ'ল, কোনো অতনু অৰূপ ৰূপৰ সন্ধানত। সুন্দৰৰ বিৰহত মীৰাৰ হৃদয় তন্ত্ৰীত অনুভূতিৰ অপূৰ্ব্ব সুৰৰ অমিয়া ঢালি দিলে ; মীৰা হ'ল কৱি। অৰূপ ৰূপৰ চিন্তা সাগৰত ডুব মাৰি কৱি চিত্ত হ'ল ধ্যানী ! হৃদয় তন্ত্ৰী কঁপি কঁপি সঙ্গীতৰ সুৰৰ লহৰী বাজি উঠিল। প্ৰাণ, মন, চিত্ত, দেহ, অণু-পৰমাণু অৰ্পিত হ'ল, উৎসৰ্গিত হ'ল, কোন অৰূপ ৰতনৰ চৰণ তলত। তণু লতাত ফুটি উঠিল আত্ম নিবেদনৰ লাস্য ভঙ্গি। মীৰা হ'ল ছন্দময়ী নৃত্য কুশলা। জীৱন দৰ্শন হ'ল প্ৰেমৰ সাধনা, সঙ্গীতৰ প্ৰতিভূ। মীৰাই গাই উঠিল —

"বিনা প্ৰেমসে নাহি মিলে নন্দলালা।"

মীৰাৰ অদ্ভূত সাধনা, অপূৰ্ব্ব নৃত্য গীতৰ খ্যাতি ভাৰত বিয়পি পৰিল। দিল্লীৰ বাদ-শাহৰ দৰবাৰত এই বাতৰিয়ে অভিনৱ ভাৱ সৃষ্টি কৰিলে। দিল্লীৰ ৰাজ দৰবাৰৰ শ্ৰেষ্ঠ গায়ক তানসেন্ আৰু সম্ৰাট আকবৰে ছদ্ম বেশেৰে আহি মীৰাৰ সঙ্গীত নৃত্য দেখি শুনি



মোহিত হ'ল। বাদশাহে আগ বঢ়ালে গিৰি-ধাৰীলাল বিগ্ৰহলৈ লক্ষ মুদ্ৰা মূল্যৰ সুদুৰ্ল্লভ মুক্তা মালা। বিৰক্তি বিক্ষোভৰ জুই উমাই উমাই জ্বলি থকা মীৰাৰ উপেক্ষিত স্বামীৰ মনত এই মুক্তা মালাই তীব্ৰ সন্দেহৰ জুই জ্বলালে। স্বামীৰ তিৰস্কাৰত নিৰপৰাধিনী সৰ্ব্বহাৰা মীৰা গৃহ ত্যাগিণী হৈ ৰাজ পথত ঠিয় দিলেহি। মহা সমুদ্ৰৰ আহ্বানত নদীয়ে যি দৰে আত্ম সমৰ্পণৰ উন্মাদনাত বিপুল বেগেৰে আগবাঢ়ে, সেই দৰে সৰ্ব্ব বন্ধনৰ পৰা মুক্তি লাভ কৰি চিতোৰ ৰাজ মহিষী পৰম ক্ষুধাত আকুল হৈ, উত্তৰ ভাৰতৰ নদীৰ তীৰে তীৰে হিয়াৰ উচ্ছ্বসিত আৱেগ ঢালি অৰূপ ৰতনৰ সন্ধানত অজান অভিসাৰৰ বাটত বেথাৰ সুৰেৰে মালিকা ৰচি ৰচি সৰ্ব্ব সন্তাপহাৰী বৃন্দাবন চন্দ্ৰৰ ঘৰলৈ আগ বাঢ়িলে।

"ৰাণাজী—ম্যায় গিৰিধৰকে ঘৰ জাঁউ-"

অস্থায়ী গৃহ কোটৰ এৰি চিৰন্তনৰ আশ্ৰয় গিৰিধাৰীৰ ঘৰলৈ মীৰা আগ বাঢ়িল ; —যি আশ্ৰয় যি অমৃতৰ সন্ধানত আগবাঢ়িছে যুগে যুগে যুগ যাত্ৰীদল। অজান সৌন্দৰ্য্য তৃষাত বিশ্বৰ তৃষিত হিয়াই ৰূপ সাগৰৰ পাৰে পাৰে বিচাৰি ফুৰিছে অৰূপ ৰতন। গীতৰ ছন্দে ছন্দে আত্ম সমাহিত ভক্ত প্ৰাণৰ সুধা সনা অমৃত নিজৰা বোৱাই ধ্যান সাগৰৰ পাৰে পাৰে মীৰাই বিচাৰি গ'ল সেই অৰূপ ৰতন। ভিক্ষাৰিণীৰ দৰে যেনিয়েই চুচকু যায় সেই পিনেই মীৰা আগবাঢ়িলে। কাঁইটে বাওলী ভৰিৰ তেজৰ চৰণ ছাপ ধূলিত পেলাই সকলো ঐশ্চৰ্য্য-সম্পদ হেলাৰঙে পিছলৈ পেলাই থৈ কোন পৰশ মণিৰ সন্ধানত আকুল প্ৰাণেৰে পৰম দেৱতাক সম্বোধন কৰি মীৰাই গালে

" তোহাৰি কাৰণ সব সুখ ছোড়া
অব মুহ ক্যা তৰ সাৰো
সব ছোড়া নতী বনে প্ৰভুজী—
চৰণক পাশ বুলাৱো — "

তোমাৰ কাৰণে প্ৰভু সকলো ত্যাগ কৰিলো, তুমি মোক কিয় তৃষিত ৰাখা ? জীৱনৰ এনে কোনো বাসনা নাই, যি তোমাৰ কাৰণে মই ত্যাগ কৰা নাই। এতিয়া আৰু মোক দূৰৈত নেৰাখিবা।

বিপদ ডাৱৰে মীৰাক আৱৰি ধৰিছে, অসহায় অবলা নাৰীৰ আকুল কণ্ঠত ফুটি উঠিল অমিয়া সঙ্গীত—

চিত নন্দন বিলমাঈ
বাদৰা না ঘেৰী মোঈ।

হে চিতনন্দন, বৰ পলম হৈছে তোমাৰ আগমন। ইপিনে এন্ধাৰ ডাৱৰে মোক চৌপাশে আৱৰি ধৰিছে। প্ৰিয়তম, তুমি হীন প্ৰতি মুহূৰ্ত্ত মোৰ জীৱনৰ চাৰিওপিনে মৰণৰ এন্ধাৰে ছাটিছে। মই জানো তোমাৰ মিলন লগ্ন উত্তীৰ্ণ নহয়, তুমি যেতিয়াই আহাঁ তেতিয়াই হয় শুভ লগ্ন। কিন্তু মৰ্ত্ত্যৰ মানৱৰ জীৱন যে সীমাবদ্ধ। সেইহে বিৰহত হিয়া আকুল হৈ উঠিছে মোৰ। এই দগ্ধ লতাত পানী সিঁচি দি সজীৱ কৰি তোমাৰ চৰণ তললৈ তুলি লোৱা। এনে অপূৰ্ব্ব প্ৰাণৰ আৱেগ ঢালি গীত ৰচি সুৰে সুৰে কেইজনে পৰম দেৱতাক মাতিব পাৰে ? এই সুৰ, এই গীত, মীৰা প্ৰদৰ্শিত তপস্যা সঙ্গীত। বাহিৰ জগতৰ জ্ঞান হেৰুৱাই কোন অদৃশ্য শক্তিৰ বলত নিচেই অলপ দিনতে মীৰা বৃন্দাবন পালেগৈ। প্ৰবাদ আছে মীৰাৰ আগমনত অসময়তে বৃন্দাৱনত বসন্ত কাল আহি পৰে। বৃন্দাৱন পুলকিত হৈ উঠিল। বৃন্দাৱনত কুঞ্জকাননৰ মাজে মাজে চিৰ সুন্দৰৰ অন্বেষণত আপোন পাহৰা মীৰাই শুনিলে চিৰ বাঞ্ছিতৰ পদধ্বনী—

' শুনি ম্যায় হৰি আওনকী আওৱাজ '

গভীৰ বিৰহৰ মাজত প্ৰেমে পূৰ্ণতা লাভ কৰে। নিঃশেষিত গভীৰ ধ্যানৰ মাজত

আৰাধ্যাই ধৰা দিয়ে। বাহিৰৰ যৱনিকা আঁতৰি যায়। বিশ্ববিহীন বিজনতাৰ ধিয়ানৰ নিশাৰ আলোকত যত অনাদি কালৰ প্ৰেম নদী নিঃশব্দে নীৰবে বৈ আছে. সেই প্ৰেমমন্দাকিনীৰ তীৰত মীৰাৰ চিৰবাঞ্ছিত প্ৰিয়তমে মীৰাক দৰশণ দিলেহি।

আঁধৰাত প্ৰভু দৰশণ দেহৈ
প্ৰেম নদীকা তীৰা।

জীৱন কমল ফুলি উঠিল। শান্ত হল অশান্ত-জীৱন। ধন্য হ'ল প্ৰেমৰ সাধনা, সঙ্গীত যোগে সিদ্ধি লাভ কৰিলে; সৰ্ব্বসন্তাপ-হাৰীৰ চৰণত আকুল ভক্তই প্ৰাৰ্থনা জনালে।

মহানে চাকৰ ৰাখোজী
চাকৰ ৰহসু বাগ লগাসু
নিতি উঠি দৰশণ পাতি।

বিশ্বপতিৰ সুন্দৰ সৃষ্টিৰ উদ্যানত চাকৰ ৰাখিবলৈ মীৰাই প্ৰাৰ্থনা জনালে। হে প্ৰিয় তোমাৰ সুন্দৰ উদ্যানৰ মোক মালিনী কৰা। মই সুন্দৰ সুন্দৰ ফুল কম, আৰু তোমাৰ শুৱনি বাগিছাৰ পুৱাতে উঠি শুৱনি শোভা চাম। বাঞ্ছিতৰ দৰ্শনত মীৰাৰ অন্তৰ প্ৰেম পুলকিত, প্ৰিয়তমৰ ৰূপেৰে বিশ্ব সৌন্দৰ্য্য হৈ উঠিল। তৃপ্ত প্ৰশান্ত প্ৰাণে অৰূপ ৰতনৰ পৰশত নৰজন্ম লাভ কৰিলে। চিৰ বিৰহী হিয়াই পালে পৰম সুন্দৰৰ পৰশ অমিয়া। তৃষিত চকুৰে ধ্যান লোকত দৰিশন পালে অৰূপ ৰতন— চিৰ সুন্দৰৰ ৰূপ জ্যোতি;— পুলকিত কবি প্ৰাণে গায় উঠিল—

জনম মৰণকে সাথী
মীৰাকে প্ৰভু পৰম মনোহৰ
তোৰি চৰণ চিত ৰাতি
পল পল তোৰা ৰূপ নিহাৰ
নিৰখ নিৰখ সুখ পাতি
জনম মৰণকে সাথী—

ৰূপ সাগৰৰ পাৰত সঙ্গীত সাধিকা কবি প্ৰাণ সমাহিত হ'ল। যি সৌন্দৰ্য্যক কেন্দ্ৰ কৰি বিশ্ব সঙ্গীতৰ উৎস, বিশ্ব কবিত্বৰ উৎস, সেই পৰম সৌন্দৰ্য্যৰ ৰূপ জেউতীত আকুল তৃষিত সৌন্দৰ্য্য প্ৰয়াসী ভক্তৰ প্ৰাণে পালে অপৰূপ ৰূপ ৰসৰ সন্ধান, অৰূপৰ মহাসাগৰত ৰূপ ৰেণু মিলি গ'ল। বিশ্ব সাধনাৰ শীৰ্ষ স্থানত সঙ্গীত সাধনাৰ বিজয় সৌধ স্থাপিত কৰিলে কবি মীৰাৰ সঙ্গীত সাধনাই;— যি সাধনাৰ দিব্য জ্ঞানৰ অধিকাৰিণী মীৰাবাঈৰ জ্ঞান গৰিমাৰ ওচৰত শ্ৰীচৈতন্যদেৱৰ শিষ্য ৰূপ গোস্বামী পৰাজিত আৰু লাঞ্ছিত হৈ মীৰাক শ্ৰদ্ধাপূৰ্ণ অন্তৰেৰে বন্দনা কৰি উপদেশ লাভ কৰিছিল। মহিয়সী কবিয়ে সঙ্গীত সাধনাৰে যি শলিতা ডালি ভাৰতবৰ্ষত জলাই থৈ গ'ল, সেই শলতাৰ জেউতীৰ শিখা যুগে যুগে জ্বলি আছে ৰূপ জেউতীৰ স্বৰ্গীয় সুৰৰ সুৰভি বিলাই।

———X———

# অসমৰ সংস্কৃতিত ললিত কলাৰ প্ৰভাৱ।

শ্ৰীযুক্ত বিষ্ণুৰাম মেধি।

মানুহৰ জীৱনত ললিত কলাৰ প্ৰভাৱ অসীম। ললিত কলাৰ চৰ্চ্চাই মানুহৰ জীৱনত ৰূপ, ৰস, গন্ধ আৰু আনন্দৰ সৃষ্টি কৰে। সেই কাৰণেই আৰ্য্য ঋষি সকলে ভগৱানৰ পৰিচয় দিছিল ৰসো বৈ সঃ বুলি, অৰ্থাৎ তেঁৱেই ৰস আৰু ৰসেই তেওঁৰ



পৰিচয়। যি কাৰ্য্যৰ দ্বাৰা পবিত্ৰ ৰসৰ সৃষ্টি হয়, সেয়েই ৰসময় ভগৱানৰ আৰাধনা। সঙ্গীতৰপৰাই সেই অনাবিল স্বৰ্গীয় ৰসৰ সৃষ্টি হয়। নৃত্য, গীত, বাদ্যই হৈছে সঙ্গীত। সঙ্গীতৰপৰা সৃষ্টি হোৱা এই বিমল ৰস ধাৰা পান কৰি ভক্ত সকল ভগৱানৰ আৰাধনাত মতলীয়া হৈ থাকে। এই ৰসধাৰাই মানুহৰ মন প্ৰাণ অপূৰ্ব্ব আৰু অচিন্ত্য আপ্লুত কৰে। এনে অৱস্থাত মানুহৰ মন উচ্চৰ পৰা উচ্চতৰ স্তৰলৈ আৰোহণ কৰে। যেতিয়া মানুহে মনুষ্যত্বৰ গৰিমাত নিজৰ পৰাই বিকশিত হৈ উঠে তেতিয়াই হয় মানৱ জীৱনৰ সাৰ্থকতা। মানৱাত্মাৰ অন্তৰ্নিহিত শক্তিক পৰিচয় দিবৰ বাবেই এই জীৱন। আত্মাৰ জ্যোতিত আমাৰ জীৱনৰ দুৰ্গম পথ উদ্ভাসিত হৈ উঠে। সঙ্গীতে আত্মাক আলোকিত আৰু প্ৰাণক বিকশিত কৰি তোলে। এই কাৰণেই চৌষষ্টি কলাৰ ভিতৰত ভাৰতীয় শাস্ত্ৰকাৰ সকলে সঙ্গীতৰ ঠাই সৰাবো আগত নিৰ্দ্দেশ কৰিছিল।

সেয়েহে তেওঁলোকে কৈছিল—

'জপ কোটি গুণং ধ্যানং
ধ্যান কোটি গুণং লয়ং
লয় কোটি গুণং গানং
গানাৎ পৰতৰং নহি।"

মানুহে সুৰ আৰু বাণীৰ সমন্বয়ৰ মাজেদি নিজৰ চিন্তাধাৰা প্ৰকাশ কৰিলে। যি পৰাকী আনন্দৰ প্ৰতীক তেওঁৰ আৰাধনা কৰিবৰ বাবে আৱাহন বাণী প্ৰকাশ পালে ছন্দ আৰু গানৰ মাজেৰে। বেদগান, মন্ত্ৰোচ্চাৰণ আৰু সকলো প্ৰকাৰৰ উপাসনাৰ প্ৰধান অঙ্গই হ'ল সঙ্গীত। ভগৱানে কৈছিল— " নাহং বসামি বৈকুণ্ঠে, যোগিনাং হৃদয়ে ন চ; মদ্‌ভক্তা যত্ৰ গায়ন্তি, তত্ৰ তিষ্ঠামি নাৰদ।" মই বৈকুণ্ঠত বাস নকৰোঁ, যোগী সকলৰ হৃদয়তো বাস নকৰোঁ;— মোৰ ভক্ত সকলে য'ত গুণ গান কৰে, মই সেই ঠাইতেই অৱস্থান কৰোঁ। সমাজৰ ৰুচি আৰু ৰসবোধৰ উৎকৰ্ষ সাধন সঙ্গীতৰ আন এটি লক্ষ্য আৰু এনে উৎকৰ্ষ সাধন সঙ্গীত স্ৰষ্টা-সকলৰ ওপৰত নিৰ্ভৰ কৰে! প্ৰাচীন কালত ভাৰতত নৃত্য-গীত আদিৰ সমূহ উন্নতি সাধিত হৈছিল। অতি প্ৰাচীন বৈদিক যুগতেই ভাৰতীয় নৃত্য আৰু সঙ্গীতৰ সুনিয়ন্ত্ৰণ ঘটিছিল। প্ৰাচীন ভাৰতত এইবোৰ ললিত-কলাৰ শাস্ত্ৰসন্মত চৰ্চ্চা হৈছিল। আগৰ দিনত ৰজা জমিদাৰ সকলে ললিত-কলাৰ পৃষ্ঠপোষকতা কৰিছিল। পৰাধীন হৈ থকা কালছোৱাত ললিত কলাৰ সাধন আৰু চৰ্চ্চা কৰিবলৈ সুযোগ নাছিল। আমাৰ দেশ স্বাধীন হোৱাৰ পিচত এই বিষয়ে আমাৰ কৰ্ত্তব্য বহুখিনি বাঢ়িছে। আমাৰ জাতীয় চৰকাৰে নৃত্যগীত আদিৰ প্ৰসাৰ আৰু উন্নতিৰ অৰ্থে সঙ্গীত নাটক পৰিষদ নামে জাতীয় অনুষ্ঠান গঢ়ি তুলিছে। অসম তথা ভাৰতে ৰাজনৈতিক ক্ষেত্ৰত আগবাঢ়ি যোৱাৰ লগে লগে সংস্কৃতিৰ ক্ষেত্ৰতো উন্নতি কৰিব লাগিব, তেহে জাতি গঠনৰ বাট কল্যাণকৰ হব। কলা আৰু সংস্কৃতি সমূহ ৰাইজৰ উমৈহতীয়া সম্পত্তি হলেহে ইয়াৰ প্ৰকৃত বিকাশ হব। আমাৰ ৰাইজে যাতে ললিত কলাৰ প্ৰতি আগ্ৰহ দেখুৱায় আৰু তাৰ চৰ্চ্চা কৰিবলৈ উপযুক্ত সময় আদি পায় তাৰ বাবে আমি আটায়ে সচেষ্ট থকা উচিত।

জাতিৰ এটা সভ্যতা আৰু সংস্কৃতিৰ চানেকী সেই জাতিৰ ললিত কলাৰ মান আৰু বিকাশৰ ওপৰত নিৰ্ভৰ কৰে। আমাৰ অসমদেশ প্ৰাচীন কালৰেপৰা সাংস্কৃতিক ঐতিহ্যৰে ভৰপূৰ। বিদেশী শাসনৰ তলত এই সাংস্কৃতিক সম্পদৰাশিক বুটলি লোৱা

আৰু তাৰ চৰ্চ্চাৰ প্ৰতি মনোযোগ দিবলৈ আমাৰ সময় থাকিলেও তেনে সুবিধা নাছিল। কিন্তু এতিয়া দেশ স্বাধীন হ'ল যেতিয়া আমি আমাৰ সভ্যতা আৰু সংস্কৃতিৰ ফালে পিঠি দিলে নচলিব। আমি সকলোৱে চেষ্টা কৰিলে অসমৰ নিজ্বা ঐতিহ্য পুনৰ্জীবিত কৰিবলৈ বেছি টান নহব।

শ্ৰীমন্ত শঙ্কৰ গুৰুৱে আমাক নাট্য, নৃত্য, গীত, পদ আদি যি বিৰাট সম্পদেৰে চহকী কৰি থৈ গ'ল, তাক চিৰকালে প্ৰত্যেক অসমীয়াই কৃতজ্ঞচিত্তে সুঁৱৰিব। আজি অসমীয়াৰ জাতীয় ভেটি শ্ৰীমন্ত শঙ্কৰৰ অৱদানৰ ওপৰেতে সুপ্ৰতিষ্ঠিত হৈ আছে। আজি প্ৰত্যেক অসমবাসীৰেই কৰ্ত্তব্য হব শঙ্কৰী যুগৰ কলা আৰু সাহিত্যৰ সম্ভাৰ গোটেই ভাৰততে বিস্তৃতিৰ অৰ্থে একান্ত-পতীয়া ভাৱে চেষ্টা কৰাটো।

আমি আমাৰ কৌটী কলীয়া বিহুগীত, বনগীত, আইনাম, বিয়ানাম, বৰগীত, দেহ-বিচাৰৰ গীত, হুচৰি গীত, নিচুকনি গীত আদিলৈ পাহৰি গৈছো। এই বিলাক আমি আকৌ সজীৱ কৰি তুলিব লাগিব। গাওঁ-ভূঁয়ে ওজাপালিৰ প্ৰতিধ্বনি তুলিব লাগিব। অসমীয়া ভাওনাৰ প্ৰতি আমাৰ আগ্ৰহ গঢ়ি তুলিব লাগিব। আজিৰ জন-শিক্ষাৰ যুগত ভাওনাই আমাক অনেক দূৰ সহায় কৰিব পাৰে। ভাওনাৰ যোগেদি আমি নিৰক্ষৰ জনসাধাৰণক নানা ধৰণৰ জ্ঞানৰ পোহৰ দি জনশিক্ষা অভিযান সাফল্যমণ্ডিত কৰিব পাৰোঁ। অসমৰ নিজস্ব বাদ্য যন্ত্ৰ সমূহৰ অনুশীলন কৰাটো একান্ত প্ৰয়োজন।

কামৰূপীয় নৃত্য-কলাক আমি পুনৰুদ্ধাৰ কৰিব লাগিব। মোৰ দৃঢ় বিশ্বাস যে প্ৰাচীন কামৰূপীয় নৃত্য-কলাৰ পুনৰুদ্ধাৰ কৰিব পাৰিলে ই ভাৰতীয় নৃত্য-কলাৰ আসনত উচ্চ স্থান লাভ কৰিব পাৰিব। বৰ আনন্দৰ কথা যে, আমাৰ সত্ৰ বিলাকত আজিও নৃত্য-কলাৰ চৰ্চ্চা চলি আছে আৰু আমাৰ সত্ৰীয় নৃত্য কলাই ইতিমধ্যে সদৌ ভাৰতত খ্যাতি অৰ্জ্জন কৰিবলৈ সুযোগ পাইছে। সত্ৰীয়া নাচ, বিহু নাচ, ওজাপালি নাচ আদিয়ে সুযোগ পালে খ্যাতি অৰ্জ্জন কৰিবলৈ সৰহ পৰ নেলাগিব।

অকল এয়ে নহয়। আমাৰ পৰ্ব্বতীয়া ভাই-ভনী সকলৰ মাজতো অনেক ধৰণৰ নৃত্য-কলাৰ প্ৰচলন আছে। খাছিয়া, লুচাই, নগা, মিৰি, আবৰ, মিছিমি, গাৰো আদি ভাই-ভনী সকলৰ মাজত থকা নৃত্য-কলা সমূহক আমি সৰ্ব্ব ভাৰতীয় দৃষ্টিকোণলৈ আহিব পৰা অৱস্থাৰ সৃষ্টি কৰিব লাগিব।

আমি মনত ৰখা উচিত যে, আমাৰ পৰ্ব্বতীয়া ভাই ভনী সকলে কলা আৰু কৃষ্টিৰ ক্ষেত্ৰত এখন বিশাল ঠাই অধিকাৰ কৰি আছে। তেওঁলোকৰ সহায় সহযোগ নহলে অসমৰ ললিত কলাৰ পূৰ্ণ বিকাশ সম্ভৱপৰ নহয়। জাতি এটা গঢ়ি তুলিব লাগিলে আমি সকলোৱে একেলগ হৈ মুঠি বান্ধি কামত আগবাঢ়ি যাব লাগিব।

অঙ্কীয়া নাট অসমীয়াৰ এটি আপুৰুগীয়া সম্পত্তি। অসমৰ গাওঁ-ভূঁয়ে এতিও অনেক নতুন পুৰণি নাট পৰি আছে। এই বিলাক উদ্ধাৰ আৰু চৰ্চ্চা কৰাৰ প্ৰতিও আমি মনযোগ দিব লাগিব। ভাওনাৰ এই নাট বিলাকৰ বিকাশৰ প্ৰতি আমি চকু দিব নোৱাৰিলে আমাৰ কাম সম্পূৰ্ণ নহব।

আমাৰ নিজস্ব সংস্কৃতি বিষয়ক পুনৰুদ্ধাৰ কৰিব লগীয়া ইমান বিলাক কাম পৰি আছে যে তাক কৈ শেষ কৰিব নোৱাৰি। যেতিয়া আমি কামত আগ বাঢ়িম তেতিয়াহে আমি এই বিষয়ত কিমান পিচ পৰি আছোঁ তাক বুজিবলৈ সহজ হৈ পৰিব। আমি এইটো মনত ৰখা উচিত যে কৃষ্টি কেইজনমান লোকৰ স্বকীয়া সম্পত্তি নহয়। দুই এজনে ইয়াৰ চৰ্চ্চাত মনযোগ দিলেই আমাৰ লুপ্তপ্ৰায় সংস্কৃতি আৰু ঐতিহ্য পুনৰ্জীৱিত হ'ব বুলি ভবাটো ভুল হ'ব। ইয়াৰ কাৰণে দেশ জুৰি এটি নতুন অৱস্থাৰ সৃষ্টি কৰিব লাগিব, এটি নতুন প্ৰচেষ্টা চলাব লাগিব। *



# অসমীয়া গীতি-সাহিত্যত বুৰঞ্জীৰ সাঁচ

শ্ৰীযুত লীলা গগৈ।

চটাই পৰ্ব্বত আৰু চিৰী লুইত বুৰঞ্জীৰ সাক্ষী। অতীতৰ কোনোবা দিনত মানুহৰ মুখত মাত ফুটিল। প্ৰকৃতিৰ চানেকি চাই মানুহে হাঁহিলে, মানুহে নাচিলে; নাচোনৰ চেৱে চেৱে মানুহে অন্তৰ উদঙাই দি গালে। যুগৰ পিচত যুগ বাগৰি গ'ল। তাহানিৰেপৰা আজিলৈকে মানুহৰ অন্তৰ-নিজৰাৰ গড়া খহাই, পাৰ ভাঙি বাগৰি অহা গীতবোৰৰ দীঘলী বাটটোত বুৰঞ্জীৰ সাঁচ বৈ গ'ল। চিৰিপ চিৰিপ কৰি কাপোৰ ধুই থকা চেনেঙে চটাই পৰ্ব্বতত হাতী ধৰিবলৈ যোৱা কনেঙলৈ বাট চাই হুমুনিয়াহ পেলায়। সেইটো যুগত মানুহে সংস্কৃতিৰ পৰশ পালে; কাপোৰ ধুই নিজক নিকাকৈ ৰাখিবলৈ পোহৰ পালে। মানুহৰ মিলনেই সৃষ্টি। সৃষ্টিৰ পাতনি হৈছে বিবাহ বা বিয়া। হৰ-পাৰ্ব্বতীৰে পৰা আৰম্ভ কৰি কৃষ্ণ-ৰুক্মিণী আৰু উষা-অনিৰুদ্ধৰ বিয়াৰ কথাও আমাক বিয়ানামে কয়।

সাহিত্যৰ আদিম অৱস্থা গীত। গীতি-সাহিত্যতে গইনা লৈ লিখিত সাহিত্যৰ কাব্য আৰু কবিতাৰ জন্ম। যি সাহিত্য যি যুগত জন্ম, সি সেই যুগৰ বহুতো কথা সদৰী কৈ কব পাৰে। সাহিত্য সমাজৰ প্ৰতিবিম্ব। সেই কাৰণেই আমি কাব্যই হওক বা কথাই হওক তাৰ বুকুত বুৰঞ্জীৰ কঠীয়া পাব পাৰোঁ।

বিহু অসমীয়াৰ জাতীয় উৎসৱ। বিহু-গীত, বনগীতত আমি অসমীয়া জাতিৰ মিলন-বিৰহ, প্ৰেম-প্ৰীতি আদিৰ হু-বহু ছবি এখন দেখিবলৈ পাওঁ। বিহু-গীতবোৰৰ জকাটো অতি পুৰণি হলেও যুগে বাগৰ সলাওঁতে তাত নতুন পলস পৰি যায়। সেই কাৰণে আমি বিহু গীতত বৰ পুৰণি কথা নেপালেও "স্বৰ্গদেৱ বাটচ'ৰাৰ মুখলৈ" ওলোৱা সময়ৰেপৰা ভালেখিনি কথা টুকি আনিব পাৰোঁ।

"স্বৰ্গদেৱ ওলালে বাট চ'ৰাৰ মুখলৈ
তলীয়াই পাতিলে দোলা;
গাত জিলিকিলে মকৰে কুণ্ডলে
গাত গোমচেঙৰ চোলা।"

স্বৰ্গদেৱৰ সাজ-পাৰ আৰু অয়-অলঙ্কাৰৰ

* অসম সাংস্কৃতিক সন্মিলনত দিয়া ভাষণৰ সাৰাংশ। শ্ৰীযুত ঈশ্বৰপ্ৰসাদ চৌধুৰীৰ যোগেদি পোৱা হৈছে।

বিষয়ে আমি সুস্পষ্টকৈ জানিব পাৰোঁ। স্বৰ্গদেৱ কাৰেঙৰপৰা ওলাই আহে কেঁকোঁৰা দোলাত উঠি ;—বাটচ'ৰাৰ মুখত প্ৰজাই জয়ধ্বনি কৰে।

অসম জয় কৰিবলৈ শেনটো অহাদি বঙাল আহিল। সোতৰ বাৰ খেকেচা খাই আকৌ ফেঁচাটো যোৱাদি গুচি গল। বঙালক লাৰে লাৰে পানী খুৱাই দগা দি কাটিবলৈ অসমীয়া ৰণুৱাই বিহুৰ ৰং-ৰহইচৰ মাজতো দেশৰ কথা সুঁৱৰি গাইছিল –

"সান্দহ খুন্দি দিয়া খাওঁ প্ৰাণেশ্বৰী
চিৰা খুন্দি দিয়া খাওঁ,
ৰাতিৰে ভিতৰত টঙালি বৈ দিয়া
বঙাল মাৰিবলৈ যাওঁ।"

বিহুনামে যেনেকৈ ৰজাৰ কথা কৈছে তেনেকৈয়ে ডা-ডাঙৰীয়াৰ কথাও কব পাৰে।

"চৰাইৰ চিকুণ তেলীয়া সাৰেং
মাছৰ চিকুণ মালি ;
দেউতাৰ চিকুণ কেঁকোঁৰা দোলাখন
কঁপে গৰুপুৰৰ আলি।"

এই বিখ্যাত গৰুপুৰৰ বৰ আলি প্ৰতাপ সিংহ ৰজাৰ দিনত গৰুপুৰৰপৰা গড়গাঁৱলৈ বন্ধাইছিল। এইজনা ৰজাৰ দিনতে কছাৰী ৰণলৈ সোন্দৰ গোহাঁই গৈছিল। তাকে আমাৰ বিহুৱা ককাইহঁতে পাই গীতৰূপে গাঁথি থৈছে—

"পূবেদি ওলাবৰ বেণু
সোন্দৰ বুঢ়াগোহাঁই ৰণলৈ ওলালে
আটাই ঘুণে খোৱা দেহু।"

প্ৰতাপ সিংহৰ দিনত তাওকাকত নগৰ পাতি পুখুৰী খনাইছিল। সেয়েহে বিহুৱাই গাইছে—

"জোনৰে তামুলী তৰা
স্বৰ্গদেৱৰ তামুলী গন্ধীয়া ফুকন
মাতে তাওকাকৰ পৰা।"

স্বৰ্গদেৱসকলৰ শেহভাগতো গীতৰ নতুন ৰূপ লৈছিল।

"খোজকে কাঢ়িলোঁ এলাই খেলাই
খোজতে লাগিলে ভাগৰ ;
দেউতা মহাৰজাই পুখুৰী খনালে
নাও থলে গৌৰীসাগৰ।
পুখুৰী খনালে ভালকে কৰিলে
পাৰতো বন্ধালে দ'ল ;
দ'লো বন্ধালে কলচী চৰালে
আগলৈ খ্যাতি ৰ'ল।"

গৌৰীসাগৰ দ'ল পুখুৰী শিৱসিংহ স্বৰ্গদেৱৰ ( ১৭১৪-১৭৪৪ ) দিনত খনায়। তাৰ পাচত " দিখৌ গুমেগুমাই " কোম্পানীৰ জাহাজ আহিল। তেতিয়া ১৮৪৪ চন। দিহিং, দিখৌ, লুইত, ধনশিৰী, কলঙে বিহুৰ লগতে বুৰঞ্জীৰ কথাও কয়—

"অ' কোম্পানী পালেহি জাপানী
পলাই বা সাৰিবি ক'ত ?"

যোৱা মহাযুদ্ধৰ ৰণশিঙাৰ সুৰতো অসমীয়া বিহুৱাই সুৰ দিলে—বিহুৰ।

"নৈৰ ৰঙাগৰা দলনি দোপনি
হৰিণা চিঞৰে বনত,
তোমাৰে সন্তাপত থাকিব নোৱাৰোঁ।
মৰোঁগৈ খদিয়া ৰণত।"

বিয়ানামতো বুৰঞ্জীৰ আঁচোৰ। ৰুক্মিণীয়ে কৃষ্ণক আনিবলৈ বেদনিধি বাপুক পঠালে। " পত্ৰ লেখি ৰুক্মিণীয়ে বেদনিধিক পাছে।"

"আজিয়ে যোৱাগৈ হে গুৰু বাপু,
কাইলৈ আহিবা ঘূৰি ;
কৃষ্ণৰ হাতে ধৰি কৰা কাবৌ কৰি
মাতিছো চৰণত পৰি।"

আৰু লগে লগে—

"পাটীত বহি ৰুক্মিণীয়ে মাটিত মঙ্গল চায়
কেতিয়া আহিব কৃষ্ণ সোণৰ বংশী বাই।"



সেই দৰেই—

"পাটীত বহিয়ে উষা মূৰ্চ্ছা গ'লে
ঐ ৰাম, অনিৰুদ্ধক স্বপ্নত দেখি।"

সেই উষাই হ'ল—

"বাণ ৰজাৰ কীয়ৰী সৰ্ব্বাঙ্গ সুন্দৰী
বহিছে কেশ কৰা পাৰি,
ওচৰতে বহি অনিৰুদ্ধ কোঁৱৰে
আছে ধনু-শৰ ধৰি।"

গাঁঠিয়ন খুন্দা নামতো উজনি-নামনি ৰাজ্যৰ কথা সোমাইছে—

"উজনি ৰাজ্যৰে গন্ধে গাঁঠিয়ন
নামনি ৰাজ্যৰে পটা,
সাতো আয়তীয়ে গাঁঠিয়ন খুন্দিছে
কোনে কেনে কৰি বটা।"

তাহানিৰ ডা-ডাঙৰীয়াই নিজৰ নামেৰে আলি বন্ধাই, পুখুৰী খনাইছিল। পানী তুলিবলৈ যোৱা আইদেউহঁতৰ ভৰি বিষালত গাইছে—

"দুবৈকৈ পুখুৰী খনালা দেউতা
ঐ ৰাম, বন্ধালা সেন্দুৰী আলি।"

দৰা যাবলৈ ওলাল –

"হাতীকে সজালে হাতীশাল বৰুৱাই
ঘোঁৰাকে সজালে ঘাঁৰী।"

কলাপুলিৰ তলত জাউৰীয়ে জাউৰীয়ে উৰুলি কিৰীলি পাৰি দ'ৰাক আগ বঢ়াই পঠালে।

'ৰৰঘৰ গুৰনী গাভৰু ছোৱালী"জনী সজাওঁতে আইদেউহঁতে গাইছে—

"একাঠ তুলিতে আইদেউ বহিছে
মেলাইছে বায়েকে চুলি
গন্ধে গৰুপুৰত বগায় ৰংপুৰত
পেলায় গুৱাহাটীত কালি।"

ৰণত পাৰ্গতালি দেখুৱা ডেকাক ৰজাই পাগ-জামা বটা দি বিষয়া পাতিছিল। সেই কাৰণেহে আয়তীয়ে গাইছে—

"সোণৰ পাগে জামা শৰাইতে সোলোকাই
ঐ ৰাম, যজ্ঞৰ থানতে বহাঁ।"

বিয়ানামৰ দৰেই আমি ধাই নামতো বুৰঞ্জীৰ কণ-কঠিয়া পাওঁ। বৰবৰুৱা আছিল স্বৰ্গদেৱ সকলৰ ঘাই বিচাৰক। কোনোবা এজনে সুধিছে—

"অ' মালী, অ' মালী, বাপেৰ ক'লৈ গ'ল ?
ৰবৰুৱাই মাতি নিলে কাঁহ কোবাই গ'ল।"

হাবুঙ্গ বহুত পুৰণি ঠাই। হাবুঙ্গত চুকাফা ৰজাই পোনতে আহি কেইবছৰমান বাস কৰিছিল। ৰবৰুৱাই মাতি নি কি কি দিলে ?

"কাঁহ দিলে, পিতল দিলে আৰু দিলে জৰা,
তাৰ মাজত সোমাই গ'ল হাবুঙ্গীয়া ৰৰা।"

গৈ থৈ শেষত কি হল ?

"আচলৰ ডগ্‌মগ্ পদুমৰ চকা,
ওলাই চাই আহোঁগৈ গড়গঞা ডেকা।"

ফুলকোঁৱৰ-মণিকোঁৱৰৰ কথা যিমানেই পুৰণি নহওক, তাত নতুনৰ ৰহণ আছে, বুৰঞ্জীৰ আঁচোৰ আছে। ফুলকোঁৱৰৰ গীতত আছে—

"চৰায়ে খাবৰে ধান মোৰ ৰোপাই
উফৰি পৰিবৰ কণ
অতি চেনেহৰে ৰৰকলা নগৰত
গজিছে তুৰৰি বন।"

ৰৰকলা গড়গাওঁ নগৰৰ পূৱতে। স্বৰ্গদেৱ গদাধৰ সিংহই ইয়াত ৰাজধানী পাতে। তেনেকৈ ৰজাৰ নগৰৰ কথাও আছে—

"ৰজাৰে নগৰখন চাৰিকৈ চুকীয়া
হেজাৰী বৰুৱাই ৰখে
চৰাই-চিৰিকতি পশিব নোৱাৰে
কোঁৱৰনো কেনেকৈ পশে।"

গড় বান্ধি ৰজাই নগৰ পাতিছিল।

নগৰৰ চাৰিওমেৰে গড় মেৰাই নগৰ লোৱা প্ৰথম নগৰখন হল গড়গাওঁ—

"ৰঙাৰে নগৰে দেখি ডৰ লাগে
কেকোঁৰা কেকুঁৰি গড়,
হেজাৰী ৰকৱাৰ হাতে আগম নিগম্
কোনে পাব তাৰে থৰ।"

মণিকোঁৱৰৰ গীততো বুৰঞ্জীৰ গোন্ধ পাওঁ। স্বৰ্গদেৱ সকলৰ দিনত শেন মেলাই ৰং চাইছিল। মণিকোঁৱৰে—

"এবেলা দোলাত্তে এবেলা ঘোঁৰাতে
এবেলা শেনৰ ৰং চায়।"

সোণাৰৰ তামুলীৰ সহায়ত কাঁচনৰ বাপেকে মন্ত্ৰীক ক'লেগৈ—

"দেউতাৰ জীয়ৰী কাঁচন কুঁৱৰী
আমাৰ মণিধৰক লাগে।"

তাৰ পিচত—

"গায়নে-বায়নে সেন্দুৰী আলিয়ে
কেকোঁৰা দোলাতে উঠি,
হীৰা মুকুতাৰে মণিধৰ কোঁৱৰে
কাঁচনক আনিলে তুলি।"

মণিকোঁৱৰৰ গীতৰ এফাঁকি কথাই আমাক ইয়াৰ জনমৰ থল বিছাৰি তাহানিৰ উজনি ৰাজ্যলৈ লৈ যায়।

"আমগুৰি খাটৰে শুকান খৰিচা
বলমা বিলৰে মাছ ;
তুমি যে আছিছা সোণাৰৰ তামুলী
মণিধৰ কিমানৰ পাচ।"

বলমা বিল দিখৌ আৰু দিচাং মুখৰ মাজত। এতিয়াও এখন ওৱাদানিকৈ মাছ পোৱা ঠাই। আমগুৰিও উজনিৰে শিৱসাগৰ মহকুমাৰ পশ্চিমত। আমগুৰিৰ বিখ্যাত পেঙেৰা খাট ৰজা দিনীয়া খাট।

"বৰফুকনৰ গীত" মান অনা ঘিণাই বৰফুকনক লৈ ৰচিত হোৱা গীত। এই গীতত বদন বৰফুকন আৰু মানৰ আক্ৰমণৰ বুৰঞ্জী নিহিত হৈ আছে। বদন বৰফুকনক ধৰিবলৈ যোৱা শুনি তেওঁ ভটীয়াই গ'ল—

"এ দেউ ৰ'ল
চিৰি লুইতে ফুকনদেউ ভটীয়াই গ'ল।"

তাৰ পিচত—

"পৰ্ব্বতীয়া ফুকনে চেলেঙ্গী নাৱেৰে
দিলে পাচে পাচে খেদা।"

বদন গৈ মানদেশ পালেগৈ। মানৰজাৰ ঘাটত বদন চাপিল।

তাৰ পিচত—

"ওপৰে উৰিলে কৰচন কণুৰা
লৰি তুলিলে লাই,
অসমৰ জীয়াৰী মান ৰজাৰ কুঁৱৰী
গা ধুই আছিলে চাই।"

অসম উপচি মান আহিল। কথা শুনি বুঢ়াগোঁহাইৰ চিন্তা হল আৰু কলে—

"সকলো থিনি হ'ল,
চাৰে দিয়া গাধীৰত মোলান পৰিলে
সোন্দাকল নৰহি গ'ল।"

তাৰ পিচত—

"কালহ ৰা চেলেকি বুঢ়াগোহাই নৰকী
ৰাতিয়েই সৰকি গ'ল।"

পূৰ্ণানন্দ বুঢ়াগোঁহাই মৰিল। বদন মন্ত্ৰী-ফুকন হল। ৰাজমাৱে বদনৰ প্ৰতাপ তাপহিব নোৱাৰিলে। ৰূপসিং বঙালক মাতি আনি বদন বধৰ ইঙ্গিত দিলে। ৰূপসিঙে—

"কাউৰীয়ে কৰিবৰ কা,
ৰাম-কৃষ্ণ বোলোঁতে মুখত পানী ঢালোতে
ৰূপসিঙে মাৰিলে দা।"

বৰফুকনৰ গীতৰ পৰাই আমি সেই সময়ৰ ৰাজনৈতিক পৰিবেশৰ বিষয়ে জানিব পাৰোঁ।



জনা গাভৰুৰ গীততো আমি বুৰঞ্জীৰ বৰঘৰত সোমাই থকা ভালেমান কথাৰ সম্ভেদ পাওঁ। আন কথা এৰিও আমি সেই যুগৰ সাজ-পাৰৰ বিষয়ে ইঙ্গিত পাওঁ :—

"জোকাৰি পিন্ধিলে গোমচেঙৰ চোলাটি
মাজত বাথৰামি কৰা,
কঁকালত মাৰিলে জৰদৰ টঙালি
দেখিলে জিলমিল কৰা।
থুৰিয়াই পিন্ধিলে ধল পাতৰ চুৰিয়া
মূৰত দাউকীয়া পাগ,
পিন্ধি-উৰি খেলাই গোপীচন ওলালে
যেন পূৰ্ণিমাৰ চাঁদ।"

আহোম ৰাজত্বৰ শেহৰপিনে নামনি অসমত হৰদত্ত আৰু বীৰদত্ত প্ৰখ্যাত হৈ উঠে। তেওঁবিলাকৰ বিষয়েও কেইফাকিমান বুৰঞ্জীমূলক গীত শুনিবলৈ পোৱা যায়।

"হৰদত্ত জীয়াৰী পদ্ম কুমাৰী
দনৰাত নেখালে ভাত,
কুমেদান বঙালে হাতত ধৰি নিলে
পদ্ম বিচাৰি গাত।"

হৰদত্তৰ একেজনী জীয়েক পদ্মকুমাৰী বা পদুমকুমাৰী। তেওঁক কুমেদান বঙালে ধৰি নিছিল।

গৌৰীনাথ সিংহ স্বৰ্গদেৱৰ দিনত নগাঁৱত বাখৰ বৰা বুলি এজন বিখ্যাত মানুহ আছিল। তেওঁৰ বিষয়েও ডাঃ সূৰ্য্যকুমাৰ ভূঞাই তেখেতৰ "বৰফুকনৰ গীত"ত এফাকি গীতৰ উদ্ধৃতি দিছে—

"আঠীয়া কলৰে পাত সৰু সৰু
জাতি কলৰে পাত,
গা ধুই উঠি মোৰ বাখৰৰ তেমেকাই
খাবলৈ নেপালে ভাত।"
"লুইতৰ বাঙলী গৰা,
ভৰলু (ভৰলী) মুখতে ঘৰ-বাৰী সাজিছে
পালেহি বাখৰৰ বৰা।"

"নাহৰৰ গীত" বুলিও কেইফাকিমান গীত অপ্ৰকাশিত ভাবে সিচৰতি হৈ পৰি আছে। এই নাহৰ মোৱামৰীয়া বিদ্ৰোহৰ নেতা নহয়। এওঁ খোৰা ৰজাৰ কুঁৱৰীৰ তোলনীয়া ল'ৰা। চুখাম্‌ফা বা খোৰাৰজাৰ হুগৰাকী সোণাৰী কুঁৱৰী আছিল। তেওঁ লোকেই নাহৰক তুলি লৈছিল। ৰাণীৰ লাই পাই পিচলৈ নাহৰ অতি উদ্ধত হৈ উঠিছিল। উত্তৰ পাৰত থকা ভূঞাবোৰক দমন কৰিবলৈ নাহৰক পঠায়।

"কি মাছ মাৰিবৰ হ'ল,
লুইতে ভটিয়াই নাহৰ চেনামুৱা
ভূঞা মাৰিবলৈ প'ল।"

ভূঞা দমন কৰি—

"দীঘলকৈ পুখুৰী খনালে নাহৰে
বন্ধালে সেন্দুৰী আলি।"

নাহৰৰ উদ্ধতালি সহ্য কৰিব নোৱাৰি তাক দিহিঙৰ কাষত বৰদৈয়া চাঙৰ * মুখত কাটে।

"উলিকৈ তামোলৰ পুলি,
বৰদৈয়া মুখতে নাহৰক কাটিলে
ওলোমাই পেলালে চুলি।"

নাহৰৰ নিজা মাকো আছিল।

"আইনো আই বুলি নাহৰে মাতিলে
মাকৰ মুখলৈ চাই ;
মাকে বুলিলে নাহৰ চেনামুৱা
চকতো পইতা নাই।"

নাহৰক বধ কৰিব খোজা গম পাই নাহৰে হয়তো পলাই ফুৰিছিল।

"নাহৰ চেনামুৱা ওলাই ৰাতিপুৱা
ছকুৰি কুকুৰাৰ ভাৰ ;
দিহিঙ নৈৰে পানী কৰে তলে বলে
ঘাটটিয়ে নকৰে পাৰ।" ইত্যাদি।

* শিৱসাগৰ মহকুমাৰ দক্ষিণ পূৱত থকা এখন নগা-চাং।

জয়মতী কুঁৱৰীৰ বিষয়ে পোৱা মালিতা কেই ফাকিৰপৰাও আমি বুৰঞ্জীৰ কথা পাওঁ।

"মাছুৰি চংৰত ডাঙৰ হৈ আছিলোঁ।
বৰগোহাঁইৰ আছিলোঁ জী,
গদাপানী কোঁৱৰে নিলে ভুংখুঙৰৈ
চকলং বিয়াকৈ দি।"

সেইদৰে আমি আন এফাকিৰপৰা জয়মতীক শাস্তি দিয়া কথাও জানিব পাৰোঁ।

"হাবিতে কান্দিলে ইয়কনী চৰায়ে
চিটিকাৰ মুখলৈ চাই ;
জেৰেঙা পথাৰত কান্দে জয়মতী
চাওডাঙৰ মুখলৈ চাই।"

গৌৰীনাথ সিংহৰ বিষয়েও এফাকি গীত শুনিবলৈ পোৱা যায়।

"চাৰ মাৰি ধৰিলে
জাপ মাৰি উঠিলে
চাবুকৰ মাৰিলে চাট,
গড় ডেলে ওঠৰ হাত।"

ৰজাই নগৰৰপৰা ৰাতি বাহিৰলৈ ওলাই যায়। ক'লৈ ? সুন্দৰ হাবিৰ ঘৰলৈ।

"বগৰিত বান্ধিলে ঘোঁৰা,
ছুৰাৰত টোকৰ মাৰি
সোমাল স্বৰ্গদেৱ
সুন্দৰৰ চোতালৰ পৰা।
তিনডাল হৈকৰাৰ লগালে বাতি,
বিশ্বনাথে কৰিলে শোৱা চাৰি-পাটি।
ডোপৰ ডোপৰ বেঙেনাৰ
ডোখৰ ডোখৰ বেটু ;
দধি-দুগ্ধ এৰি থৈ
স্বৰ্গদেৱে খালে
পুঠী মাছৰ পেটু।"

এইজনা স্বৰ্গদেৱৰ বিষয়ে আৰু এফাকি কথা শুনিবলৈ পোৱা যায়।

"লাওপাত কাটিলোঁ কচুপাত কাটিলোঁ
লতাপাত কাটোগৈ ব'ল ;
ভৰাৰতীৰ গিৰিয়েক সুন্দৰ হাবিৰ জোঁৱায়েক
ধোন্দৰ তলে সৰকি গ'ল।"

আজান ফকীৰৰ জিকিৰ সমূহতো বুৰঞ্জীৰ সাঁচ পৰিছে। গদাধৰ সিংহৰ দিনত আজান ফকীৰ অসমলৈ আহে। ৰূপাই দাধৰা নামে আজানৰ জ্ঞাতি এটাই আজানৰ ওপৰত চোৰাংচোৱাৰ অভিযোগ তোলে।

"গৰীয়াই গৰীয়াই কিনো দন্দ লগাইছে
ৰূপাই দাধৰা ৰজাত।"

আজানৰ চকু কঢ়া হ'ল ; কিন্তু পিচত ৰজাই মাটি ভেটি দি পাতিলে।

"হৰাগুৰি চাপৰি দিখৌ নৈ কাষৰি
বগাই সজাই দিলে মঠ ;
ছকুৰি ভকতে লয় আল্লাৰ নাম
মাতৰী বনৰে কঠ।"

"মণিৰাম দেৱানৰ গীত"তো আমি অতীতৰ কথা, বুৰঞ্জীৰ বাণী শুনিবলৈ পাওঁ।

"ৰজা পাতিবলৈ ওলালি মণিৰাম
বহৰাই মাৰিলে হাঁচি,
লৰাকৈ তিৰোতা আপানিত পেলালি
ললি যোৰহাটত ফাঁচি।"

মণিৰাম দেৱানে ৰজা হবলৈ ইচ্ছা কৰিছিল।

"সোণৰ খোৰঁখোৱাত খালি ঐ মণিৰাম
ৰূপৰ ধোঁৱাখোৱাত খালি ;
ৰজা হ'বলৈ ওলালি মণিৰাম
ডিঙিত চিপেৰজী ললি।"

মানৰ হাতৰপৰা অসম দেশখন লৈ পুৰন্দৰ সিংহক লাটবন্দীকৈ দিয়ে। থাজানা তুলি ৰজাৰ হৈ মণিৰাম দেৱান, লঠৌ খাৰঘৰীয়া ফুকন আৰু কাশীনাথ তামুলি ফুকনে লাটবন্দী শোধাবলৈ যায়।

"ভৰঁৰা নাও লৈ লাটবন্দী দিবলৈ
মণিৰাম ভটীয়াই গ'ল ;
পাচতে থাকিলে পিয়লি বৰুৱা
ছকুৰি পাইকৰ খেল।"

'চিপাহী বিদ্ৰোহ'ত যোগ থকা বুলি মণিৰামৰ ফাঁচি হ'ল।



"আগনিশা কান্দিলে ঘুঘুঁৰী কপৌ
পাচনিশা কান্দিলে ফেঁচা,
মণিৰাম দেৱানক যোৰহাটত মাৰিলে
ৰংপুৰ জিলা হ'ল চেঁচা।"

মণিৰামৰ লগতে পিয়লি বৰুৱা বা মহেশচন্দ্ৰ গাভৰুমেলীয়া বৰুৱাৰো ফাঁচি হয়। ৰাইজৰ মানত পিয়লি বৰুৱা নিৰ্দ্দোষী।

"মণিৰামক মাৰিলি ভালকে কৰিলি
পিয়লিক মাৰিলি কিয়,
এইনো কথা শুনি ৰংপুৰ-আমোলাৰ
আকাশে উৰি গ'ল জীৱ।"

হৰনাথ পৰ্ব্বতীয়া বৰুৱাই মণিৰামক ধৰা পেলাই দিয়ে—

"লথোৱে লথালে পুৰন্দৰে পুৰিলে
হৰনাথে মাৰিলে কণ,
অতকে ধনেকৈ নাটিলে মণিৰাম
ভাটীলৈ মেলিলি মন।"

চিকণ-সৰিয়হ জয়ধ্বজ সিংহৰ জেঠেৰীয়েক। চক্ৰধ্বজ সিংহই ৰাজদ্ৰোহ অপৰাধত পেলাই বাঘচোৰ হাফলু হাটত মাৰিলে। এই চিকণ-সৰিয়হৰ সাতোটা ককাই-ভাই। এওঁবিলাকৰ বিষয়েও কেইফাকিমান গীত শুনা যায় :—

"নগাওঁ থৰভী, কলিয়াবৰ মৰঙী
সাতৰাজ মাৰিলো ভাই ;
চিকন সৰিয়হৰ মান
দুনীয়া নাই।"

ঢোল, মৃদং, খোল আৰু তালৰ মালিতাতো বুৰঞ্জীৰ ধ্বনিয়ে ৰৰধেমালি সৰুধেমালি গাব লাগিছে। ৰাজ বুলনিৰ মেলত, ৰজাৰ আগে-পিচে গায়নে-বায়নে গাই যায়—

"নানা বাদ্যৰ বাজন কৰে ৰজাৰ সভাত,
খোল, মৃদং, কৰতাল বাদ্য অসংখ্যাত ॥
সোধন ঢুলীয়া গাই ৰজাৰ সভাত।
ঢোলৰ মালিতা গায় ৰজাৰ আগত ॥
ৰাজ বুলনি ছেও মাৰি ৰজাক নমাই।
তাৰ বাজে নানা বাদ্য লেখ-জোখ নাই ॥"

ঢোলৰ মালিতাৰ এঠাইত আছে—

"স্বৰ্গৰপৰা নামি চুকাফা স্বৰ্গদেৱ।
কৰিলা ৰাজত্ব যাৰ সম নাহি কেৱ ॥
সেই হেতু অসম ৰজা নাম ভৈলা খ্যাত।
প্ৰথমতে আসি ভৈলা চুকাফা মহাৰাজ ॥
ৰজাৰ বুলনি কৈলোঁ বুৰঞ্জীক চায়।
ইন্দ্ৰবংশী স্বৰ্গৰজা ৰাজভোগ খায় ॥
ৰজাৰ বুৰঞ্জী যিটো শুনে এক মন।
তেৱেঁক সম্পত্তি বৃদ্ধি শত্ৰুৰ দমন ॥"

পাহৰণিৰ বুকুত লয় পাবলৈ ওলোৱা আৰু ভালেমান গীত আছে। মানুহ স্বভাৱতে সঙ্গীত প্ৰিয়। অন্তৰৰ ভাবাবেগবোৰ উজাৰি দিওঁতে ৰাজ্যৰ, সমাজৰ আৰু সমাজৰ প্ৰতিভাশালী ডা-ডাঙৰীয়াসকলৰ কথা সহজতে সোমাই পৰে ; সেয়েহে আমি যুগে যুগে যুগৰ বাৰতা পাওঁ। গীতি সাহিত্যই আমাক বুৰঞ্জীৰ সাক্ষ্য দিয়ে ; লগে লগে সুৰ, লয় আৰু মূৰ্চ্ছনাৰো সমল যোগায়।

# বৃন্দাবনী-বস্ত্ৰ

শ্ৰীঅৰ্জ্জুন চন্দ্ৰ দাস।

অসম এখন শিল্পীৰ ৰাজ্য। ইয়াৰ পৰ্ব্বত-ভৈয়াম সকলো ঠাইতে শিল্প-কলাৰ চৰ্চ্চা আছে। এই ৰাজ্যৰ বয়ন শিল্প প্ৰিয়তা আৰু নিপুণতাৰ চিন ঘৰে ঘৰে বিদ্যমান। আজিৰ যান্ত্ৰিক যুগতো সভ্য সমাজত অসমৰ বয়ন শিল্পৰ যথেষ্ট সমাদৰ আছে।

বৰপেটা বয়ন-শিল্পৰ নিমিত্তে প্ৰখ্যাত। ইয়াৰ শিপিনীয়ে তৈয়াৰ কৰা কপাহী, এৰী, মুগা আৰু পাটৰ কাৰুকাৰ্য্যপূৰ্ণ কাপোৰ ভাৰতৰ বিভিন্ন ঠাইলৈ ৰপ্তানি হয়। এই শিপিনী সকলে তাঁত-শিল্পক জীয়াই ৰখাত আৰু উন্নত ৰূপ দিয়াত যথেষ্ট সহায় কৰিছে। বৰপেটাত তাঁত-শাল নথকা ঘৰ নাই বুলিবই পাৰি। বিখ্যাত তাঁতী সকলৰ বাসস্থান বুলি বৰপেটাৰ পুৰণি নাম তান্তীকুচি বা তাঁতীকুচি।

পুৰণি কালত তাঁতীকুচি বয়ন শিল্পৰ প্ৰধান কেন্দ্ৰ আছিল। তাঁত-শিল্পই তাঁতী সকলৰ জীৱিকা নিৰ্ব্বাহৰ মাই উপায় আছিল। তাঁতীকুচিকে কেন্দ্ৰ কৰি ইয়াৰ আশে-পাশে থকা সুন্দৰীদিয়া, ডউৰকুচি, দেউৰীকুচি, সনকুচি, জতি (জয়ন্তী) মেট্ৰাকুচি, ভেৰা. গজিয়া, কলবাৰীকুচি, গণককুচি, কুমাৰকুচি, পাটবাউসী, বাৰাদি, কেওটকুচি, প্ৰভৃতি পুৰণি গাওঁবোৰতো উন্নত ধৰণৰ বয়ন শিল্পই গা কৰি উঠিছিল। তাৰ লোক সকলে ব্যৱহাৰিক জীৱনৰ উপযোগী সকলো প্ৰকাৰৰ কাপোৰ-কানি তৈয়াৰ কৰাত সিদ্ধহস্ত আছিল। তেওঁলোকে আঁচুকাঠ, মেক্কাঠি, বাঁচ্-পাত আদিৰে ঘৰতে বং তৈয়াৰ কৰি সূতা বোলাই লৈছিল। সেই সময়ত যাতায়াতৰ সুচল নথকা বাবে তেওঁলোকে নিজৰ নিজৰ বাৰীত কপাহ, সুনি, (মিচ্ কুৰি) চোম আৰু এৰা গছ কইছিল আৰু তাৰ দ্বাৰা কপাহী, পাট, মুগা আৰু এৰী কাপোৰ বৈ লৈছিল। আজি বৰপেটা সত্ৰৰ কীৰ্ত্তন ঘৰ থকা ঠাইখিনি সত্ৰ স্থাপনৰ পূৰ্ব্বতে এখন চোমনি বাৰীহে আছিল। চোম গছত মুগা মেলাৰ কথা অসমীয়া বাইজক কোৱাৰ সকাম নাই।

তাঁতীকুচিৰ তাঁতীসকল এনে অদ্ভুত ধৰণৰ বয়ন-শিল্পী আছিল যে তেওঁলোকে কোনো আখ্যান বা দৃশ্যৰ বৰ্ণনা শুনিয়েই কাপোৰত তাৰ ফুল তুলি দিব পাৰিছিল। ইয়াত তৈয়াৰ হোৱা তেনেকুৱা বিশেষ ধৰণৰ কাপোৰ এখনৰ কথা এই প্ৰৱন্ধত কোৱা হব। আজিৰ বিজ্ঞানৰ চৰম উন্নতিৰ যুগতো তেনে কাপোৰ কোনো সভ্য দেশে তৈয়াৰ কৰিব পৰা নাই। সেই কাপোৰখনৰ নাম আছিল— "বৃন্দাবনী-বস্ত্ৰ।" ভগবান শ্ৰীকৃষ্ণৰ বৃন্দাবনৰ লীলা-খেলাৰ মনোৰম বিবিধ দৃশ্যাৱলীৰে কাপোৰখন পৰিশোভিত আছিল বাবে সেই নাম থোৱা হৈছিল।

বৃন্দাবনী-বস্ত্ৰৰ এটি বুৰঞ্জীমূলক কাহিনী আছে। সি আজি প্ৰায় ৪০০ বছৰৰ আগৰ কথা। তেতিয়া মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ পাটবাউসী সত্ৰত আছিল। তেৰাৰ প্ৰৱৰ্ত্তিত 'একশৰণ হৰিনাম ধৰ্ম্ম'ৰ প্ৰচাৰ কাৰ্য্যই এক শ্ৰেণী ব্ৰাহ্মণৰ অসন্তুষ্টিৰ কাৰণ হৈ পৰিছিল। সেইবাবে শিলাগাৰঁৰ কেইজনমান ব্ৰাহ্মণে



তেৰাৰ বিৰুদ্ধে অসমৰ বিক্ৰমাদিত্য মহাৰাজ নৰনাৰায়ণৰ ওচৰত গোচৰ দিছিল। যথাসময়ত বিচাৰ হ'লত ব্ৰাহ্মণসকলৰ কথা ভিত্তিহীন বুলি প্ৰমাণিত হ'ল। এই বিচাৰ কাৰ্য্য চলি থাকোতে এদিনাখন কথা প্ৰসঙ্গত ভাগৱত শাস্ত্ৰৰ কথা ওলাল। ভাগৱতৰ মূল কথাখিনি অলপ সময়ৰ ভিতৰতে শুনিব পৰাকৈ কোনে চমুকৈ ৰচনা কৰিবলৈ সক্ষম ৰজাই তাৰো বুজ ললে। কিন্তু ৰাজ-সভাত থকা শাস্ত্ৰজ্ঞ পণ্ডিতসকলৰ কোনো জনেই তালৈ আগ নাবাঢ়িল। অৱশেষত শ্ৰীমন্ত শঙ্কৰদেৱৰ মতামত বিচৰাত তেৰাই চেষ্টা কৰি চোৱা যাব বুলি কৈ এনিশাৰ ভিতৰতে ভাগৱতৰ ক্ষুদ্ৰ সংস্কৰণ স্বৰূপ 'গুণমালা' পুথি ৰচনা কৰিলে যথা সময়ত ইয়াৰ মনোগ্ৰাহী ব্যাখ্যা তেৰাৰ শ্ৰীমুখৰপৰা শুনিবলৈ পাই ৰজা বিমুগ্ধ হল। বিশেষকৈ শ্ৰীকৃষ্ণ চৰিত্ৰই ভাগৱতৰ প্ৰাণ-বস্তু আৰু বৃন্দাবনৰ ঘটনাৱলীয়েই শ্ৰীকৃষ্ণৰ অপাৰ্থিৱ লীলা বুলি তেওঁৰ প্ৰতীয়মান হ'ল। তেওঁ বৃন্দাবনৰ অন্তৰস্পৰ্শী মধুৰ লীলা সমূহৰ সমুজ্জল চিত্ৰ এখনি পাবলৈ প্ৰবল হাবিয়াহ জন্মিল। তেওঁৰ এই মনোবাঞ্ছা পূৰণৰ অৰ্থে দিহা কৰিব পাৰিবনে বুলি পণ্ডিত ব্ৰাহ্মণসকলক সোধাত, তেওঁলোকে কোনো দিনেই বৃন্দাবনলৈ যোৱা নাই বুলি কলে আৰু চিত্ৰ-বিদ্যাতো তেনেই অপৈণত বুলি স্বীকাৰ কৰিলে। তেতিয়া শ্ৰীশঙ্কৰদেৱক বৃন্দাবনৰ পৰিচয় সম্বন্ধে কবলৈ ক'লত তেৰাই প্ৰথমবাৰ ভাৰত ভ্ৰমণৰ সময়ত এবেলি তাত ১২ মাহ আৰু আন বেলি ১২ দিন একেৰাহে থকা বুলি ক'লে। ৰজাই তেৰাক চিত্ৰ-শিল্পী বুলি আগতে গম পাইছিল,—তাতে আকৌ এই কথা জানিব পাৰি চিত্ৰ অঙ্কনৰ বাবে আঁকোৰোজাকৈ ধৰিলে। ৰজাৰ অনুৰোধ এৰাব নোৱাৰি গুৰুজনে সম্মতি জনাবলৈ বাধ্য হ'ল আৰু চন্দন চ'ৰাৰ পিৰালিখনেই তাৰ বাবে উপযুক্ত ঠাই হব বুলি ক'লে। গুৰুজনৰ নিৰ্দ্দেশমতে ৰজাই চন্দন চ'ৰাৰ পিৰালিখন পঞ্চগব্যেৰে মচাই শুচি 'কৰি দিয়ালে। তাৰ পাচত পৰিমিত জোখৰ চূণ আৰু ভিন ভিন বৰণৰ বাব বিধ ৰঙৰ গুড়িও দি দিলে।

গুৰুজনে চন্দন-চ'ৰাৰ পিৰালিখন পোনতে চূণেৰে বোলাই লৈ তাৰ ওপৰত বৃন্দাবনৰ দৃশ্যাৱলী অঙ্কনত মনোনিবেশ কৰিলে। বৃন্দাবনখনক মধুবন, কাম্যবন, বৃন্দাবন, মহাবন তালবন, কুমুদবন, খদিৰবন, ভদ্ৰবন, শ্ৰীবন, বাহুলাবন, ভাণ্ডিৰবন আৰু লৌহবন নামৰ বাৰবনত বিভক্ত কৰি প্ৰত্যেক ভাগৰে ভিনে ভিনে ৰূপদান কৰিলে। চাওঁতে চাওঁতে সুনিপুণ শিল্পীৰ অমৰ তুলিকাত বৃন্দাবনৰ মনোৰম দৃশ্যৰাজি জীৱন্ত হৈ উঠিল। ইফালে চিত্ৰাঙ্কনৰ সামৰণিলৈ লোলুপ দৃষ্টিৰে বাট চাই থকা ৰজাই এই বাতৰি পোৱা মাত্ৰকে তুৰন্তে গৈ অপূৰ্ব্ব চিত্ৰ দৰ্শন কৰি মোহিত হ'ল। তেওঁৰ মানত সি বাস্তৱ বৃন্দাবন যেন বোধ হ'ল। কিন্তু পিচ মুহূৰ্ত্ততেই আকৌ এই ৰঙীণ চিত্ৰসমূহ দুদিনৰ পাচতেই নিচিহ্ন হৈ যোৱাৰ আশঙ্কায়ো মনত ভুমুকি মাৰিলে। সেইবাবেই শ্ৰীকৃষ্ণৰ প্ৰিয়ধাম বৃন্দাবনৰ চিত্তাকৰ্ষক পৱিত্ৰ দৃশ্য সদায় দৰ্শন কৰি থাকিব পৰাৰ দিহা কৰিবলৈ পুণৰ গুৰুজনত অনুৰোধ জনালে আৰু কোনো উপায়েৰে কাপোৰত ইয়াৰ ফুল তুলি দিব পাৰিবনে বুলি সুধিলে। তেৰাই ভাবি চিন্তি চাই তাঁতীকুচিৰ তাঁতীসকলৰ লগত আলোচনা কৰিহে তেওঁলোকৰ দ্বাৰা তৈয়াৰ কৰাই দিব পাৰিব বুলি ক'লে। লগতে পৰিমিত জোখাৰে সূতা আৰু ৰঙৰ গুড়ি দিবলৈকো এটি আনুমানিক হিচাপ দাঙি ধৰিলে।

চিত্ৰ-বিদ্যা বিশাৰদ গুৰুজনৰ যোগ্যতাৰ সমাদৰ জনাবলৈ মন কৰি এদিনাখন নৰ-নাৰায়ণ ৰজাই তেৰাক ৰাজ কাৰেঙলৈ আহ্বান জনালে। তেৰাই গৈ মতাৰ কাৰণ সুধিলত ৰজাই তেৰাৰ চিত্ৰ-কলাৰ অনুপম বিচক্ষণতাৰ আৰু ক্ষিপ্ৰতাৰ শলাগ ললে। লগতে তেৰাই পূৰ্ব্বে শিৰোমণি ভূঞাৰ বিষয় বাব সুখ্যাতিৰে পৰিচালনা কৰাৰ কথাও উলিয়ালে। গুৰুজনে নীৰৱে সকলো কথা শুনি থাকিল। এই ছেগতে ৰজাই আচম্বিতে তেৰাৰ ওপৰত নিজ ৰাজ্যৰ অন্তৰ্ভুক্ত বাউসী পৰগণাৰ 'গোমস্তা' পদ অৰ্পণ কৰা হ'ল বুলিও জনালে। গুৰুজনে মাত মাতিবৰে সুযোগকে নাপালে। ধৰ্ম্ম-নীতিৰ লগত খাপ নোখোৱা ৰাজনীতিক সামৰি লবলৈ তেৰাৰ সমূলি ইচ্ছা নাথাকিলেও ৰাজ-আজ্ঞা বুলি সন্মতি জনাব লগীয়াত পৰিল।

এইদৰে কেইদিনমান যোৱাৰ পাচত বস্ত্ৰ নিৰ্ম্মাণৰ ঘাই আহিলা-পাতি যোগাৰ হৈ উঠিল। ৰজাই সেইবোৰ শ্ৰীমন্ত শঙ্কৰ-দেৱক শোধাই দি নাৰেৰে ( কোনো কোনোৰ মতে ভাৰীৰ কান্ধত ভাৰ বন্ধাই দি ) পাটবাউসীলৈ পঠিয়াই দিলে। গুৰুজনে পাটবাউসী সত্ৰ পাই গণককুচিৰ পৰা মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱক মতাই নি বস্ত্ৰ-নিৰ্ম্মাণৰ সকলো কথা বিবৰি কলে।

এদিনাখন দুজনা গুৰুৱে তাঁতীকুচিলৈ আহি মুখ্য তাঁতী গোপালৰ * আগত বস্ত্ৰ-নিৰ্ম্মাণৰ অৰ্থে দিয়া ৰাজ আদেশৰ কথা আদ্যোপান্ত বৰ্ণনা কৰিলে। গোপালে এই কামত যথাশক্তি আত্ম-নিয়োগ কৰিব বুলি হৰিষ মনেৰে প্ৰতিশ্ৰুতি দি, সহকৰ্ম্মী সকলৰো সহযোগ পোৱা যাব বুলি আশ্বাস দিলে।

যেনে কথা তেনে কাম। গোপালে সহকৰ্ম্মী সকলেৰে সৈতে পূৰ্ণ উদ্যমেৰে বস্ত্ৰ নিৰ্ম্মাণৰ অৰ্থে সাজু হবলৈ ধৰিলে। অভূতপূৰ্ব্ব কাপোৰ নিৰ্ম্মাণ কৰিব লগীয়া হোৱা বাবে নতুন ধৰণৰ দীঘল-ডাঙৰ-বাঁচ, দোৰ্পতি, চালি-মাৰি, তাঁত খুটা, তাঁত-খুটি, তাঁতী-পুতল, ছিৰী আদি তাঁত বোৱা যতনবোৰ যোগাৰ কৰি লওঁতে কেইদিনমান গ'ল। তাৰ পাচত এদিনাখন শুভক্ষণত দুজনা গুৰুৰ উপস্থিতিত আৰু তাঁতীসকলৰ সহযোগত গোপালৰ দ্বাৰা তাঁত বাটি কৰা কাম আৰম্ভ হ'ল। শ্ৰীশঙ্কৰদেৱৰ নিৰ্দ্দেশ মতে কাপোৰৰ দীঘ ১২০ হাত আৰু পুতল ৬০ হাত ( কোনো কোনোৰ মতে ৩৫ হাত ) দিয়া হ'ল। এনে সুবৃহৎ ধৰণৰ বস্ত্ৰ নিৰ্ম্মাণৰ আৰম্ভণী কাম দেখি সকলোৱে বিস্ময় মানিলে। ক্ৰমান্বয়ে বিঙ্কোৱা, চালোৱা মোৰ-বছা আৰু ব' তোলা কাম শেষ হ'ল। তাঁতীসকল কাৰখানাত বহিল। তেওঁলোকে বিধে বিধে কামত লাগি গ'ল। শ্ৰীমন্ত শঙ্কৰদেৱে নিতৌ পাটবাউসীৰপৰা বৰ-পেটালৈ আহি বস্ত্ৰ-নিৰ্ম্মাণ কাৰ্য্যত সকলো প্ৰকাৰে তত্ত্বাৱধান লবলৈ ধৰিলে। কাপোৰখনৰ কোনখিনিত কি সূতাৰে কেনেকৈ কি কি তুলিব লাগিব তাক গুৰুজনে বিশদ ভাবে বুজোৱা কামত একাগ্ৰতীয়াকৈ লাগিল। পাৰদৰ্শী তাঁতীসকলেও চানেকী চাই তোলাৰ দৰে মৌখিক বৰ্ণিত ৰূপৰ কোনো ব্যতিক্ৰম নকৰাকৈ হুবহু তাকেই

* গোপাল তাঁতীকুচিৰ মুখ্য তাঁতী আছিল। এওঁ ছকুৰি তাঁতীৰ নেতৃত্ব গ্ৰহণ কৰি তেওঁলোকক পৰিচালনা কৰিছিল। বয়ন-শিল্পত এওঁৰ অসাধাৰণ দক্ষতা আছিল। এৱেঁই পৰৱৰ্ত্তী কালত মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ শিষ্যত্ব গ্ৰহণ কৰি শ্ৰীশ্ৰীমথুৰা দাস বুঢ়া আতা নামে অভিহিত হয়। এওঁ বৰপেটা সত্ৰৰ আদি সত্ৰাধিকাৰ।— লেখক



কাপোৰত তুলি যাবলৈ ধৰিলে। কোনো কোনোৱে কয় যে বৃন্দাবনী-বস্ত্ৰত তুলিব লগা দৃশ্যাৱলীৰ চানেকী গুৰুজনে সাঁচিপাত কি তুলাপাতত আগধৰি আঁকি দিছিল। সি যি হক, তাঁতীসকলে অবিশ্ৰাম ভাবে খাটিলেও নিতৌ মাথোন এবেগেতকৈহে কাপোৰ উলিয়াব পাৰিছিল।

শ্ৰীমন্ত শঙ্কৰদেৱে পাটবাউসীত থাকি ধৰ্ম্ম-চৰ্চ্চা, পুথি ৰচনা আদি কামত আবদ্ধ থাকিলেও গোমস্তাৰ দায়িত্বপূৰ্ণ কামতো চকু দিব লগীয়া হৈছিল। এই অৰ্থে তেৰাই মাজে সময়ে চাপৰালৈ * গৈছিল। তেৰাৰ সেইদিনাৰ অনুপস্থিতিৰ বাবে কাপোৰ বোৱা কাম বন্ধ থাকিলেও তাঁতীসকলে কিন্তু সম্পূৰ্ণ জিৰণি নাপাইছিল! তেওঁলোকে সেই সময়ত সূতাত মাৰ দিয়া, সূতা বোলোৱা, মছুৰা তৈয়াৰ কৰা আদি আনুষঙ্গিক কামবোৰ কৰিছিল। ইয়াতে কৈ থলে অপ্ৰাসঙ্গিক নহব যে নৰনাৰায়ণ ৰজাৰ গড়মলি বা দূতে কোনো দিন হঠাতে একোবাৰ আহি বস্ত্ৰ-নিৰ্ম্মাণ কামৰ আলেখ লেখ চাই গৈছিল। কিন্তু অবিচলিত নিষ্ঠাৰে কাম কৰি থকা আত্ম-বিশ্বাসী তাঁতীসকলে তালৈ কেৰেপ নকৰিছিল। এনেকৈয়ে কিছুদিন গ'ল। এদিনাখন গুৰুজনে শাৰীৰিক অসুস্থতা হেতু কাৰখানাত উপস্থিত থাকিব পৰা নাছিল। সিদিনাখন শ্ৰীশ্ৰীমাধৱদেৱে তেৰাৰ প্ৰতিনিধিত্ব কৰিব লগা হৈছিল। অ চৰিত কথা যে আনদিনাতকৈ সিদিনা এবেগেত কাপোৰ অধিককৈ বোৱা হৈছিল। এই কথাৰ ভু পাই গুৰুজনে তেৰাৰ নথৈ শলাগ লৈছিল।

দুজনা গুৰুৰ বিশেষ তত্ত্বাৱধান, গোপালৰ সুপৰিচালনা আৰু তাঁতীসকলৰ অপূৰ্ব্ব ত্যাগপূৰ্ণ আন্তৰিক খাটনিৰ ফলত কেইমাহমানৰ মূৰত বৃন্দাবনী-বস্ত্ৰৰ বয়ন কাৰ্য্যৰ সামৰণি পৰিল। এই কামৰ পাৰিশ্ৰমিক স্বৰূপে তাঁতীসকলে কাৰোপৰা একোকেই গ্ৰহণ নকৰিলে। যি হক গুৰুজনে গোটেইখন কাপোৰ গাৰিৰ ( টোলোঠাৰ ) পৰা উলিয়াই খুটি পুতি মেলি দি ৰাইজক চাবলৈ দিলে। লগতে দৃশ্যাৱলীৰ মাজত লুকাই থকা আখ্যান ভাগ এমূৰৰপৰা বুজাই গ'ল। ৰাইজে তাক হেপাহ পলুৱাই চাই নয়ন সাৰ্থক কৰিলে। ইয়াৰ পাচত বৃন্দাবনী-বস্ত্ৰখনি হৰিধ্বনি কৰি অনেক লোকে সাঙী কৰি পাটবাউসী সত্ৰলৈ লৈ গ'ল। ঠাইৰ নাটনি বাবে গোটেইখন কাপোৰ একেলগে নেমেলি খণ্ড খণ্ডকৈ ৰাইজক দেখুৱালে আৰু লগতে দৃশ্য সমূহো বুজাই গল। পৰৱৰ্ত্তী কালত এই বস্ত্ৰৰ পৰিমাণ অনুসৰি বৰপেটা সত্ৰৰ কীৰ্ত্তন ঘৰ নিৰ্ম্মিত হৈ উঠে।

এদিনাখন শ্ৰীমন্ত শঙ্কৰদেৱে বস্ত্ৰখনি সুন্দৰকৈ জাপি নৰনাৰায়ণ ৰজাক শোধাবলৈ লৈ গ'ল। যথা সময়ত তেৰাই তাক উপঢৌকন স্বৰূপে ৰজালৈ আগ বঢ়াই গোমস্তা পদৰ পৰা অব্যাহতি ললে। ৰজাই বস্ত্ৰখনিৰ দৃশ্যাৱলীৰ আঁতিগুৰি তেৰাৰ পৰা বুজি লৈ পৰম আপ্যায়িত হল। অৱশেষত তাঁতীসকলৰ ত্যাগৰ শলাগ লৈ গুৰুজনক সসন্মানে বিদায় দিলে।

নৰনাৰায়ণ ৰজাই জীৱিতাৱস্থাত বৃন্দাবনী-বস্ত্ৰখনি আদৰেৰে ৰাখিলেও তেওঁৰ লোকান্তৰৰ পাচত তাক কোনে কত কেনেকৈ ৰাখিছিল তাৰ কোনো সঠিক সম্ভেদ পাবলৈ

* চাপৰা বৰপেটা সত্ৰৰ ৪ মাইল পশ্চিমে অৱস্থিত। ইয়াত কোচ ৰজাসকলৰ অধীনস্থ গোমস্তাৰ এখন কাৰ্য্যালয় আছিল।— লেখক

নাই। এতিয়াও সেই বস্ত্ৰখনি থকা বুলি অনেকে বিশ্বাস কৰে। যোৱা ১৮৭১ শকৰ আহিন মাহত বৰপেটা সত্ৰত পতা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫০০ বছৰীয়া জন্মোৎসৱৰ সময়ত বৃন্দাবনী-বস্ত্ৰ অনুসন্ধানৰ কামত আমি কোচবিহাৰ ৰাজ্যলৈ যাব লগা হৈছিল। সহযাত্ৰী হিচাপে বৰপেটা সত্ৰৰ উদাসীন ভকত শ্ৰীসৰ্ব্বেশ্বৰ পাঠক আতৈ আমাৰ লগত গৈছিল। আমি মধুপুৰ সত্ৰৰ পৰিচালক শ্ৰীলক্ষ্মীকান্ত আতৈ বুঢ়া ভকত আৰু ভেলাদাঙা সত্ৰৰ অধিকাৰ শ্ৰদ্ধেয় শ্ৰীশ্ৰীহৰিবন্ধু মেধি গোস্বামীদেৱকো লগত লৈ বস্ত্ৰখনিৰ অনুসন্ধান লবলৈ সম্ভৱপৰ সকলো প্ৰকাৰৰ যত্ন লোৱা হৈছিল। সেই সময়ৰ কোচবিহাৰ ৰাজ্যৰ নায়েব, "কোচ বিহাৰৰ ইতিহাস" লেখক বুৰঞ্জীবিদ পণ্ডিত খান চৌধুৰী আমানত উল্লা আহমদ চাহাবৰ লগত আমাৰ আগৰেপৰা চিনাকি আছিল। তেখেতলৈ আগধৰি এই বিষয়ে চিঠিৰে খবৰ জনাই থোৱা হৈছিল। তেখেতে আমাক এই কামত যথেষ্ট সজ পৰামৰ্শ দি, উচ্চপদস্থ কৰ্ম্মচাৰীলৈ চিঠি পত্ৰ লিখি, প্ৰাক্তন পূজাৰীৰ লগত সাক্ষাৎ কৰাই দি আৰু লগত ৰাজকৰ্ম্মচাৰী দি আশাতীত ৰকমে সহায় কৰিছিল। আমি নানা অনুসন্ধানৰ ফলত স্থানীয় মদনমোহন বাৰীত থকা বিখ্যাত মদনমোহন বিগ্ৰহৰ নিচেই ওচৰতে পাচফালে থকা হনুমান দণ্ডৰ গাত আৰি থোৱা "ঢোপ"ৰ * ভিতৰত এই বস্ত্ৰ থকা বুলি অনুমান কৰিছিলোঁ। কিন্তু তাৰ পূজাৰী সকলৰ কূট কৌশলৰবাবে তাক খুলি চাব পৰা নহ'ল। এই সম্পৰ্কে আমাৰ "কোচ বিহাৰ ৰাজ্যত বৃন্দাবনী-বস্ত্ৰ অনুসন্ধান" নামৰ অপ্ৰকাশিত প্ৰবন্ধ এটিত বহলাই লিখা আছে। যি হওক আমি ভগ্ন মনোৰথ হৈ উভতিবৰ সময়ত কোচবিহাৰ চেক্ৰেটৰী-য়েটৰ উচ্চ পদস্থ কৰ্ম্মচাৰী শ্ৰীপ্ৰিয়শঙ্কৰ বাগ্ছী মহাশয়ে আমাক এই বিষয়ে লিখিতভাবে জানিবলৈ দিব বুলি আশ্বাস দিলে আৰু লগতে আমাৰ অস্থায়ী বাসস্থানৰ ঠিকনা লিখি ললে। আমি চেক্ৰেটৰীয়েটৰ কাৰ্য্যালয়ত বহি থাকোঁতেই তেখেতে বৃন্দাবনী-বস্ত্ৰ সম্পৰ্কে সমিধান খুজি পাটা-কুৰাত † থকা শ্ৰীঅমূল্য কুমাৰ দেৱ বক্সী মহাশয়লৈ চিঠি এখন লিখিলে; আৰু তেতিয়াই এজন চাপৰাচীক বাই-চাই-কেলেৰে তালৈ পঠিয়ালে। অলপ পাচত আমাকো মিঠা মাতেৰে বিদায় দিলে। আমাৰ মনত কিঞ্চিৎ আশাৰ সঞ্চাৰ হ'ল। আমি মদনমোহন বাৰীৰ চৌহদৰ ভিতৰত থকা আমাৰ বাহৰ "আনন্দময়ী ধৰ্ম্ম শালা"লৈ খোজ ললোঁ। আহোঁতে বাটতে দুখন কিতাপো কিনি লোৱা হ'ল। আমি বাহৰ সোমাই অলপ জিৰণি লোৱাৰ পাচত এজন পিয়নে আমাৰ হাতত এখন চিঠি দি গ'ল। চিঠিখন পোৱা মাত্ৰকে খুলি পঢ়ি চাই আতৈকো শুনোৱা হ'ল। চিঠিখনৰ হুবহু নকল এই—

* 'ঢোপ'ক একপ্ৰকাৰ দীঘলীয়া ধৰণৰ গাক বুলিব পাৰি। ইয়াৰ আকাৰ কলগছৰ গাৰ দৰে এমূৰৰ পৰা আনমূৰলৈ ক্ৰমে সৰু। ইয়াৰ ভিতৰত তুলা নাথাকে; কাপোৰহে থাকে।—লেখক

† পাটাকুৰা কোচবিহাৰৰ দক্ষিণ-পশ্চিম ফালে থকা এটা অঞ্চলৰ নাম।—লেখক।



Huzur Secretariat,
The Maharaja's Office, Coch-Behar.
Dated the 18th August, 1948.

মান্যবরেষু,

আমাদের দুয়ার বক্সীর নিকট পত্র দিয়াছিলাম। তিনি জানাইয়াছেন যে তিনি ঐ কাপড়ের বিষয় কিছু জানেন না। তিনি তাঁর ঠাকুর মার নিকট শুনিয়াছেন যে, ঐ রূপ একটি বস্ত্র মধুপুর ধামে রক্ষিত ছিল। আপনাদের বিষয় মহারাজ ভূপবাহাদুরের আজ্ঞার জন্য পেশ করিলাম। ইতি—

নিঃ
শ্ৰীপ্রিয়শঙ্কর বাগ্ছী।

চিঠিখন পোৱাৰে পৰা তাত থাকিবৰ মন নোযোৱা হ'ল। ৰাতিৰ ভোজনলৈ চালে পলম হ'ব বুলি জানি অলপ জলপান মুখত দি কোচবিহাৰ ৰেল ষ্টেচন মুখে আগবঢ়া হ'ল। গধূলিৰ যাত্ৰী-বাহী ৰেলগাড়ীয়ে আমাক তাৰ পৰা আনি গীতালদহ ষ্টেচনত এৰি থৈ গ'ল। কেবাঘণ্টাও অপেক্ষা কৰাৰ পাচত শেষ নিশা অসমৰ ফালে অহা আন এখন যাত্ৰী-বাহী ৰেল গাড়ীয়ে আমাক তুলি লৈ ৰাতিপুৱা ন মান বজাত বৰপেটা ৰোডত নমাই দিলে। আমি তাৰ পৰা মটৰেৰে আহি দহ মান বজাত বৰপেটা পোৱা হ'ল।

দুজনা গুৰুৰ শ্ৰীহস্তৰ পৰশ পোৱা আৰু সেৱাৰ-বস্তু স্থানীয় বৃন্দাবনী-বস্ত্ৰৰ উৱাদিহ পোৱা নগ'ল। অযত্ন-অনাদৰৰ ফলত অথবা যি কোনো অজ্ঞাত কাৰণ বশতঃ সি হয়তো কেতিয়াবাই অজান ঠাইত বিলুপ্ত হৈ গ'ল। এই কথাৰ প্ৰমাণ নিজে পাই আহিবৰো আজি ছবছৰ হ'ল। কিন্তু তাৰ পৱিত্ৰ সোঁৱৰণে এতিয়াও মাজে সময়ে অন্তৰত ভুমুকি মাৰি যায়।

# ফাকিয়াল

শ্ৰীযুক্ত সৰ্ব্বানন্দ ৰাজকুমাৰ।

ফাকিয়াল বুলি কোনো পৃথক জাতি নাই। টাই জাতি অনেক শাখাত বিভক্ত—যেনে টাই খামটি, টাই তুৰুং, টাই খাময়াং, টাই আইটন, টাই ফাকে ইত্যাদি—আহোম, খামটি, তুৰুং, খাময়াং, আইটন আদিৰ দৰে ফাকিয়াল সকলো বৃহৎ টাই জাতিৰ এটা পৃথক সম্প্ৰদায় মাথোন। তেওঁবিলাকৰ প্ৰকৃত নাম হৈছে "টাই ফাকে" 'ফাকে' শব্দৰপৰা অসমীয়াত "ফাকিয়াল" শব্দৰ উৎপত্তি হৈছে। "ফাকে" শব্দ টাই ভাষাৰ শব্দ। "ফা" মানে "ৰজা বা শিলৰ দ্বীপ বা বেৰ;" আৰু "কে" মানে পুৰণা বা বুঢ়া বা পুৰঠ। এতেকে "ফাকে" মানে "পুৰণা বা বুঢ়া ৰজাৰ বংশৰ; বা পুৰণা শিলৰ দ্বীপৰ বাসিন্দা বা কোনো বেৰ থকা ঠাইৰ বাসিন্দা।" বৰ্ম্মা দেশৰ মাজে চীন দেশৰ সীমান্তলৈকে পৰিভ্ৰমণ কৰোঁতা শ্ৰীযুত পূৰ্ণকান্ত বুঢ়াগোহাঁঞিদেৱে কয় যে ফাকিয়াল সকল টাই জাতিৰ কোনো বুঢ়া ৰজাৰ পৰিয়ালৰ মানুহ। মাৰ্ঘেৰিটা নিবাসী ফাকিয়াল সম্প্ৰদায়ৰ শ্ৰীযুত চাউকেন গোহাঁঞি মৌজাদাৰদেৱে আমাক জনায় যে ফাকিয়াল সকল শিলৰ বেৰ থকা কোনো এখন ঠাইৰ মানুহ। ফাকিয়াল সম্প্ৰদায়ৰ দোভাষী শ্ৰীমান টিংনা গোহাঁঞে আমাক জনায় যে ফাকিয়ালবিলাক কোনো পুৰণা শিলৰ দ্বীপৰ মানুহ।

স্বৰ্গৰাজ লেঙ্গদনৰ বংশধৰ টাই জাতিৰ প্ৰথম ৰজা খুন্‌লুঙ্গৰ ৰৰপুত্ৰ * আইখুন্‌লুঙে বৰ্ম্মাৰ হুকৃকং [মাউপুং] দেশত ৰাজ্য স্থাপন কৰে। হুকৃকং দেশত টাই ৰজাসকলে ৰাজত্ব কৰি থাকোঁতে কোনো এক শতাব্দিত টাই ফাকে পৰিয়ালৰ কিছুমান মানুহ হুকৃকং দেশৰ চিন্দুইন নদীৰ ছুয়ো পাৰে বসতি কৰিবলৈ লয়। অসমত আহোম ৰাজ্য স্থাপন কৰোঁতা খুন্‌লুঙৰ বংশধৰ আহোমৰ আদি ৰজা চুকাফাই ভ্ৰাতৃৰ লগত বিৰোধ কৰি ১২০০ খৃঃত ম্যুংমিত ৰাজ্য এৰি টাই ফাকে বিলাকৰ উত্তৰে খামজাং নামে ঠাইত কিছুকাল বসতি কৰে। তাৰ পাচত তেওঁ হুকৃকং দেশৰ ৰজাৰপৰা আহোমৰ কুলদেৱতা চোমদেওক হাত কৰি পৰ্ব্বতে পৰ্ব্বতে ভালেমান বছৰ পৰিভ্ৰমণ কৰাৰ পাচত ১২২৮ খৃঃত সৌমাৰত পদাৰ্পণ কৰে।

১৭৫১ খৃঃত চুকাফাৰ বংশধৰ স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ [১৭৫১—৬৯ খৃঃ] অসমৰ ৰজা হয়। ৰকতীয়াল খেলৰ গেন্ধেলা ওৰফে কীৰ্ত্তিচন্দ্ৰ তেওঁৰ বৰবৰুৱা আছিল। সেই সময়ত মাতুবিয়ালৰ ৰৰজনা ৰৰগোহাঁঞে "চকৰিফেটি" নামে এখন বুৰঞ্জী লিখে। সেই বুৰঞ্জীত ৰৰগোহাঁঞে কীৰ্ত্তিচন্দ্ৰ প্ৰকৃত আহোম নহয় আৰু "জলম বটা" ঘৰৰ বুলি উল্লেখ কৰে। সেই কাৰণে বৰবৰুৱাই হুকৃকং বা নৰা দেশৰপৰা টাই মানুহ আনি তেওঁ প্ৰকৃত আহোম বুলি প্ৰমাণ কৰে আৰু স্বৰ্গদেৱৰ অনুমতিক্ৰমে "চকৰিফেটি" বুৰঞ্জীবিলাক দাহ কৰায়। জয়পুৰ নিবাসী বুৰঞ্জীবিদ টাইফাকে শ্ৰীযুত চাউম্যাট গোহাঁঞিদেৱৰপৰা জনা যায় যে টাইফাকেবিলাক স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ

* চন্দ্ৰকান্ত বৰুৱা, সদৰামিন আৰু Sir Edward Gait ৰ মতে ৫৬৮ খৃঃত খুনলুং ডাৰিমুঙৰ মত ৰজা হয়। তেওঁ ৪০ বছৰ ৰাজত্ব কৰে।



দিনত অসমলৈ আহে। আহোমৰ ৰাজত্বৰ কালত আহোম আৰু নৰা ৰজাৰ ভিতৰত এহাতে যেনেকৈ দুয়ো ৰাজ্যৰ ভিতৰত যুদ্ধ হৈছিল ঠিক তেনেকৈ আনহাতে বৈবাহিক সম্বন্ধ স্থাপন হৈছিল আৰু কটকীও আয়াযাত কৰিছিল। এইবিলাক কথাৰপৰা অনুমান হয় যে টাই ফাকেবিলাক হয় কোনো যুদ্ধত বন্দী কৰি অনা, নহয় কোনো নৰাকুঁৱৰীৰ লগত অহা, নহয় কোনো কটকীৰ লগত অহা, অথবা কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই অনা নৰা বা হুকৃকং দেশৰ মানুহ।

শ্ৰীযুত পূৰ্ণকান্ত বুঢ়াগোহাঁঞিদেৱে কয় যে টাইফাকেবিলাকে প্ৰথমে ন দিহিঙৰ উজনিত নং টাউৰ [নং=বিল। টাউ=কাছ। অৰ্থাৎ কাছ পৰা বিল বা কাছ থকা বিল।] কাষত বসতি কৰিবলৈ লয়। স্বৰ্গদেৱ গৌৰীনাথ সিংহৰ দিনত [১৭৮০-৯৪ খৃ] হোৱা মোৱামৰীয়া বিদ্ৰোহৰ সময়ত ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁঞি ডাঙৰীয়াই টাইফাকেবিলাকক নংটাউৰপৰা উঠাই নি দিহিঙৰ উজনিত স্থাপন কৰে। লফাৰৰীয়া ৰঙ্গাছিলা দুৱৰা বংশৰ ঘিণাই ওৰফে বদন চন্দ্ৰ বৰফুকনে ১৮১৬ খৃঃত ১৬,০০০ মান সৈন্যৰ সৈতে নামৰূপত পদাৰ্পণ কৰে। মান সেনাৰ সহায়ত তেওঁ পূৰ্ণানন্দ বুঢ়াগোহাঁঞে পঠোৱা অসম সেনাক পৰাস্ত কৰি ৰাজধানী যোৰহাট দখল কৰে আৰু ইতিমধ্যে পূৰ্ণানন্দ বুঢ়াগোহাঁঞি স্বৰ্গী হয়। ১৮১৯ খৃঃত বৰফুকনে স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহক পুনৰ ৰজা পাতি নিজে মন্ত্ৰীফুকন হয়। স্বৰ্গদেৱে বগা কোঁৱৰৰ জীয়েক হেমো আইদেওক মান ৰজা বদোফালৈ বিয়া দিবৰ অৰ্থে মান সেনাপতিৰ লগত পঠাই মান ৰজাৰ লগত মিত্ৰতা স্থাপন কৰে। মান সেনাপতিয়ে লগত টাইফাকেবিলাকক তেওঁলোকৰ দেশলৈ নিম বুলি লৈ যায় কিন্তু বাৰিষা আৰু খাদ্যৰ নাটনি হোৱাত দিহিঙৰ উজনিত এৰি যায়। তেতিয়া টাইফাকেবিলাকে নাম্ ছোকত [নাম্=পানী; ছোক=সুঁতি।] বসতি কৰিবলৈ লয় আৰু তাৰপৰা অন্যান্য ঠাইলৈ উঠি যায়।

বৰ্ত্তমান ডিব্ৰুগড় মহকুমাৰ নাহৰকটীয়া অঞ্চলৰ নাম-ফাকিয়াল, আৰু টিপাম ফাকিয়াল, মাৰ্ঘেৰিটা অঞ্চলৰ ৰৰফাকিয়াল আৰু মানমৌ আৰু লিডু অঞ্চলৰ নংলাই আৰু লংগাৰত প্ৰায় ১৫০ মান ঘৰত ৬০০ মান ফাকিয়াল মানুহ আছে। তেওঁবিলাকৰ মাজত খামুং, মানহাই, টুমটেন আদি কিছুমান ভাগ আছে। তেওঁবিলাকে চাংঘৰত বাস কৰে। চাংঘৰবিলাক টুপ লগা আৰু খেৰৰ অভাৱত টকৌ পাতেৰে ছোৱা। কিছুমানে পৃথককৈ পাকঘৰ সাজে আৰু কিছুমানে থকা ঘৰতে পাক কৰে। ঘৰবিলাক উত্তৰ দক্ষিণাকৈ সাজে আৰু দক্ষিণফালে বাট ৰাখে।

টাইফাকেৰ মতাবিলাকে আঁক-বাঁক লুঙ্গি আৰু ককাললৈকে পৰা চোলা পিন্ধে। তেওঁবিলাকে দীঘলকৈ চুলি ৰাখি খামটি সকলৰ দৰে তালুত খোপা বান্ধি পাগুৰি মাৰে, কাণত সৰু জাংফাই কেৰু [কেন্‌হু] * পিন্ধে, কান্ধত ওলোমাই এটা মোনা [খুং] লয়, আৰু ফাকত ভৰাই বুকুত ওলোমাই দা এখন লয়। তেওঁবিলাকৰ তিৰোতাবিলাকে অসমীয়াৰ দৰে মেখেলা [চিন] পিন্ধে কিন্তু মেখেলাবিলাক নানান ৰঙৰ আঁচু দি বোৱা। তেওঁবিলাকে গাত এটা চোলা [চুউ] পিন্ধি তাৰ ওপৰত বুকুত মেঠনি মাৰি দুয়োটা আগ ওলোমাই চাদৰ [নাংৱাং] লয়। বোৱাৰীবিলাকে লোৱা চাদৰ দুই পাত্তাৰ

* বোধহয় অসমীয়া "কেৰু" শব্দ টাই ভাষাৰ কেন্‌হু শব্দৰ পৰা ওলোৱা।

এটা মূৰ চিলাই কৰা। বুঢ়া মানুহে লোৱা চাদৰবিলাকৰ দীঘ ক'লা, নীলা আৰু হালধীয়া আৰু বাণি ৰঙা সূতাৰ। গাভৰু-বিলাকে লোৱা চাদৰৰ দীঘ আৰু বাণিয়ে ৰঙা, বগা, হালধীয়া আৰু নীলা সূতাৰ। শাস্তি নোহোৱা ছোৱালীবিলাকে বগা কাপোৰ লয়। খামটি তিৰোতাবিলাকৰ দৰে টাইফাকেৰ তিৰোতাবিলাকেও বগা কাপোৰৰ পাগুৰি [ ফাহু ] মাৰে। তেওঁ-বিলাকে কাণত জাংফাই কেক, ডিঙিত সোণ বা ৰূপৰ মাদলি, হাতত ৰূপৰ খাৰু [ বেন ], খোপাত ৰূপ বা সোণৰ ফুল আৰু আঙ্গুলিত আঙঠি [ লাংচ্ ] পিন্ধে।

তেওঁবিলাকৰ খাদ্য অসমীয়াৰ সৈতে একে কিন্তু অসমীয়াৰ দৰে ভাত নাবান্ধি চাৰা দিয়ে। এই কাৰণে তেওঁলোকে লাহী ধানৰহে খেতি কৰে।

টাইফাকেবিলাকৰ প্ৰধান ব্যৱসায় খেতি। অসমীয়া তিৰোতাৰ দৰে তেওঁ-বিলাকেও তাঁত বয় কিন্তু তেওঁবিলাকে কঁকালত চামৰাত ৰচি লগায় কাপোৰ বয়। সেই কাৰণে তেওঁলোকৰ কাপোৰ শিপিনীৰ কঁকালতকৈ বেছি বহল নহয়। তেওঁবিলাকে বজাৰৰ সূতা কিনি নি গছৰ পাত আৰু ছালেৰে ৰং দি লয়। মতাবিলাকে মাটিৰ ডিঙি দীঘল কলহ আৰু চৰু কাঠৰ শৰাই [ পান্ ] আৰু বাহঁৰ শৰাই [ উন ] তৈয়াৰ কৰে। বাহঁৰ শৰাই অসমীয়াৰ বটাৰ দৰে। কাঠৰ শৰাইবিলাক সাঁফৰ লগা। সাঁফৰৰ নালটো পেগ'দাৰ ওপৰ অংশৰ আকৃতিৰ দৰে। এই কাঠৰ শৰাইবিলাক দেখিবলৈ বৰ সুন্দৰ আৰু আনে কৰিব নাজানে।

টাইফাকেবিলাক টাই খামটি, টাই তুৰুং, টাই আইটন, আৰু টাই খাময়াং-বিলাকৰ দৰে বৌদ্ধধৰ্ম্মী। তেওঁবিলাকৰ গাঁৱে গাঁৱে বৌদ্ধ বিহাৰ আছে। প্ৰত্যেক বিহাৰত কেইবাজনো বাপু থাকে। গাঁৱৰ প্ৰত্যেক ঘৰ মানুহেই দৈনিক পুৱা বাপুচাঙত ভাত দিয়ে। সেই ভাতৰেই বাপুসকল পোহপাল যায়। বাপুবিলাক মহাপুৰুষীয়া কেৱলীয়াসকলৰ দৰে উদাসীন। বাপু হব খোজা লৰা বাপুচাঙত থাকি বৰ্ম্মা, টাই আৰু পালি ভাষাত ধৰ্ম্মগ্ৰন্থ অধ্যয়ন কৰে। তেওঁবিলাক বৰ্ম্মাদেশৰ পঞ্জিকা মতে চলে। প্ৰত্যেক বছৰে আষাঢ় পূৰ্ণিমাৰপৰা আহিনৰ পূৰ্ণিমালৈকে বৰ্ষাবাস হয়। এই তিনি মাহৰ প্ৰত্যেক শুক্লপক্ষৰ অষ্টমী আৰু পূৰ্ণিমা আৰু কৃষ্ণপক্ষৰ অষ্টমী আৰু অমাৱস্যাত গাঁৱৰ মতা-তিৰোতা, লৰা-ছোৱালী বৌদ্ধবিহাৰলৈ গৈ পঞ্চশীল আৰু অষ্টশীল মন্ত্ৰ গ্ৰহণ কৰে। অষ্টশীল মন্ত্ৰ গ্ৰহন কৰা সকলে জীৱ হত্যা নকৰে। অসমীয়াই যি দৰে মাঘ বিহুত মেজি পোৰে সেই দৰে টাইফাকে সকলেও ফাগুনৰ পূৰ্ণিমাত মেজি পোৰে আৰু নিশা ভোজ ভাত খায়। ভোজৰ যাৱতীয় বস্তু ঘৰে ঘৰে হুঁচৰি গাই তোলে। বহাগৰ বিহুত বৌদ্ধ-মূৰ্ত্তিক গা ধুৱায় আৰু অষ্টশীল মন্ত্ৰ গ্ৰহণ কৰা সকলক ডেকা গাভৰুৱে হাত ভৰি বা গা ধুৱাই আশীৰ্ব্বাদ লয়। তাৰ পাচত ডেকা গাভৰুৱে ইজনে সিজনৰ গাত পানী ঢালি পানী বিহু পাতি ৰং ধেমালি কৰে। বিহুৰ সাত দিনত তেওঁলোকৰ প্ৰথা মতে বিহু উৎসৱ পাতে।

সন্তান হ'লে সাত দিনৰ মূৰত চাঙতে সন্তাত বাজলৈ উলিয়ায় আৰু এমাহৰ মূৰত মাটিলৈ নমায়। মাটিলৈ নমাওঁতে গাঁৱৰ বুঢ়ীসকলে দুইহাত আৰু ভৰিৰ গাঁঠিত সূতা বান্ধি আশীৰ্ব্বাদ দিয়ে।

টাইফাকেবিলাকৰ ভিতৰত বাল্যবিবাহ নাই। এজন মতাই কেইবা গৰাকীও তিৰোতা বিবাহ কৰা প্ৰথা প্ৰচলিত। বিধবাই পুনৰ স্বামী গ্ৰহণ কৰিব পাৰে।



বিধবা বৌৱেকক দেওৰেকে তিৰোতা কৰি ৰাখিব পাৰে কিন্তু ববজনাকে বিধবা ভাই বোৱাৰীয়েকক তিৰোতা কৰিব নোৱাৰে। দৰাঘৰৰ মানুহ গৈ ছোৱালী খোজে। আঙঠি বা খাৰু পিন্ধোৱা নিয়ম আছে। বিয়াৰ দিনা ছোৱালীৰ গা ধন দিব লাগে। সেই ধন ৭০৲ পৰা ৩০০৲ লৈ হব পাৰে। সেই ধন ছোৱালীৰ বংশ পৰিয়ালৰ মাজত ভাগ হয় আৰু ধনৰ ভাগ পাওঁতাই ছোৱালীক উপযুক্ত পুৰস্কাৰ দিয়ে। বিয়া দুদিনীয়াকৈ হয়। ৰাতি দৰা ছোৱালীৰ ঘৰলৈ গৈ ছোৱালী আনি ধৰ্ম্ম মতে নিজ ঘৰত বিয়া পাতে। ৰাজি খুচি কৰি ছোৱালী পলুৱাই নিয়া প্ৰথাও আছে। তেনে হলে গা ধন লৈ সম্বন্ধ স্থাপন কৰা হয়। কেতিয়াবা ছোৱালী ঘূৰাই আনি চোৰটোৰ লগত বিয়া দিয়ে। বিয়াৰ পাচত ছোৱালীয়ে দৰাৰ কুল পায়। টাইফাকে, টাইখামটি, টাই খাময়াং, টাই আইটন আৰু টাই তুৰুং একে জাতি, একে ধৰ্ম্মী আৰু একে ভাষা-ভাষী হোৱাৰ কাৰণে তেওঁবিলাকৰ মাজত বিবাহ প্ৰচলিত।

পোন্ধৰ বছৰৰ তলৰ বিলাক মৰিলে পোতে আৰু ওপৰৰ বিলাকক খৰি দিয়ে। স্বাভাৱিক ভাবে মৃত্যু হলে বংশ পৰিয়াল গোট খাবৰ কাৰণে দুই তিনি দিন ৰাখে। বাপুৰ সৈতে ধৰ্ম্ম কাৰ্য্য কৰায়। সাতদিন সাত ৰাতি মানুহক খুৱায়। সাতদিনৰ অন্তত শুচি হয়।

তেওঁবিলাকৰ পৈত্ৰিক সম্পত্তিৰ ভাগ ল'ৰাই পায় — ছোৱালীয়ে নাপায়। তেওঁ-বিলাকৰ মাতৃভাষা টাই ভাষা। বৰ্ত্তমান সকলোৱে অসমীয়া ভাষা বুজি পায় আৰু ক'ব পাৰে। তেওঁবিলাকৰ মাজত শিক্ষিতৰ সংখ্যা অতি কম। তেওঁবিলাকৰ ভিতৰত আজিলৈকে কোনেও 'গেজেটেদ চাৰ্ভিচ' পোৱা নাই। আহোম সকলে টাইফাকে, টাই-খামটি, টাইতুৰুং, টাইখাময়াং আৰু টাই-আইটনবিলাকক তেওঁলোকৰ সৈতে একে জাতিৰ বুলি স্বীকাৰ কৰে। এই জাতি-বিলাকৰ ভালেমানে আহোমসকলক অনুকৰণ কৰি গোহাঁঞি উপাধি গ্ৰহণ কৰিছে।

# বড়ো কছাৰী জাতিৰ সংস্কৃতি

[ বাথৌ আৰু খেৰাই পূজাৰ উপাখ্যান বা আদিকথা ]

শ্ৰীৰূপনাথ ব্ৰহ্ম।

উৰ্দ্ধত অভ্ৰভেদী হিমালয়ৰ অত্যুঙ্গ গিৰিশৃঙ্গ, মধ্যভাগত বন্ধুৰ গিৰিমালা আৰু পাদদেশত খৰস্ৰোতা সোণকোষ আৰু কলনদী মানসৰ মধ্যৱৰ্ত্তী নিবিড় ঘন-বননি আৰু বিস্তীৰ্ণ প্ৰান্তৰ। ইয়াতেই পুণ্যসলিলা আই, পাৰ্ব্বতী, চাম্ফুৰ ( চম্পামতী ), গৌৰাঙ্গ, চামুখা, সৰমাং ( সৰলভাঙ্গা ) আৰু গঙ্গীয়া নৈ অজস্ৰ জলধাৰা বুকুত লৈ এতিয়াও বৈ আছে। স্বচ্ছসলিলা এই বেগৱতী নৈবিলাকৰ কুলধ্বনি, বন্যহস্তীৰ বৃংহতি, বিচিত্ৰ বিহগকুলৰ মধুৰ কুজন আৰু ময়ূৰ ময়ূৰীৰ কেকাৰৱত এই ঠাইডোখৰ মুখৰিত

হৈ থাকে। এই ঠাইত আছে বন্যবৰাহ, বনৰীয়া মহ, বনৰীয়া হাতী, বিচিত্ৰ ৰকমৰ বিবিধ ধৰণৰ হৰিণা পহু, গঁড়াৰ, বিবিধ চৰাই আৰু অগণিত ময়ুৰ ময়ুৰী। বননিত চম্পা, বনচোম, গন্ধসৰৈ, আমাৰি, গমাৰী, নাহৰ, শাল ইত্যাদি বিবিধ ৰকমৰ অতি সুন্দৰ আৰু মূল্যৱান গছ-গছনি ভৰি আছে। প্ৰাকৃতিক সৌন্দৰ্য্য আৰু বনজ সম্পদত এই ঠাইডোখৰ সঁচাকৈ অসম ৰাজ্যৰ ভিতৰত অতুলনীয়। অতীতত এই ৰমণীয় ঠাইডোখৰ অকল বড়োসন্তানসকলৰ দ্বাৰাই অধ্যুষিত আছিল। বড়োসন্তানসকলৰ ওচৰত এই মনাস আৰু আইনদী গঙ্গা-যমুনাৰ দৰে পৰম পবিত্ৰ। এই দুই নদীৰ পুণ্য সলিলত অৱগাহন কৰি বড়োসন্তানসকল কৃতাৰ্থ হৈছিল। বড়োকুলবালাসকলে এই দুই নদীৰ পাৰে পাৰে গীত কণ্ঠে ৰংমনে বননিজাত শাক আহৰণ কৰিছিল আৰু এই দুই নৈত ৰং মনে নিৰ্দ্দোষ জলকেলি কৰি অসীম তৃপ্তি লাভ কৰিছিল। এই দুই নদীৰ তটভূমি বড়োজাতীয় গৰখীয়াসকলৰ মধুৰ বংশীৰৱত সদায় মুখৰিত হৈছিল। বড়োসন্তানসকলে ধনে-ধানে, কৃষি-শিল্পে, আৰু ঐশ্বৰ্য্য-বিভৱে অতীৱ সমৃদ্ধিশালী আছিল।

এইয়ে অমিত বিক্ৰম কোঁচৰজাসকলৰ আদি পুৰুষ দাম্বাম্বু মেচ ( বড়ো ) হাওৰীয়া মেচৰ ( বড়ো ) আদি পবিত্ৰ পীঠস্থান ;— যাৰ সীমা আছিল—

" পূৰ্ব্বত মানাহ, সঙ্কোষ পশ্চিমত।
উত্তৰে ধৱলগিৰি, দক্ষিণে লৌহিত্য।"

এই ঠাইতেই হাওৰীয়া মেচৰ ( বড়ো ) হৰভক্তিপৰায়ণা সতী ভাৰ্য্যা হীৰা মেচনীৰ ( বড়োনী ) গৰ্ভত দেৱাদিদেৱ মহাদেৱৰ ইচ্ছা আৰু অনুকম্পাত তেওঁৰ মহাৰমণৰ ফলত কোঁচ-ৰাজ-কুল তিলক মহাৰাজ বিশ্বসিংহৰ জন্ম হৈছিল। এই কোচৰজাৰ বংশধৰসকল আজিও জাতিত শিৱবংশী বুলি পৰিচিত।

অনুমান হয় এই ৰমণীয় ঠাইখণ্ডই আছিল দেৱাদিদেৱ মহাদেৱ আৰু পাৰ্ব্বতী আইৰ বিহাৰৰ অন্যতম পৰম পবিত্ৰ ঠাই। পুণ্যসলিলা পাৰ্ব্বতী নৈয়ে তাৰে মধুৰ স্মৃতি বুকুত লৈ আজিও বৈ আছে। বোধকৰো এই ঠাইত বিহাৰ কৰি থাকোঁতে দেৱাদিদেৱ মহাদেৱে বড়োসন্তানসকলৰ প্ৰতি দয়া পৰৱশ হৈ তেওঁলোকৰ কল্যাণৰ কাৰণে তেওঁলোকৰ মাজত নিজৰ গুহ্যতম ৰহস্য প্ৰকাশ কৰিবৰ অভিলাষ কৰি পাৰ্ব্বতী আইক সম্বোধন কৰি কৈছিল,—" প্ৰিয়তমে, কি সুন্দৰ এই ঠাই! কি সুন্দৰ এই বড়োসন্তান-সকল! প্ৰকৃতিৰ দুলাল এই বড়োসন্তান-সকল সৰল সহজ জীৱন যাপন, সৰলতা সত্যবাদিতা আৰু কৰ্ম্মকুশলতা দেখি মই সঁচাকৈ মুগ্ধ হৈছোঁ। শালবনত বননি শাক আহৰণৰতা ৰক্তপীত বসনা, কাঞ্চন বৰণীয়া স্বভাৱ সৰলা বড়ো কুলবালাৰ উদাস উদ্দাম সঙ্গীতধাৰাই সঁচাকৈ কেতিয়াবা মোৰ হৃদয়ত এক অপূৰ্ব্ব ভাৱৰ সঞ্চাৰ কৰি দিয়ে আৰু কৰ্ম্মৰত প্ৰফুল্ল বড়োযুৱকসকলৰ সুন্দৰ-সুঠাম আৰু বলিষ্ঠ দেহ দেখি মই পুলকিত হৈ উঠোঁ। কেতিয়াবা ভাবোঁ মই তেওঁলোকৰ লগত মিলি যাওঁ আৰু তেওঁলোকক আপোনজন কৰি লওঁ। এই কাৰণে আমালোকৰ লগত তেওঁলোকৰ মধুৰ সম্বন্ধ দৃঢ়তৰ কৰি তুলিবলৈ মই ছদ্মবেশ ধাৰণ কৰি গুহ্যতম ৰহস্য তেওঁলোকৰ মাজত প্ৰকাশ কৰি দি আহিম বুলি সিদ্ধান্ত কৰিছোঁ। জগজ্জননী পাৰ্ব্বতী আইয়েও কৈছিল— " নাথ, সঁচাকৈ দেৱতা বাঞ্ছিত এই ৰমণীয় ঠাইৰ তুলনা নাই। এই ঠাইৰ বড়োসন্তান-সকলেও সৰলতা, সত্যবাদিতা, শৌৰ্য্য বীৰ্য্য আৰু কৰ্ম্মকুশলতাত অতুলনীয়। তোমাৰ ইচ্ছা পূৰণ হওক প্ৰভু।"



এইদৰে দেৱাদিদেৱ মহাদেৱে বড়ো-সন্তানসকলৰ মাজত নিজৰ তত্ত্ব প্ৰকাশ কৰিবৰ অভিলাষ কৰি এদিনাখন ৰাতি এজন বড়ো গৃহস্থৰ ঘৰৰ দুৱাৰ মুখত পূৰপিনে থকা শিজু গছৰ ডালত ময়ূৰৰ ছদ্মবেশ ধাৰণ কৰি বহি থাকিল। গৃহস্থজন সন্তান সন্ততি নথকা এজন নিষ্ঠাৱান বুঢ়া। বুঢ়ীৰ প্ৰতি বুঢ়াৰ অগাধ মৰম। সদায় ৰাতিপুৱাৰ আগতে পুৱতি নিশাত বুঢ়ীয়ে ধেকুদি কপাহ ধুনে আৰু পূৰপিনে থকা শিজু গছৰ তলত গাইন মাৰি তুলি ধান বানিব আৰম্ভ কৰোঁতেই শিজু গছত বহি থকা ম'ৰা চৰাইয়ে অকস্মাৎ পাখি মেলি বিকট শব্দ কৰি উৰি যায়। বুঢ়ীজনীয়ে এই আকস্মিক শব্দত শঙ্কিত হৈ মাটিত পৰি থৰথৰকৈ কঁপিবলৈ ধৰে। সেই সময়তে বুঢ়াটোও পথাৰলৈ হাল লৈ যাবলৈ ওলাইছিল মাত্ৰ। হঠাতে বুঢ়ীৰ এই দুৰৱস্থা দেখি বুঢ়া বৰ চিন্তিত হৈ পৰিল আৰু পথাৰলৈ নগৈ বুঢ়ীক শুশ্ৰূষা কৰিবলৈ ধৰিলে। কোনো প্ৰকাৰেই বুঢ়ীক সংজ্ঞালাভ কৰাব নোৱাৰি বুঢ়া বৰ বিমোৰত পৰিল। এনে অৱস্থাত এজন অচিনাকী মানুহে বুঢ়াক কড়ীদি এক নিৰ্দ্দিষ্ট ঠাইত মঙ্গল চোৱাই আহিবলৈ ক'লে। অচিনাকী মানুহে কৈ দিয়া আৰু দেখাই দিয়ামতে কড়ীদি মঙ্গল চোৱাই আহিবলৈ বুঢ়া লৰালৰিকৈ ৰাওনা হ'ল।

নিৰ্দ্দিষ্ট ঠাইত এজোপা ডাঙৰ শিজু গছৰ তলত এজন সাধু পুৰুষক দেখা পালে আৰু ভক্তিভাৱে সেৱা কৰি বুঢ়াই কড়ীদি মঙ্গল চাই দিবলৈ ক'লে। সাধুজনে বুঢ়াৰ দুৰ্গতিৰ কথা শোধাত বুঢ়াই নিজৰ দুখৰ সকলো কথা কান্দিকাতি কলে। সাধু পুৰুষজনে কড়ীদি মঙ্গল চোৱাৰ পাচত বুঢ়াক কলে,— " বোপা, মই তোমাৰ দুৰ্গতিৰ সকলো কথা বুজিলোঁ। তোমাৰ চিন্তা কৰিবৰ একো কাৰণ নাই। তোমাৰ বুঢ়ী ভাল হৈ উঠিব। কিন্তু তুমি এটা কাম কৰিব লাগিব।" বুঢ়াই কি কাম কৰিব লাগিব বুলি সোধাত সাধু পুৰুষজনে কলে—" বাথৌ পাতি খেৰাই পূজা মানি গলেই তোমাৰ বুঢ়ী ভাল হৈ উঠিব। সাধু পুৰুষে এই বুলি কোৱাত বুঢ়াই খেৰাই পূজা দিবলৈ মান্তি হল আৰু খেৰাই পূজা কেনেকৈ কৰিব লাগে সোধাত সাধুজনে পিচত দীঘল দিন আহিলে এটা নিৰ্দ্দিষ্ট ঠাইত তেওঁৰ লগত দেখা কৰি খেৰাই পূজাৰ বিধি ব্যৱস্থা জানি ল'বলৈ কলে।

বুঢ়াই সাধুজনৰপৰা বিদায় লৈ ঘৰলৈ উভতি আহি দেখে যে বুঢ়ীয়ে সংজ্ঞা লাভ কৰি সুস্থিৰ হৈ ৰীতিমতে কাম কাজ কৰিবলৈ ধৰিছে। সাধুজনৰ কথাত বুঢ়াৰ বিশ্বাস জন্মিল। মাজতে কি ঘটনা হৈছিল বুঢ়ীয়ে একো কব নোৱাৰে। পিচত বুঢ়াই সকলো কথা বুঢ়ীক কোৱাত বুঢ়ীয়ে বুঢ়াক যেনে তেনে খেৰাই পূজা কৰিবলৈ কয়।

এইদৰে কিছুদিন সুখ শান্তিৰে সংসাৰ যাত্ৰা নিৰ্ব্বাহ কৰি যোৱাৰ পাচত দীঘল দিনৰ সময় আহিল আৰু বুঢ়ায়ো এডাল টোকোন, এটা টোপোলা লৈ গামোচাৰে ভালকৈ কঁকাল বান্ধি, মূৰত পাগুৰি মাৰি বুঢ়ীৰপৰা বিদায় লৈ সাধুজনক লগ ধৰিবলৈ ৰাওনা হৈ গ'ল। এই দৰে হাবি-বননিৰ মাজে মাজে কেইবা দিনো যোৱাৰ পাচত বুঢ়াই এজোপা শিজু গছৰ তলত সেই সাধুজনক দেখা পাই আঠুকাঢ়ি সেৱা জনাই ক'লে— " প্ৰভু মই আপোনাৰ দাস, মোৰ সেৱা গ্ৰহণ কৰক। আপোনাৰ গুণ বৰ্ণাব নোৱাৰি। আপোনাৰ বাক্যমতে খেৰাই পূজা মনাৰ লগে লগে মোৰ বুঢ়ী আকৌ ভাল হৈ উঠিল। কৃতজ্ঞ-ভাৱে সৈতে মই আপোনাক প্ৰণাম কৰিছোঁ। আপোনাৰ ইচ্ছা পূৰ্ণ হওক। এতিয়া খেৰাই পূজা কেনেকৈ কৰিব লাগে কৈ দিলে কৃতাৰ্থ

হ'ম।" সাধু পুৰুষজনে তেতিয়া ক'লে,—"শুনা, শুনা মোৰ প্ৰিয় বড়ো সন্তান শুনা,—খেৰাই পূজা পাতিবলৈ হ'লে প্ৰথমে জৌ বা মদ্য তৈয়াৰ কৰিব লাগিব আৰু এই জৌ বা মদ্য তৈয়াৰ কৰিবলৈ হ'লে প্ৰথমে এমাও বা বাখৰৰ বীজ বিচাৰি আনিব লাগিব। বুঢ়াই এমাও বা বাখৰৰ বীজ ক'ত পোৱা যায় বুলি সোধাত সাধুপুৰুষজনে কলে,—" এই এমাও বা বাখৰৰ বীজ যতে ততে পোৱা নেযায়। তাৰ কাৰণে তুমি বহুত কষ্ট কৰি জনমানৱ-হীন নিবিড় অৰণ্যলৈ যাব লাগিব।" এই বুলি কৈ সাধুজনে এটা নিৰ্দ্দিষ্ট ঠাইৰ কথা বুঢ়াক গোপনে কৈ দি কলে,—" সেই নিবিড় অৰণ্যত নানা বিধৰ ফুল-ফলৰ ডাঙৰ ডাঙৰ গছ দেখিবলৈ পাবা আৰু তাৰ মাজত এটা বিৰাট গছৰ খোন্দ দেখিবলৈ পাবা। এই বিৰাট গছৰ খোন্দৰ ভিতৰতে তুমি সেই এমাও বা বাখৰৰ বীজ পাবা। এই খোন্দৰ চাৰিওপিনে থকা গছৰ ওপৰত নানাবিধ চৰাইয়ে এই বীজৰ গোন্ধ আৰু মাদকতাত মত্ত হৈ নানা ছেও ধৰি থাকে। যোৱা তুমি সেই ঠাই বিচাৰি যোৱা আৰু " এমাও " বা বাখৰৰ বীজ আ'ন আকৌ এই ঠাইতে মোৰ লগত দেখা দিবা। মই তেতিয়া তোমাক জৌ বা মদ কেনেকৈ তৈয়াৰ কৰিব লাগে কৈ দিম। বুঢ়াই সাধুজনৰপৰা বিদায় লৈ বুঢ়ীক সকলো কথা কলে আৰু 'এমাও' বা বাখৰৰ বীজ বিচাৰি যাবলৈ প্ৰস্তুত হ'ল। বুঢ়াই আকৌ চাউলৰ টোপোলা, এডাল টোকন লৈ পাগুৰি মাৰি কঁকাল বান্ধি 'এমাও'ৰ বীজ বিচাৰি ওলাই গ'ল।

সাধু পুৰুষজনে কৈ দিয়া মতে বুঢ়াই ভীষণ অৰণ্যৰ মাজেদি অতি কষ্টেৰে খোজ কাঢ়ি গৈ সেই ঠাই বিচাৰি উলিয়ালে। বুঢ়াই ঠাইৰ সৌন্দৰ্য্য দেখি মুগ্ধ হ'ল আৰু সেই বিৰাট গছৰ খোন্দৰ পৰা বাখৰ বা এমাওৰ বীজ উলিয়াই লৈ ঘৰ মুৱা হ'ল। ঘৰলৈ উভটি অহা মাত্ৰকে বুঢ়াই বুঢ়ীক সকলো কথা কৈ সাধু পুৰুষজনক দেখা কৰিবলৈ যাত্ৰা কৰিলে।

নিৰ্দ্দিষ্ট ঠাইত সাধু পুৰুষজনক দেখা পাই বুঢ়াই সেৱা জনাই কলে,— " প্ৰভু, আপুনি কৈ দিয়া মতে বহু কষ্ট কৰি সেই বস্তুটো সংগ্ৰহ কৰি আনিলোঁ। আপুনি কৃপা কৰি এতিয়া কেনেকৈ জৌ বা মদ্য তৈয়াৰ কৰিব লাগে কৈ দিলে কৃতাৰ্থ হম।" সাধুপুৰুষজনে বস্তুটো দেখা পাই সন্তুষ্ট হৈ কলে,—' বোপা, তুমি যে ইমান কষ্ট কৰি বস্তুটো সংগ্ৰহ কৰি আনিছা তাৰ বাবে সন্তোষ পাইছোঁ। এতিয়া মন দি শুনি যোৱা। মদ তৈয়াৰ কৰাৰ আগতে হাফলুৰ পৰা পবিত্ৰ মাটি, নিজৰাৰপৰা পবিত্ৰ পানী লৈ গোবৰেৰে সকলো ঘৰ লেপিবা। পুৰণি ক'লা হাড়ী উলিয়াই নতুন হাড়ী বহুৱাবা আৰু কাপোৰ কানি যি আছে সকলো ধুই ৰ'দত মেলি দিবা। এমাও বা বাখৰৰ যি বীজ সংগ্ৰহ কৰি আনিছা সেই বীজৰ লগত চাউলৰ গুড়া, কঠাল আৰু আগেচিতাৰ পাত মিহলাই বাখৰ বা এমাও তৈয়াৰ কৰি লবা। তাৰ পাচত তোমাৰ বুঢ়ীয়ে খুন্দা আকাড়া চাউলেদি দক্ষিণপিনে মুখ কৰি এটা নতুন ডাঙৰ চৰুত ভাত ৰান্ধিবা। ভাত ৰন্ধা হলে এখন নতুন ডাঙৰ গোল ডলাত সেই ভাত উলিয়াই লৈ তাৰ লগত দুই-তিনিটা বাখৰৰ গুড়া ভালদৰে মিহলাই দিবা। তাৰ পাচত ডাঙৰ ডাঙৰ ডলাত কল পাত দি তাৰ ওপৰত এই ভাত ৰাখি দুই তিনি দিন মান থৈ দিবা। যেতিয়া ৰস ওলাব তেতিয়া জঙ্গা বা এটা ডাঙৰ মুটকী বা ডাঙৰ মাটিৰ হাড়ীত ভৰাই ভালকৈ বান্ধি থ'বা। এই হব আচল " গড় " বা ঘাই জৌ বা মদ্য। এই হাড়ীটো অতি যতনে ৰাখি থবা। তাৰ পাচত যিমান পাৰা ডাঙৰ সৰু হাড়ীত বাহিৰা জৌ বা মদ ৰান্ধি থবা। এই গড় আৰু বাহিৰা মদ ৰন্ধা হৈ গলে তুমি আকৌ লগ ধৰিবা। তেতিয়া মই তোমাক কেনেকৈ বাথৌ পাতি খেৰাই পূজা কৰিব লাগে সকলো কৈ দিম।" বুঢ়াই সাধুজনৰপৰা বিদায় লৈ আহি ঘৰত বুঢ়ীক সকলো কথা কলে আৰু সাধুজনে কৈ দিয়া মতে জৌ বা মদ্য ৰান্ধিবলৈ ধৰিলে।

এইদৰে মদ তৈয়াৰ কৰাৰ কিছুদিন পাচত বুঢ়াই আকৌ সাধুজনক লগ ধৰিবলৈ গ'ল। সাধুজনে তেতিয়া বাথৌ তত্ব আৰু বাথৌ পাতি খেৰাই পূজা কেনেকৈ কৰিব লাগে সকলো বিশেষ ভাবে কৈ দিলে আৰু বাথৌ কেনেকৈ বন্দনা কৰিব লাগে তাকো ভালকৈ কৈ দিলে। সাধুজনে আৰু কলে,—" শুনা, শুনা মোৰ প্ৰিয় বড়ো সন্তান শুনা—বাথৌৰ বাৰ্হ পাচোটা; শিজু গছৰ শিৰ পাচোটা; বড়োৰ কথা পাচোটা; মাজত পুতিবা শিজু গছ; সমুখত গাৰিবা তিনিটা গাছা; চাৰিওপিনে গাৰিবা ন'জোৰা বাঁহৰ খুটি;—খুটিত মেৰাই দিবা পাচোটা বাঁহৰ বন্ধন। আগ ভাগত পাতি দিবা পাচোটা পাত্ত। উত্তৰপিনে বসুমতীৰ অৰ্থাৎ মাটিৰ বান্ধি লৈ যাবা দীঘল আলি আৰু তাত গাৰি দিবা " খাংখ্ৰা " শাৰী শাৰী। খাম (মৃদঙ্গ), চিফুং ( বাঁহী ), জথা ( কৰতাল ) আৰু ঢাল-তৰোৱাল লৈ দেওধাইক বৰণ কৰি দেউৰী, গাতা উৎগাতাৰ দ্বাৰা প্ৰথমে জৌ বা মদ্য অৰ্পণ কৰি বাথৌ বন্দনা কৰিবা।" এইবুলি এটা শুভদিন নিৰ্দ্দিষ্ট কৰি এই বিলাক সকলো ব্যৱস্থা কৰি ৰাখিবলৈ বুঢ়াক সাধুজনে নিৰ্দ্দেশ দিলে আৰু বাৰ দেৱতাক লগত লৈ স্বয়ং মহাদেৱে খেৰাই পূজা খাবলৈ আহিব বুলিও আশ্বাস দি গ'ল।

বুঢ়াই গাৱঁৰ সকলোকে খেৰাইৰ সকলো লাগতিয়াল বস্তু সংগ্ৰহ কৰি নিৰ্দ্দিষ্ট দিনাখন বাথৌ পাতি খেৰাই পূজা দিবলৈ প্ৰস্তুত হ'ল। পূজাৰ দিনাখন দেৱাদিদেৱ মহাদেৱে বাৰ দেৱতাক লগত লৈ আহি বাথৌ পূজাৰ বেদীত আৱিৰ্ভূত হৈ জৌ বা মদ্য আদি প্ৰসাদ গ্ৰহণ কৰি খেৰাই অভিনয় কৰি দেখুৱাই বড়ো সন্তান সকলক আশীৰ্ব্বাদ দি আকৌ অন্তৰ্দ্ধান হৈ যায়।

এইদৰে বড়ো সন্তান সকলে স্মৰণাতীত কালৰপৰা বাথৌ পাতি খেৰাই পূজা দি প্ৰসন্ন ভাৱে দেৱাদিদেৱ মহাদেৱৰ পূজা অৰ্চ্চনা কৰি আহিছে আৰু অতি উৎকৃষ্ট ধৰণৰ মদ তৈয়াৰ কৰাৰ তথ্য জানি আহিছে। এইয়ে হ'ল বাথৌ আৰু খেৰাই পূজাৰ আদি কথা।

# ভাষাৰ ঐক্য

শ্ৰীযুক্ত বসন্তকান্ত বৰকাকতী।

মানুহ জাতিৰ মাজত ভাষাৰ ঐক্যৰ সমান বৃহৎ ঐক্য নাই! আজি পৃথিবীত দেশ বিদেশৰ বিভিন্ন ভাব গুচাই " One world " " এক জগৎ " কৰাৰ স্বপ্নয়ো দেখা দিছেহি মানুহৰ চিন্তা-ৰাজ্যত। পৃথিবীত যদি মানুহ জাতিৰ ভাষা কেৱল একেটা মাথোন হ'ল হেঁতেন, তেন্তে এই স্বপ্ন সোনকালে দিঠকত ফলিয়াবলৈ হয়তো বৰ সুগম হ'ল হেঁতেন। কিন্তু এই তৃণ-তৰু লতা-গুল্ম-গিৰি-নদী-সৰোবৰৰ বিচিত্ৰ বেশেৰে পৰিশোভিতা এই বিচিত্ৰ ধৰিত্ৰীখন বহু ভাষা, বহু ধৰ্ম্ম, বহু সংস্কৃতি আদি বহু বহু-লতাৰে পৰিপূৰ্ণ। গতিকে আজি জগতৰ ঐক্য সাধনাৰ সমস্যাটো হৈছে— পাৰ্থক্যবোৰো স্বীকাৰ কৰি লৈ বহুৰ মাজত একৰ; বিভেদৰ মাজত ঐক্য সাধনৰহে;— ( Unity in diversity ) কাৰো পাৰ্থক্য, কাৰো ব্যক্তিত্ব ধ্বংস কৰি, একাকাৰ কৰি ঐক্য কৰাটো নহয়।

সকলো মানুহৰতো নাক, মুখ, চকু, হাত ভৰি প্ৰায় একেই, মানুহৰ বেলেগ হৈছে ঘাইকৈ ভাষা সংস্কৃতি লৈহে। অসমীয়া আৰু অনা অসমীয়া একজনৰ বিভিন্নতাটো ভাষা লৈয়ে নহয় জানো? অকল মানুহ কিয়, ইতৰ প্ৰাণীৰ মাজতো আকৃতি প্ৰকৃতিৰ বাজেও, এই ভাষাৰ ঐক্যই সিহঁতৰ জাতীয়ত্বৰ এটা প্ৰধান পৰিচয়। কাউৰী আৰু কুলি চৰাই দেখোঁতে অবিকল একেই, — সিহঁতৰ ভাষাৰ অৰ্থাৎ সিহঁতৰ মাতৰ পৰাহে চিনিব পাৰি, কাউৰীক কাউৰী বুলি, কুলিক কুলি বুলি। কাউৰীয়ে 'কা' 'কা' কৰে, কুলিয়ে 'কুউ' 'কুউ' কৰে। এই দৰে মাত মতা সকলো প্ৰাণীয়েই সিহঁতৰ মাতটোৰ দ্বাৰা ( অৰ্থাৎ ভাষাৰ দ্বাৰা ) সিহঁতৰ এক জাতীয়ত্বৰ পৰিচয় দিয়ে। গতিকে মানুহৰো কোন এটা জাতিৰ একত্বৰ ঘাই সূত্ৰ ডালি যে সেই জাতিৰ জাতীয় ভাষাহে সি জল্ জল্ পট্ পট্।

* * *

আজি সমগ্ৰ ইউৰোপত ক'ব লাগিলে ধৰ্ম্ম একেটাই— খৃষ্ট ধৰ্ম্ম। ইউৰোপৰ ইংৰাজ, ফৰাচী, জাৰ্ম্মান, পৰ্তুগীজ আদি সকলো জাতীয়ে পৰস্পৰে পৰস্পৰৰ লগত খোৱা বোৱা কৰে ( Inter dine ) আৰু পৰস্পৰে পৰস্পৰৰ লগত বিয়া বাৰুও কৰায় (Inter marriage) আৰু ক'ব লাগিলে গোটেই ইউৰোপত একেটাই— ৰোমান আখৰ ( Roman character )। তথাপি ইউৰোপখন এটা জাতি ( Nation ) হোৱা নাই; ইউৰোপত জাতি গঠন হৈছে ঘাইকৈ ভাষাৰ সূত্ৰ ধৰিহে, — যেনে ইংৰাজ, ফৰাচী, পৰ্তুগীজ, জাৰ্ম্মান, চুইচ ( অৱশ্যে চুইজাৰলেণ্ডত তিনিটা ভাষা— বোধ হয় একে Stock অৰে )—গ্ৰীক, ইটালীয়, পলিছ ( Polish ) প্ৰভৃতি। আমাৰ ভাৰতবৰ্ষকো একৰকম এখন মহাদেশকে ( Continent ) বুলিব পাৰি। আন পক্ষে ভাষা ধৰ্ম্ম সকলোতে ইউৰোপ এখন মহাদেশ হৈয়ো যিমান Homogeneous ঐক্যসূচক ভাৰতবৰ্ষ দেশ হৈয়ো সিমান Heterogeneous বিভেদ



সূচক হে। গতিকে ভাৰতবৰ্ষৰ অসমীয়া, বঙ্গালী, বিহাৰী, মাদ্ৰাজী, গুজৰাটী, পাঞ্জাবীক ভাষামতে একোটা সুকীয়া Nation জাতি বুলিয়েই ধৰিব পাৰি। কংগ্ৰেছে আজি সমস্ত ভাৰতবৰ্ষকে এটা ভাৰতীয় জাতি ( Indian Nation ) বুলি ধৰাৰ ডাঙৰ ঐক্য সূত্ৰটো হৈছে—ভাৰতবৰ্ষৰ আৰ্য্য অনাৰ্য্য সংমিশ্ৰনত উদ্ভৱ হোৱা এটা মহান সংস্কৃতিৰ যোগ ( A great cultural unity)— আৰু সৰহ ভাগ ভাৰতীয় ভাষাৰে মূল হৈছে ভাৰতৰ মূল ভাষা সংস্কৃত বা সংস্কৃত মূলক ভাষা। এই কাৰণেই পাকিস্থানৰ দ্বিজাতি তত্ত্ব ( Two nati n theory ) যুক্তিত নিটিকে গৈ। কাৰণ এটা জাতি জাতি হবলৈ প্ৰধান উপাদান কেইটা হৈছে (১) ভৌগলিক ঐক্য ( Geographical unity ) (২) ভাষাগত আৰু সাংস্কৃতিক ঐক্য ( Lirguistic & cultural unity) আৰু অৰ্থনৈতিক ঐক্য ( Econcmical unity )। ভাৰতৰ মুছলমান সকলে সুকীয়া এটা জাতি বোলাবলৈ উক্ত উপদানৰ এটা উপদানো তেওঁলোকলৈ সুকীয়াকৈ থকা নাই — সুকীয়াত্বৰ ভিতৰত কেৱল তেওঁলোকৰ ধৰ্ম্ম বা ধৰ্ম্মপদ্ধতিটিহে যি সুকীয়া হৈ আছে। একজন অসমীয়া মুছলমানৰ মাতৃভাষা অসমীয়া, বঙ্গালী মুছলমানৰ মাতৃভাষা বঙ্গলা, বিহাৰী, গুজৰাটী মুছলমানৰ মাতৃভাষা বিহাৰী গুজৰাটী। গতিকে ভাষা হিচাপে ভাৰতৰ সৰহ ভাগ মুছলমানৰে বুঢ়ীমাক ( Grand mother ) সংস্কৃতহে, আৰবী নহয়। আৰবী তেওঁলোকৰ শাস্ত্ৰৰহে ভাষা। আশাকৰোঁ এই কথাত কোনো মুছলমান ভাই বিটুষ্ট নহয়। তেওঁলোক আমাৰে সৈতে ভাষা হিচাপে একে বুঢ়ী আইৰে নাতি বুলি কোৱাত তেওঁলোক যে প্ৰকৃত পক্ষে আমাৰ আপোন এইটোহে বুজোৱা হৈছে।

বৰ্ত্তমান যুগত জাতীয়ত্বৰ প্ৰধান আধাৰেই হ'ল ভাষা। য'ত বিভিন্ন ভাষা তাত ধৰ্ম্ম মানসিক সংস্কৃতি, অৰ্থনৈতিক আৰু ৰাজনৈতিক সংস্থান একে হলেও সম্পূৰ্ণ ঐক্য সাধন হোৱাটো টান;— সম্পূৰ্ণ স্বজাতিবোধ একপ্ৰকাৰ অসম্ভৱ। বেলেগ বেলেগ ভাষা কোৱা একাধিক জন সমষ্টিক ৰাজনৈতিক, অৰ্থনৈতিক আৰু অন্যান্য কাৰণত যদিও এখন ৰাজ্যৰ ( State ) নাগ পাশত বান্ধিব পাৰি, তথাপি ভাষাৰ মিল নেথাকিলে সেই ৰাজ্যত কেতিয়াও প্ৰাণৰ নেৰানেপেৰা মিল নহয়।

* * *

সম্পূৰ্ণ ৰাষ্ট্ৰীয় ঐক্য স্থাপন কৰিবৰ হ'লে দেশত মাথোন এটা ভাষাকহে আশ্ৰয় দিব পাৰি;—আন বিলাকক হয় ধ্বংস কৰিব লাগিব নহয় ক্ষয়িষ্ণু কৰি ৰাখিব লাগিব। দেখা যায় গ্ৰেইট বৃটেনে তাকেই কৰিছে। স্কটলেণ্ডৰ গেলিক্ আৰু ওৱেলচৰ ওৱেলচ্ ভাষাক বিলোপৰ বাটত আগুৱাই দি তাৰ ঠাইত ইংৰাজীৰ প্ৰতিষ্ঠা কৰিছে। আৰু সেই ইংৰাজী ভাষাক আশ্ৰয় কৰিয়েই সাধিত হৈছে মহান বৃটিছ একতা। ফ্ৰান্সতো হেনো এই দৰেই দক্ষিণ ফ্ৰান্সৰ প্ৰভঁাচাল ভাষাক নিৰ্জ্জীৱ আৰু উত্তৰ পশ্চিম ফ্ৰান্সৰ ব্ৰেতঁ ভাষাক ক্ষয়িষ্ণু আৰু মৃতকল্প কৰি ফৰাচী ভাষাৰ অবিসংবাদিত প্ৰতিষ্ঠাৰে ফ্ৰান্সৰ ৰাষ্ট্ৰগত একতা স্থাপিত হৈছে। ভাষা বহুল কচ সাম্ৰাজ্যতো এইদৰেই দাঁতি কাষৰীয়া ভাষা বিলাকক পিষ্ট আৰু বিনিষ্ট কৰি দি ৰাষ্ট্ৰীয় ঐক্য সাধনৰ চেষ্টা হৈছিল, কিন্তু ৰুচত সেই চেষ্টা ব্যৰ্থ হ'ল। এসময়ত ৰাজ ভাষা ৰুচৰ হেঁচাত ৰুচিয়াত পোলীয় ভাষা, লিথুনিয়া ভাষা, লেটফিন, আমানি প্ৰভৃতি ভাষা বিলাকৰ প্ৰাণ সংশয় হৈছিল, কিন্তু

কচ সাম্ৰাজ্য পতন হৈ কচ খণ্ড বিখণ্ড হৈ যোৱাৰ লগে লগে এই ভাষা বিলাকে আকৌ মূৰ ডাঙি উঠিছে। এই ভাষা ভাষী বিলাকে নিজ নিজ ভাষাক অৱলম্বন কৰি এতিয়া স্বতন্ত্ৰ ৰাষ্ট্ৰ গঠন কৰি লৈছে। *

চোভিয়েট ৰুচিয়াৰ আৰ্হিত আমাৰ ভাৰতৰ কংগ্ৰেছেও ভাৰতক, অসম, বঙ্গ, উৎকল, বিহাৰ, সংযুক্ত প্ৰদেশ, পাঞ্জাব, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, সিন্ধু, গুজৰাট, অন্ধ্ৰ, কৰ্ণাট প্ৰভৃতি ভাষাগত প্ৰদেশ হিচাপে ভাষাৰ ভেটিত ভাগ কৰিছিল। এখন এখন প্ৰদেশত এটা এটা ভাষা ; - এটা এটা ভাষা লৈ একোটা স্বতন্ত্ৰ জাতি। কিন্তু সকলোৰেই সৌৰ মণ্ডলৰ পৃথিৱী, মঙ্গল, বুধ, শুক্ৰ আদি গ্ৰহৰ দৰে ভাৰত সৌৰ মণ্ডলৰ অন্তৰ্গত ;— সকলোৰে প্ৰাদেশিক সত্বা, সংস্কৃতি বা সভ্যতা সেই প্ৰাচীন ভাৰতীয় সাৰ্ব্বভৌম সত্বা বা সভ্যতাৰ ওপৰতে প্ৰতিষ্ঠিত ; সেই ভাৰত ৰশ্মিতে সকলো সঞ্জীৱিত আৰু উদ্ভাষিত।

সেই দেখি ভাৰতবৰ্ষৰ এটা উমৈহতীয়া ৰাষ্ট্ৰভাষা কৰিব লগা হৈছে "হিন্দি"কে (Lingua Franca) সৰহ সংখ্যক ভাৰতীয়ৰ মাজত প্ৰচলন বুলি। কোনো কোনোৰ মতে আন প্ৰাদেশিক ভাষা বিলাক একেবাৰেই গুচাই দি একমাত্ৰ হিন্দিকে ভাৰতৰ ভাষা কৰিব লাগে। কিন্তু সেইটো জানো সম্ভৱ ? সেইটো কৰিবলৈ কোন আগ বাঢ়িব ? ৰবীন্দ্ৰ নাথ, শৰৎ চাটাৰ্জীৰ বঙ্গ ভাষাই কিয় আত্ম বিলোপ কৰি তুলসী দাসৰ হিন্দিকে সাৱটি ধৰিব ? আৰু আমাৰ মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰ দেৱৰ অসমীয়া ভাষাই কিয় ইমান দিন লেলাই ধেন্দাই জীয়াই থাকি অৱশেষত অকস্মাৎ আত্মহত্যা কৰিবলৈ প্ৰস্তুত হব ?

( ক্ৰমশঃ )

# ৺দণ্ডিনাথ কলিতা

**শ্ৰীযুক্ত মহাদেৱ শৰ্ম্মা।**

স্বৰ্গীয় দণ্ডিনাথ কলিতা মোৰ সহকৰ্ম্মী বন্ধু আছিল। বয়সত মোতকৈ ছুবছৰ মানৰ সৰু। পাঠ্যাৱস্থাত তেওঁৰ লগত মোৰ ঘনিষ্ঠতা হবৰ সুযোগ হোৱা নাছিল। মোৰ এবছৰৰ পিচতে তেওঁ হাইস্কুলৰ চাকৰিত সোমায়। তেতিয়াৰপৰাই তেওঁৰ লগত মোৰ ঘনিষ্ঠতা আৰম্ভ হয়। তেওঁ মোক 'দাদা' বুলি মাতিছিল। মই তুমি তোমা কৰিয়েই যদিও মাতিছিলোঁ। তেওঁৰ প্ৰতি মোৰ শ্ৰদ্ধা আছিল। সেই শ্ৰদ্ধাৰ হেতু আছিল তেওঁৰ জ্ঞানৰ প্ৰতি থকা ৰাপ দেখি, সাহিত্যত বিশেষতঃ হাস্যৰসৰ কবিতা লিখাত তেওঁৰ হাত দেখি। তেওঁৰ ব্যঙ্গ কবিতাবোৰৰ উদ্দেশ্য কাকো আঘাত দিয়া নহয় -ভ্ৰান্তি পথত আলোক সম্পাতৰ দ্বাৰা চলিত সমাজত থকা কলুষযুক্ত ৰীতি-নীতিৰ প্ৰতি দৃষ্টি আকৰ্ষণক্ৰমে সংশোধনৰহে প্ৰয়াস। কলিতাদেৱৰ মনোভাব সদায় সংস্কাৰ প্ৰয়াসী আছিল। সমাজ সংস্কাৰ বিষয়ত কলিতাদেৱৰ মনোভাব "মেধি তীৰ্থলৈ যায়" নামৰ কবিতাত আভাষ পোৱা যায়।

চাকৰিয়াল জীৱনত স্কুল ছুটীৰ পিচত প্ৰায়ে কলিতাদেৱৰ ভাড়া কৰি লোৱা ঘৰত বহি কথা পাতোঁ। আমাৰ আন এজন লগৰীয়া সাহিত্যিক বন্ধু শ্ৰীযুত বেণুধৰ দাস। এখেতৰ সাহিত্য প্ৰতিভা যথেষ্ট হলেও তেওঁ সততে প্ৰকাশ বিমুখ। তেওঁৰ মতে যধে-মধে সকলো কথা প্ৰকাশ কৰা বেয়া। ছাত্ৰাৱস্থাত তেওঁ লিখা নল-দময়ন্তি নাটকত 'বিদুষকৰ' ভাও লৈছিলোঁ। কিন্তু তেওঁ সেই হাতে লিখা কিতাপবোৰ আজিও প্ৰকাশ নকৰিলে। কলিতাদেৱেও তেওঁৰ এই মনোভাবৰ বিপক্ষে মোৰ লগত সদায় "হয়ভৰ" দিছিল।

মৃত্যুৰ অলপ আগতে কলিতাদেৱে নিজৰ ছন্দ জীৱনটোকা এটা লিখাই থৈ গৈছে। কোনোবা কাকতত সি প্ৰকাশ পাব। দেখা যায় কলিতাদেৱ সৰু কালতে দুখীয়া অৱস্থাৰ মাজতে ডাঙৰ দীঘল হৈছিল। নিজ প্ৰতিভাৰ বলত নিম্ন প্ৰাইমাৰী খাপৰপৰা এণ্ট্ৰেন্স পৰীক্ষালৈকে বৃত্তি পাই পঢ়িছিল। বহুতো সদাশয় লোকৰ সহায়ত কলেজত পঢ়িলে। আই, এ পাছ কৰাৰ পিচত বি, এ পঢ়াও অতি কষ্টৰ মাজেদিয়েই হৈছিল। দুৰ্ভাগ্যৰ কথা যে সংস্কৃতত অনাৰ্চ পালেও দৰ্শন শাস্ত্ৰত গোটাদিয়েক নম্বৰত ফেইল হোৱা বাবে বি, এ, পাছ কৰা নহল। তেতিয়াৰ দিনৰ অস্থায়ী ভাবে দিয়া সুযোগত মোৰ লগত তেওঁ হাইস্কুলৰ চাকৰিত সোমাল। সৰ্ত্ত অনুযায়ী এল, টি, ডিগ্ৰী বা বি, এ, পাছ কৰিলেহে চাকৰিত উন্নতি হবৰ যি কথা আছিল সেই মতে তেওঁ ঢাকাত এল, টি, পঢ়িবলৈ গৈছিল যদিও কৃতকাৰ্য্য হ'ব নোৱাৰিলে। তথাপি শিক্ষা বিভাগে পিচলৈ সেই সৰ্ত্ত ঢিলা কৰি দি তেওঁক সেই 'গ্ৰেদৰ' উচ্চতম হাৰতে দৰ্ম্মহা দিছিল, কাৰণ শিক্ষকতা কাৰ্য্যত তেওঁৰ যোগ্যতা যথেষ্ট পৰিমাণ আছিল।

চাকৰিয়াল হলেও যিখিনি সম্ভৱপৰ সেই মতে ৰাজহুৱা কামতো কলিতাদেৱে যোগ দিছিল। অ, ভা, উ, সা সভাৰ প্ৰতিষ্ঠিত বাণ থিয়েটাৰ পাৰ্টিৰ, তথা অ, ভা, উ, সা, সভাৰ সদায়েই তেওঁ সক্ৰিয় সভ্য আছিল আৰু ১৯৫২ চনৰ পৰা সেই সভাৰ সভাপতি আছিল। নিজ চেষ্টাৰে তেজপুৰত ছাত্ৰ সকলৰ মাজত 'পাৰিজাত সঙ্ঘ' নাম দি এটি লগতিয়াল অনুষ্ঠান গঢ়ি তুলি সেই সঙ্ঘৰ গুৰি ধৰিছিল। সেই সঙ্ঘই সাহিত্য চৰ্চ্চাৰ উপৰিত 'সমাজ সেৱা' ভাব আদৰ্শৰূপে লৈ কাম কৰিছিল। 'শঙ্কৰদেৱ সঙ্ঘৰ' তেওঁ স্থায়ী সভাপতি আছিল। এই সঙ্ঘৰ যোগে ছাত্ৰসকলে জীৱন গঢ়ি তুলিবলৈ বহুতো সমল আৰু নানা ভাবৰ উদগনি পাইছিল। সাহিত্য ক্ষেত্ৰত কলিতাদেৱৰ প্ৰতিভা বহুমুখী ভাবেই প্ৰকাশ পাইছিল। হাস্যৰস আৰু ব্যঙ্গ কবিতাত তেওঁ 'বেজবৰুৱাৰ' পিচতে বুলিলে অত্যুক্তি নহয়। তেনে ধৰণৰ কৱিতা আমাৰ সাহিত্যত আজিও বিৰল। ৰহঘৰা, ৰগৰ আৰু বহুৰূপীত তেওঁৰ সংস্কাৰ প্ৰয়াসতো সংযম দেখা যায়। উগ্ৰভাবে আক্ৰমণৰ তেওঁ বিৰোধী আছিল। সাহিত্য ক্ষেত্ৰৰ বিভিন্ন ভাগত তেওঁৰ অবদান এইদৰে ; যেনে উপন্যাস ৭ খন ; নাটক ৮ খন ; শিশুপাঠ্য ২ খন ; স্কুল পাঠ্য ৪ খন ; কাব্য আৰু কবিতা পুথি ৭ খন ; গল্প ১১ খন ( ইয়াৰ ভিতৰত ৫ খন সংস্কৃত নাটকৰপৰা লোৱা গল্পাংশ ) জীৱনী ৪ খন মুঠ ৪৩ খন। ইয়াৰ ভিতৰত ১২ খন কিতাপ এতিয়াও

* ডাঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ "জাতি সংস্কৃতি ও সাহিত্য" গ্ৰন্থ দ্ৰষ্টব্য।

অপ্ৰকাশিত। আৰ্থিক স্বচ্ছলতা লাভৰ কাৰণে কলিতাদেৱে সাহিত্য সেৱা কৰা নাছিল। কিতাপ প্ৰকাশত তেওঁৰ এটা ৰাপ আছিল। লাভ-লোকচানৰ খতিয়ন কৰিলে তেওঁ ইমানখিনি কিতাপ প্ৰকাশ কৰিব নোৱাৰিলেহেঁতেন। ইয়াৰপৰা তেওঁৰ যে বৰ: আৰ্থিক ক্ষতিস্বৰূপ ঋণগ্ৰস্ত হব লগাত পৰিছিল সেইটো খাতাংভাবেই আমি জানোঁ।

সভা সমিতিৰ যোগে তেওঁৰ এক শ্ৰদ্ধা জ্ঞাপন প্ৰসঙ্গত কোৱা কথা আৰু প্ৰস্তাব অতি সত্য যে তেওঁৰ বিয়োগত এটি অপূৰণীয় ক্ষতি হ'ল। হাস্যৰসৰ, ব্যঙ্গ কৱিতাৰ যোগে দেশক, সমাজক সংস্কৃত কৰিবৰ চেষ্টা আৰু কোনে কৰিব?

সামাজিক সকলো ক্ষেত্ৰত তেওঁৰ স্বভাব আছিল নিয়মীয়া। উগ্ৰতা কোনো ক্ষেত্ৰতে তেওঁ পছন্দ কৰা নাছিল। তেওঁৰ সদা হাস্যমুখ আজিও মনত পৰি অন্তৰত দুখ অনুভৱ কৰোঁ। "দাদাৰ" ওচৰত তেওঁৰ মনৰ দুৱাৰ সদায় মুকলি! শেষ দেখা ডিব্ৰুগড়ৰ ৰোগ্য শয্যাত! সেই দিনাও কত প্ৰাণ খোলা কথা!

নিয়মীয়া, খুহুতীয়া কথাৰ ৰসিক, দেশ প্ৰেমিক, সাহিত্যসেৱী এই কলিতাদেৱৰ প্ৰিয় কাম সাহিত্য প্ৰচাৰ হিচাপে তেওঁ এৰি থৈ যোৱা অপ্ৰকাশিত কিতাপ কেইখন প্ৰকাশৰ দিহা কৰিব পাৰিলেহে তেওঁৰ প্ৰতি যথেষ্ট শ্ৰদ্ধা জ্ঞাপন কৰা হব।

# অসম সাহিত্য সভাৰ বাহিৰে ভিতৰে।

**শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা।**

## নতুন কাৰ্য্যনিৰ্ব্বাহক সভাৰ

## ১ম অধিৱেশন

**স্থান:— যোৰহাট চন্দ্ৰকান্ত সন্দিকৈ হল ২-১-৫৫।**

উপস্থিত সভ্যসকল:— শ্ৰীযুতা নলিনী বালা দেৱী—সভানেত্ৰী, শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা—সম্পাদক, শ্ৰীযুত (সকল) ৰুকণাধৰ বৰুৱা, আনন্দচন্দ্ৰ বৰুৱা, অশ্বিনী চৰণ চৌধুৰী, ভবানন্দ ৰাজখোৱা, দেৱেন্দ্ৰচন্দ্ৰ দাস, হেমবৰুৱা, শিৱপ্ৰসাদ বৰুৱা, চৈয়দ আব্দুল মালিক, বিশ্বনাথ ৰাজবংশী, শ্ৰীৰাম চন্দ্ৰ দাস, শ্ৰীমান প্ৰফুল্ল গোস্বামী, মিত্ৰদেৱ মহন্ত, প্ৰেমধৰ ৰাজখোৱা, সত্যেন্দ্ৰ নাথ শৰ্ম্মা, যতীন্দ্ৰনাথ গোস্বামী।

এই সভাত শ্ৰীযুতা নলিনী বালা দেৱীয়ে সভানেত্ৰীৰ আসন গ্ৰহণ কৰে। সেই সভাত গৃহীত সিদ্ধান্ত সমূহ:—



(১) প্ৰধান সম্পাদকৰ প্ৰস্তাৱমতে শ্ৰীযুত যতীন্দ্ৰনাথ গোস্বামীক পুনৰ সহকাৰী সম্পাদক হিচাপে যোৰহাট কাৰ্য্যালয়ত আগৰ নিচিনাকৈ কাৰ্য্য চলাই থাকিবলৈ মনোনীত কৰা হয়। দ্বিতীয় জন সহকাৰী সম্পাদক আৱশ্যক অনুসৰি ভাবি চিন্তি চাই পিচৰ সভাত লোৱা হব বুলি স্থিৰ কৰা হয়।

(২) যিহেতু অসম সাহিত্য সভা পত্ৰিকাৰ কাম অসম্পূৰ্ণ হৈ আছে সেই কাৰণে প্ৰাক্তন পত্ৰিকা সম্পাদক শ্ৰীযুত ৰজনীকান্ত দেৱ শৰ্ম্মাদেৱে অহা সংখ্যা পত্ৰিকাৰ প্ৰকাশলৈকে কাম কৰিবৰ বাবে আৰু মাঘ ফাগুনৰ ভিতৰতে কাকতখনি উলিয়াই কাম সম্পূৰ্ণ কৰিবৰ বাবে তেখেতক ভাৰ দিয়া হওক।

(৩) ভাৰত চৰকাৰৰ শিক্ষা-সচিব শ্ৰীহুমায়ুণ কবিৰৰ প্ৰস্তাৱিত গল্প কৱিতাৰ অনুবাদ সম্পৰ্কীয় আঁচনিত (D. P. I. ৰ যোগেদি পোৱা) সহযোগ কৰিবলৈ এই সভাই স্থিৰ কৰে আৰু এই সম্পৰ্কে যথাবিহিত ব্যৱস্থা লবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।

(৪) লাইব্ৰেৰীৰ সংগঠন স্কীম:- আজিৰ সভাই যোৰহাট চন্দ্ৰকান্ত ভৱনত থকা অসম সাহিত্য সভাৰ পুথি ভঁৰালটো সুপৰি-চালনাৰ অৰ্থে এখনি আঁচনি যুগুত কৰিবলৈ এই সভাৰ যোৰহাটৰ স্থানীয় সদস্য পাঁচজনক ভাৰ দিয়ে। এই পাঁচজনীয়া সমিতিৰ আহ্বায়ক হব অধ্যাপক চৈয়দ আব্দুল মালিক।

**শ্ৰীঅতুল হাজৰিকা**
যোৰহাট ২।১।৫৫।

**শ্ৰীনলিনী বালা দেৱী**
সভানেত্ৰী।

## ২য় অধিৱেশন।

**স্থান:— অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্য্যালয়**

**১৩-৩-৫৫, ১৪-৩-৫৫।**

উপস্থিত সভ্যসকল:— শ্ৰীযুতা নলিনী বালা দেৱী,—সভানেত্ৰী, শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা—প্ৰধান সম্পাদক, শ্ৰীযুত (সকল) যতীন্দ্ৰনাথ গোস্বামী, মহেশ্বৰ নেওগ, শ্ৰীৰাম চন্দ্ৰ দাস, বিশ্বনাথ ৰাজবংশী, শিৱপ্ৰসাদ বৰুৱা, পৰাগধৰ চলিহা, অশ্বিনীচৰণ চৌধুৰী, ৰুকণাধৰ বৰুৱা, মিত্ৰদেৱ মহন্ত, প্ৰেমধৰ ৰাজখোৱা, ভবানন্দ ৰাজখোৱা, হেমকান্ত বৰুৱা, দেৱেন্দ্ৰচন্দ্ৰ দাস, ৰজনীকান্ত দেৱশৰ্ম্মা, শ্ৰীমান প্ৰফুল্ল গোস্বামী, চৈয়দ আব্দুল মালিক।

বিশেষ ভাবে নিমন্ত্ৰিত:— ভূতপূৰ্ব্ব সভাপতিসকল:— শ্ৰীযুত নীলমণি ফুকন, শ্ৰীযুত ৰঘুনাথ চৌধুৰী, ডক্টৰ শ্ৰীযুত সূৰ্য্য কুমাৰ ভূঞা।

প্ৰথম দিনা সন্ধিয়া ৬ বজাৰপৰা শ্ৰীযুতা নলিনী বালা দেৱীৰ সভানেত্ৰীত্বত সভাৰ কাম আৰম্ভ হয়। জয় জয়তে অন্যতম

ভূতপূৰ্ব্ব সভাপতি জ্ঞানদাভিৰাম বৰুৱা ডাঙৰীয়াৰ মৃত্যু উপলক্ষে ২ মিনিট সময় থিয় হৈ নীৰৱ প্ৰাৰ্থনাৰে সমজুৱাসকলে এটি শোক প্ৰস্তাৱ গ্ৰহণ কৰে।

প্ৰধান সম্পাদকে ত্ৰয়োবিংশ অধিবেশনৰ আৰু নতুন বছৰৰ কাৰ্য্য-নিৰ্ব্বাহক সভাৰ প্ৰথম অধিবেশনৰ কাৰ্য্য বিবৰণী পাঠ কৰে আৰু সভাত গৃহীত হয়। ইয়াৰ পিচত নতুন বছৰৰ অসম সাহিত্য সভা পত্ৰিকাৰ বিষয়ে আলোচনা কৰা হয়। শ্ৰীযুত প্ৰেমধৰ ৰাজখোৱাই সেই সম্পৰ্কে তেখেতৰ মনোভাৱ ব্যক্ত কৰে আৰু প্ৰধান সম্পাদকে একমাত্ৰ ছাপাখানাৰ গহৰিৰ বাবেই ইমান দিনে যোৱা বছৰৰ তৃতীয় সংখ্যা পত্ৰিকা প্ৰকাশ হৈ ওলোৱাটো সম্ভৱপৰ হোৱা নাই বুলি জনায়। অহা বহাগ বিহুৰ আগতে এই সংখ্যা উলিয়াবৰ চেষ্টা কৰা হৈছে বুলি কয়। নতুন বছৰৰ বাবে পত্ৰিকা ছপোৱাৰ যাৱতীয় ব্যৱস্থা কৰিবলৈ ৰাজখোৱাক ভাৰ দিয়ে আৰু তেখেতে কাকতখিনি ছপাই বিতৰণ কৰিবৰ বাবে সভাৰ প্ৰধান কাৰ্য্যালয়ত জমা দিব লাগিব বুলি স্থিৰ কৰা হয়। নতুন বছৰৰ পত্ৰিকা বিতৰণৰ যাৱতীয় ব্যৱস্থা যোৰহাটৰ পৰাই কৰা হব।

যোৰহাটৰ কাৰ্য্যালয়ত পুথিভৰালৰ উন্নয়ন সম্পৰ্কে ছৈয়দ আব্দুল মালিক দেৱে এখনি আঁচনি দাঙি ধৰে। সেই আঁচনিৰ নীতি বা মূল কথা এই সভাই গ্ৰহণ কৰে। আঁচনিখনি পৰীক্ষা কৰি মতামত দিবলৈ এটি উপসমিতি তলত লিখা দৰে পাতি দিয়া হয়। (১) ডক্টৰ শ্ৰীযুত সূৰ্য্য কুমাৰ ভূঞা - সভাপতি। (২) শ্ৰীযুত মহেশ্বৰ নেওগ— আহ্বায়ক। (৩) শ্ৰীযুত নীলমণি ফুকন (৪) অধ্যক্ষ শ্ৰীযুত হেম বৰুৱা। এই পুথি ভৰালত সাচিপতীয়া পুথি অথবা তাৰ স্বীকৃত কপি ৰাখিবৰ ব্যৱস্থা কৰিবৰ বাবে শ্ৰীযুত মিত্ৰদেৱ মহন্তই অনুৰোধ কৰে।

শ্ৰীযুত বিশ্বনাথ ৰাজবংশীয়ে কাছাৰ জিলাত অসমীয়া শিক্ষকৰ বাবে আবেদন জনায়। এই সভাই সেই জিলালৈ শিক্ষক পঠাবলৈ সম্পাদকক ভাৰ দিয়ে। শিক্ষকৰ যোৱা অহা খৰচ আৰু এই সম্পৰ্কীয় আন খৰচৰ বাবে পাঁচশ টকা মঞ্জুৰ কৰে। শ্ৰীযুত নীলমণি ফুকন, শ্ৰীমান প্ৰফুল্ল গোস্বামী, আৰু প্ৰধান সম্পাদক যথা সম্ভৱ শীঘ্ৰে কাছাৰ জিলাত ভ্ৰমণ কৰি সেই জিলাত শিক্ষা আৰু সংস্কৃতিমূলক সমস্যাবোৰ অধ্যয়ন কৰিবলৈ ভাৰ দিয়ে।

সম্পাদকৰ প্ৰস্তাৱমতে সভাৰপৰা চাৰিটা বছেৰেকীয়া সাহিত্য বঁটা যথাক্ৰমে আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আৰু আনন্দৰাম বৰুৱাৰ নামত সৃষ্টি কৰিবলৈ স্থিৰ কৰা হয়। এই বঁটা কেইটাৰ বাবে উপন্যাস, নাটক, চুটি গল্প আৰু চিন্তাশীল গধুৰ প্ৰৱন্ধৰ পুথি আহ্বান কৰিবলৈ সম্পাদকক ভাৰ দিয়া হয়। প্ৰতিটো বঁটাৰ মূল্য হব দুশ টকা আৰু পুথি গ্ৰহণৰ শেষ দিন হব অহা বছৰৰ ৩০ চ'ত।

অসম সাহিত্য সভাৰ মূল সভাৰ ভূতপূৰ্ব্ব সভাপতিসকলৰ অভিভাষণখিনি গোটাই ভাষণাৱলী প্ৰকাশ কৰিবলৈ সম্পাদকক ভাৰ দিয়া হয়।

তলত লিখা দৰে ৰাধাকান্ত সন্দিকৈ আৰু শৰৎচন্দ্ৰ গোস্বামীৰ সোঁৱৰণী সমিতি পুনৰ গঠন কৰা হয়।

(ক) ৰাধাকান্ত সন্দিকৈৰ স্মৃতি সমিতি :—

শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা — সভাপতি,
„ অতুলচন্দ্ৰ হাজৰিকা সম্পাদক,
„ দণ্ডেশ্বৰ গগৈ।

(খ) শৰৎ চন্দ্ৰ গোস্বামীৰ স্মৃতি সমিতি :—



শ্ৰীযুত মিত্ৰদেৱ মহন্ত — সভাপতি,
ছৈয়দ আব্দুল মালিক — সম্পাদক,
শ্ৰীযুত নীলমণি ফুকন,
„ কৰুণাধৰ বৰুৱা।

এই উপ সমিতি দুটাই আৱশ্যক মতে আৰু সভ্য মনোনয়ন কৰি লব পাৰিব আৰু নিজৰ কাৰ্য্যপ্ৰণালী স্থিৰ কৰি লব।

যদি সীমা নিৰ্দ্ধাৰণ আয়োগৰপৰা অনুমতি পোৱা হয় তেন্তে অসম সাহিত্য সভাৰ পক্ষৰ পৰা এটি সঁজাতি দলে তেওঁলোকৰ আগত সাক্ষী দিবলৈ স্থিৰ কৰা হয়। এই সঁজাতি দলত থাকিব :— শ্ৰীযুতা নলিনীবালা দেৱী, শ্ৰীযুত নীলমণি ফুকন, শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা, শ্ৰীযুত মহেশ্বৰ নেওগ, শ্ৰীযুত সত্যেন্দ্ৰ নাথ শৰ্ম্মা, শ্ৰীযুত বিশ্বনাথ ৰাজবংশী, শ্ৰীযুত পৰাগধৰ চলিহা, শ্ৰীযুত হেমকান্ত বৰুৱা ( উপদেষ্টা )।

শ্ৰীযুত মহেশ্বৰ নেওগ আৰু শ্ৰীযুত সত্যেন্দ্ৰ নাথ শৰ্ম্মাদেৱক সোনকালে এখনি স্মাৰক পত্ৰ যুগুত কৰিবলৈ ভাৰ দিয়া হয়। শ্ৰীযুত নলিনী বালা দেৱীৰ নেতৃত্বত এই সঁজাতি দল পৰিচালিত হব ;

অসম সাহিত্য সভাৰ প্ৰতীক এটি যুগুত কৰি দিবলৈ তলত লিখা সদস্যসকলেৰে এটি উপ সমিতি পাতি দিয়া হয় আৰু শীঘ্ৰে এই কাম সম্পন্ন কৰিবলৈ সভাসকলক অনুৰোধ জনোৱা হয়।

শ্ৰীযুত মহেশ্বৰ নেওগ আহ্বায়ক, শ্ৰীযুত নবকান্ত বৰুৱা ; শ্ৰীযুত তৰুণ চন্দ্ৰ দুৱৰা, শ্ৰীযুত কৰুণাধৰ বৰুৱা, শ্ৰীযুত মিত্ৰদেৱ মহন্ত।

নিশা প্ৰায় দহমান বজাত সেইদিনাৰ কাম আধৰুৱা ভাবে সামৰণি মৰা হয়।

১৪-৩-৫৫ তাৰিখে পুৱা দহ বজাৰপৰা পুনৰ সভাৰ কাম আৰম্ভ কৰা হয়। সেইদিনা আগদিনা উপস্থিত থকা ভূতপূৰ্ব্ব সভাপতি এগৰাকী আৰু শ্ৰীমান প্ৰফুল্ল গোস্বামী দেৱৰ বাহিৰে আন কেইজন সদস্য উপস্থিত আছিল। সভা বহাৰ পূৰ্ব্বে অন্যতম ভূতপূৰ্ব্ব সভাপতি শ্ৰীযুত অম্বিকাগিৰি ৰায়চৌধুৰীদেৱে সভ্যসকলক উদ্দেশ্য কৰি অসমৰ সঙ্কটপূৰ্ণ অৱস্থা সম্পৰ্কে এটা আবেগময় বক্তৃতা দিয়ে।

সেইদিনা সভাৰ আৰম্ভণিতে ভাৰত চৰকাৰৰ দ্বাৰা এটি পাঁচ হেজাৰ টকীয়া বঁটাৰে পুৰস্কৃত হোৱাৰ বাবে শ্ৰীযুত যতীন্দ্ৰ নাথ দুৱৰাদেৱক সম্বৰ্দ্ধনা জনায় আৰু কবিৰ দীৰ্ঘ জীৱন কামনা কৰি এটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

অধ্যাপক আব্দুল মালিকক সিচৰতি হৈ থকা 'জিকিৰ আৰু জাৰি' গীতবোৰ সঙ্কলন আৰু সম্পাদন কৰি সভাত দিবলৈ ভাৰ দিয়া হয়। সেই সংগ্ৰহ এটি বিশেষজ্ঞ কমিটীৰ হতুৱাই পৰীক্ষা কৰাই উপযুক্ত বিবেচিত হ'লে প্ৰকাশ কৰিবলৈ সভাই সিদ্ধান্ত কৰে।

শ্ৰীশ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ দুখন গ্ৰন্থ পুনৰ প্ৰচলন কৰা সম্পৰ্কে পূৰ্ব্বৰ প্ৰস্তাৱ আৰু পুৰণি কাকত-পত্ৰ পৰীক্ষা কৰি মতামত দিবলৈ এটি সৰু সমিতি পাতি দিয়া হয়। এই সমিতিৰ সদস্যসকল হৈছে :— শ্ৰীযুত মিত্ৰদেৱ মহন্ত—আহ্বায়ক, শ্ৰীযুত ডিম্বেশ্বৰ নেওগ আৰু শ্ৰীযুত দেবেশ্বৰ শৰ্ম্মা।

শ্ৰীযুত ৰাধানাথ হাজৰিকাৰ প্ৰস্তাৱমতে "পূৰ্ণানন্দ ন্যাস সমিতি" স্থাপন কৰাটো স্থিৰ কৰা হয়। ইয়াৰ আগৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে শ্ৰীযুত ৰাধানাথ হাজৰিকাদেৱৰ প্ৰস্তাৱৰ যি সংশোধন আৰু পৰিবৰ্দ্ধন বিচাৰিছিল তেখেতে সেইখিনি মানি লোৱা

বুলি সম্পাদকে জনায়। এই সম্পৰ্কে যথাবিহিত ব্যৱস্থা লবলৈ সম্পাদকক ভাৰ দিয়া হয়।

সংবিধানৰ হিন্দী সংস্কৰণত থকা ভুল আখৰ জোটনি 'অসমিয়া' শব্দটো সংশোধন কৰি শুদ্ধ ভাবে 'অসমীয়া' কৰিবলৈ ভাৰত চৰকাৰক অনুৰোধ জনোৱা হয়।

বিত্তীয় আৰু ধনপুঁজি সম্পৰ্কে তলত সিদ্ধান্তবোৰ গ্ৰহণ কৰা হয়:

(ক) চন্দ্ৰকান্ত মেমৰিয়েল ন্যাস পুঁজি আৰু কমলা দেৱীৰ ন্যাস পুঁজিৰ বেঙ্কত লুপ্ত হোৱা ধন পুনৰ উদ্ধাৰ হোৱাত আনন্দ প্ৰকাশ কৰা হয়। বিশেষ অৱস্থাৰ কাৰণে এই পুঁজি দুটাৰ ধন যোৰহাট এপেক্স বেঙ্কত শ্ৰীযুত যতীন্দ্ৰনাথ গোস্বামীয়ে জমা থব লগীয়া হোৱাত সভাই সেই কাৰ্য্যত সমৰ্থন জনায় আৰু সেই টকা এবছৰৰ পিচত তুলি ডাক ঘৰলৈ আনিবলৈ স্থিৰ কৰে। কমলা দেৱীৰ পুঁজিত আৰু ১৫০৲ (এশ পঞ্চাশ) টকা জমা দি পূৰ্ব্বৰ দুহেজাৰ টকাৰ পুঁজি অক্ষুণ্ণ ৰাখিবলৈ সম্পাদকক ভাৰ দিয়ে।

(খ) আজীৱন সভ্যৰ পুঁজিৰ টকা গুৱাহাটী বেঙ্কৰপৰা পুনৰ উদ্ধাৰ হলে তাৰে পোষ্টেল চাৰ্টিফিকেট কিনিবলৈ অথবা ইম্পিৰিয়েল বেঙ্কত য'তে বেছি লাভজনক তাতে থবলৈ সম্পাদকক ভাৰ দিয়ে।

(গ) ৯ ছেপ্তেম্বৰৰ দিনা চন্দ্ৰকান্ত স্মৃতিৰ উদ্দেশ্যে খৰচ কৰিবলৈ পঞ্চাশ টকা মঞ্জুৰ কৰা হয়।

(ঘ) কাৰ্য্যনিৰ্ব্বাহক সভাৰ সদস্য বা আন কোনো লোকে সভাৰ কামত ভ্ৰমণ কৰিব লগীয়া হলে আগৰ বছৰৰ ভ্ৰমণ বানচকে বাহাল ৰাখে কিন্তু ইণ্টাৰ ১½ ভাগৰ সলনি ১¼ ভাগ গাড়ী ভাড়াৰ নিৰিখ ধাৰ্য্য কৰা হয়। মূল কাৰ্যালয়ৰ ফুলনি আদিৰ বাবে এই বছৰ ২৫০৲ (দুশ পঞ্চাশ) টকা মঞ্জুৰ কৰা হয়।

(ঙ) সভাৰ ছপা যন্ত্ৰটো ভাল কৰিবলৈ আৱশ্যকীয় টকা মঞ্জুৰ কৰা হয়।

(চ) ত্ৰিশ হেজাৰ টকাৰ পুঁজি এটাৰ কাৰণে চৰকাৰক খাটনি ধৰিবলৈ সম্পাদকক ভাৰ দিয়া হয়।

সাপেখাটী শাখা সভাৰ প্ৰস্তাৱমতে বিশ্ব ৰাষ্ট্ৰসঙ্ঘৰ কাৰণে আৱশ্যক হলে তলত লিখা লোকসকলক অসমীয়া পুথি বাছি দিবলৈ মনোনীত কৰা হয়।

অধ্যক্ষ শ্ৰীযুত হেম বৰুৱা, অধ্যাপক শ্ৰীযুত উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, অধ্যাপক শ্ৰীযুত মহেশ্বৰ নেওগ।

আৱশ্যকমতে যি কোনো লোকক শাখা সভা স্থাপন কৰিবলৈ আৰু প্ৰচাৰৰ কাৰণে পঠাবলৈ সম্পাদকক ক্ষমতা দিয়া হয়।

কাছাৰ জিলাৰ " যুগ শক্তি " কাকতত প্ৰকাশ হোৱা সাহিত্য সভাৰ যোৰহাট অধিবেশনৰ বিৰূপ সমালোচনাৰে পূৰ্ণ সম্পাদকীয় প্ৰবন্ধ আৰু যোৰহাটৰ " জন্মভূমি'ত ওলোৱা শ্ৰীযুত মোহন চন্দ্ৰ মহন্তই শ্লেষপূৰ্ণ ভাষাৰে লিখা যোৰহাট অধিৱেশনৰ বিষয় বাছনি সভাৰ বিৱৰণ পাঠ কৰা হয় আৰু আলোচনা কৰি তলত লিখা সিদ্ধান্ত লোৱা হয়।

(ক) " যুগশক্তিৰ সম্পাদকীয়"ৰ প্ৰত্যুত্তৰ স্বৰূপে কাৰ্যানিৰ্ব্বাহক সভাৰ ইয়াৰ পিচৰ অধিবেশন শিলচৰ কাৰ্য্যালয়ত পাতিবলৈ স্থিৰ কৰা হয়।

(খ) যোৰহাটৰ শ্ৰীযুত মোহন চন্দ্ৰ মহন্তদেৱে জনমভূমি কাকতত ( ২০ মাঘ ১৮৭৬ শক ) " অসম সাহিত্য সন্মিলনীৰ গড়গঞা মিতিৰৰ ভাও " নামৰ সম্পাদকলৈ



লিখা চিঠিখন সভাত পাঠ কৰা হয়। এই চিঠি প্ৰকাশ কৰি শ্ৰীযুত মহন্তই সাহিত্য সভাৰ নিয়মাৱলীৰ ২৭নং নিয়মমতে সাহিত্য সভাৰ বিৰুদ্ধে অপপ্ৰচাৰ, সভাৰ নীতি আৰু উদ্দেশ্য বিৰোধী বা সভাৰ মৰ্য্যদা হানিকৰ কাৰ্য্য কৰা বুলি বিবেচনা কৰা হয়। এই বিষয়ে লিখকৰ কিবা কব লগীয়া থাকিলে পোন্ধৰ দিনৰ ভিতৰত সম্পাদকক লিখি জনাবলৈ তেখেতক অনুৰোধ জনোৱা হয়। নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত সন্তোষজনক সমিধান নাপালে কাৰ্য্যনিৰ্ব্বাহক সভাৰ পিচৰ অধিবেশনত এই বিষয়ে যথোচিত ব্যৱস্থা লবলৈ স্থিৰ কৰা হয়।

কাৰ্য্যনিৰ্ব্বাহক সভাৰ কাৰ্য্যবিৱৰণীৰ একোটা নকল সভ্যসকলক দিবলৈ সম্পাদকক নিৰ্দ্দেশ দিয়া হয়।

*অতুলচন্দ্ৰ হাজৰিকা*
প্ৰধান সম্পাদক।

*নলিনী বালা দেৱী*
সভানেত্ৰী।

# বিবিধ উপসমিতি

## *প্ৰতিবেদন পৰীক্ষা সমিতি*

প্ৰথম বৈঠক। স্থান— গুৱাহাটী কাৰ্যালয়।

তাং — ৩০।১।৫৫।

উপস্থিত সভ্যসকল:—শ্ৰীযুত নীলমণি ফুকন, শ্ৰীযুত হৰিপ্ৰসাদ বৰুৱা, শ্ৰীযুত ব্ৰজেন্দ্ৰ চন্দ্ৰ দবপূজাৰী।

বিশেষভাবে নিমন্ত্ৰিত:— শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা, শ্ৰীযুত কমলেশ্বৰ চলিহা।

সৰ্ব্বসম্মতিক্ৰমে শ্ৰদ্ধেয় শ্ৰীযুত নীলমণি ফুকন ডাঙৰীয়াই সভাপতিৰ আসন গ্ৰহণ কৰাৰ পিচত নিম্নলিখিত সিদ্ধান্ত সমূহ গৃহীত কৰা হয়: প্ৰথমে শিলং অধিবেশনত গৃহীত প্ৰতিবেদন পৰীক্ষা সমিতি সম্বন্ধীয় প্ৰস্তাৱটি আলোচনাৰ কাৰণে পাঠ কৰা হয় ( অসম সাহিত্য সভাৰ দ্বাবিংশ অধিবেশনৰ গৃহীত বিশেষ প্ৰস্তাৱ )।

গৃহীত সিদ্ধান্তসমূহ:— (১) প্ৰাক্তন সম্পাদক শ্ৰীযুত কেশৱ নাৰায়ণ দত্তদেৱে বিগত প্ৰায় পোন্ধৰ মাহে, সভাৰ কাৰ্য্যকৰী সমিতিয়ে আৰু প্ৰধান সম্পাদকে নিজে কেইবাবাৰো তেখেতৰ কাৰ্য্যকালৰ প্ৰতিবেদনখন দাখিল কৰিবলৈ তাগাদা কৰা সত্বেও আজি পৰ্য্যন্ত সেই প্ৰতিবেদন দাখিল নকৰাত এই সমিতিয়ে দুঃখ প্ৰকাশ কৰে আৰু তেওঁৰ এই কাৰ্য্যৰ তীব্ৰ নিন্দা কৰে।

(২) প্ৰাক্তন সম্পাদক শ্ৰীযুত কেশৱ নাৰায়ণ দত্তৰ প্ৰতিবেদন নোপোৱাত হিচাপ পৰীক্ষকৰ প্ৰতিবেদন পাঠ কৰা হয়। পুৰণি 'কেছ বুক' আৰু হিচাপ-পত্ৰ সম্পৰ্কীয় কাগজ পত্ৰ চকু ফুৰাই চাই দেখা গ'ল যে বহুতো ক্ষেত্ৰত আসোঁৱাহ আছে আৰু সেই আসোঁৱাহ আদি সম্পৰ্কে কোনো কথা জানিবৰ কাৰণে প্ৰাক্তন সম্পাদকদ্বয় শ্ৰীযুত ডিম্বেশ্বৰ নেওগ আৰু শ্ৰীযুত মুক্তানাথ

বৰুৱাৰ সহায়ৰ আৱশ্যক হব পাৰে। হিচাপ পৰীক্ষকেও বহুত ক্ষেত্ৰত তীব্ৰ মন্তব্য প্ৰকাশ কৰিছে। গতিকে সকলো কথা হিচাপ পৰীক্ষকৰ প্ৰতিবেদন সূত্ৰত তন্ন তন্নকৈ পৰীক্ষা কৰি চাইহে সেই সম্পৰ্কে সমিতিয়ে চূড়ান্ত মতামত দিব পাৰিব। এই উদ্দেশ্যে শ্ৰীযুত নীলমণি ফুকন আৰু শ্ৰীযুত ব্ৰজেন্দ্ৰ চন্দ্ৰ বৰপূজাৰীক আৰু প্ৰধান সম্পাদক অথবা তেওঁৰ যোৰহাটৰ সহকাৰীক যোৰহাট কাৰ্য্যালয়ত সকলো কাকত পত্ৰ পৰীক্ষা কৰি এই সমিতিৰ সেই সিদ্ধান্তৰ বাবে এটা প্ৰাৰম্ভিক বিৱৰণী ( Interim Report ) যুগুত কৰিবলৈ ভাৰ দিয়া হয়। এই বিৱৰণী হাতত পৰিলে প্ৰধান সম্পাদকক এই সমিতিৰ দ্বিতীয় বৈঠক আহ্বান কৰিবলৈ অনুৰোধ কৰা হয়।

***শ্ৰীনীলমণি ফুকন***
সভাপতি।
৩০।১।৫৫।

# নিয়মাৱলী সাল-সলনি উপসমিতি

## ***গুৱাহাটী কাৰ্য্যালয়***

তাং— ১২।৩।৫৫ আৰু ১৩।৩।৫৫।

উপস্থিত সভ্যসকল :—

শ্ৰীযুতা নলিনী বালা দেৱী—সভানেত্ৰী।
শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা।
" নীলমণি ফুকন।
" পৰাগধৰ চলিহা।
" প্ৰেমধৰ ৰাজখোৱা।

যোৱা যোৰহাট অধিবেশনত গৃহীত নিয়মতন্ত্ৰ সাল সলনি সম্পৰ্কীয় ২য় প্ৰস্তাৱটো পাঠ কৰা হয়। বিভিন্ন শাখা সভাৰপৰা অহা নিয়মাৱলী সংশোধন সম্পৰ্কীয় প্ৰস্তাৱবোৰ জুকিয়াই চাই পৰ্য্যালোচনা কৰা হয়। সভ্যসকলে সৰ্ব্বসম্মতিক্ৰমে তাৰ ওপৰত যোগ বিয়োগ কৰি সংশোধিত নিয়মাৱলী যথাবিহিত কৰিবলৈ সম্পাদকৰ হাতত অৰ্পণ কৰে।

***শ্ৰীনলিনী বালা দেৱী***
সভানেত্ৰী।



# কমলাদেৱী ন্যাস সমিতিৰ

## ***দ্বিতীয় অধিবেশন***

**স্থান — যোৰহাট চন্দ্ৰকান্ত সন্দিকৈ ভৱন**

তাৰিখ—২২-৬-৫৫ সন্ধিয়া ৭ বজা।

উপস্থিত সভ্যসকল :- শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা, শ্ৰীযুত করুণাধৰ বৰুৱা, শ্ৰীযুত যতীন্দ্ৰ গোস্বামী।

সভাপতিয়ে জনায় যে ন্যাস সমিতিৰ মূল পুঁজিৰ নগদ দুহেজাৰ টকাৰ ওঠৰশ টকা মৃত যোৰহাট টাউন বেঙ্কৰপৰা উদ্ধাৰ কৰি অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সভাৰ অনুমোদন অনুসৰি অসম এপেক্স বেঙ্কৰ যোৰহাট শাখাত জমা ৰখা হয় আৰু কাৰ্য্যনিৰ্ব্বাহক সভাৰেই নিৰ্দ্দেশ অনুসৰি যোৰহাট ডাকঘৰত থকা এই পুঁজিৰ হিচাপৰপৰা দুশ টকা তুলি নি মূল পুজিৰ ওঠৰশ টকাৰ লগত জমা দি আগৰ দৰে সেই মূল পুঁজি দুহেজাৰ টকীয়া কৰি ৰখা হয়। বৰ্ত্তমানে এই পুঁজিৰ যোৰহাট ডাকঘৰত থকা ১১১১৵১০ পাইৰপৰা অনুমানিক ৫।৬ শ টকা ব্যয় কৰি এখনি সৰু লৰাৰ উপযোগী বিজ্ঞানৰ পুথি প্ৰকাশ কৰি উলিয়াবলৈ সভাপতিক ভাৰ দিয়া হয় আৰু সেই পুথিৰ প্ৰৱন্ধ আৰু লিখকসকলৰ এখনি আঁচনি যুগুত কৰা হয়।

বিষয়বোৰ হৈছে :-

১। আণৱিক শক্তি। ২। টেলিফোন।
৩। অনাতাৰ যন্ত্ৰ। ৪। ৰেল ইঞ্জিন।
৫। উৰা জাহাজ। ৬। জল বিদ্যুৎ।
৭। ছাপাখানা। ৮। বোল ছবি।
৯। বিজুলী ডাক। ১০। ৰঞ্জন ৰশ্মি।

***শ্ৰীঅতুল হাজৰিকা***
সভাপতি।
২২।৬।৫৫।

# তৰ্পণ

## ***ছৈয়দ মহম্মদ ছাদুল্লা***

**অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্য্যালয়**

সময়— সন্ধিয়া, তাং ৯-১-৫৫।

আজি গধূলি অসম সাহিত্য সভাৰ সভ্যসকল গুৱাহাটী সাহিত্য সভাৰ কাৰ্য্যালয়ত সমবেত হৈ অসম সাহিত্য সভাৰ আজীৱন সভ্য ছৈয়দ মহম্মদ ছাদুল্লা চাহাবৰ পৰলোক গমনত গভীৰ শোক প্ৰকাশ কৰে আৰু সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। সভাৰ সভাপতিৰ আসন অসম সাহিত্য সভাৰ ভূতপূৰ্ব্ব সভাপতি শ্ৰীযুত ৰঘুনাথ চৌধুৰী ডাঙৰীয়াই গ্ৰহণ কৰি মৃতকৰ গুণাৱলী সম্পৰ্কে কয় আৰু তেখেতৰ সাহিত্য

প্ৰেমৰ বিষয়ে সবিশেষ বৰ্ণনা কৰে। সভাত শ্ৰীযুত বেণুধৰ শৰ্ম্মা, অধ্যাপক শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা, শ্ৰীযুত প্ৰেমনাৰায়ণ দত্ত, শ্ৰীযুত নবেন্দ্ৰ নাথ শৰ্ম্মা আৰু শ্ৰীযুত লীলা গগৈ প্ৰভৃতি সাহিত্যিক সকলে আলোচনাত অংশ গ্ৰহণ কৰে।

**শ্ৰীৰঘুনাথ চৌধুৰী**
সভাপতি।

# দানবীৰ

## ৰাধাকান্ত সন্দিকৈৰ মৃত্যু বাৰ্ষিকী

**অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্য্যালয়**

২৬ জানুৱাৰী ১৯৫৫।

আজি গধূলি ৬ বজাত দানবীৰ ৰাধাকান্ত সন্দিকৈদেৱৰ মৃত্যু তিথি উপলক্ষে অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্য্যালয়ত দীপ মালাৰে সুসজ্জিত কৰি এখনি সভাৰ আয়োজন কৰা হয়। সাহিত্য সভাৰ স্থানীয় শাখা সৰিতা সভায়ো এই সভাত সহযোগ কৰে।

ডক্টৰ শ্ৰীযুত সূৰ্য্য কুমাৰ ভূঞা ডাঙৰীয়াই সভাপতিৰ আসন গ্ৰহণ কৰে। শ্ৰীযুত ৰঘুনাথ চৌধুৰী আৰু শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱে সন্দিকৈ ডাঙৰীয়াৰ জীৱনৰ লগত তেখেত সকলৰ ব্যক্তিগত অভিজ্ঞতাৰ কথা বৰ্ণনা কৰে। নিৰ্দ্দিষ্ট বক্তা শ্ৰীযুত লীলা গগৈয়ে সন্দিকৈদেৱৰ সাহিত্য সেৱা, দান আদিৰ বিষয়ে উল্লেখ কৰি এটি বক্তৃতা দিয়ে।

ডক্টৰ ভূঞা ডাঙৰীয়াই বিহগী কৱি চৌধুৰী ডাঙৰীয়াৰ সুৰতে সুৰ মিলায় কয় যে নিজে ডাঙৰ সাহিত্যিক নহলেও অথবা একেবাৰে কোনো সাহিত্য ৰচনা নকৰাকৈও প্ৰকৃত সাহিত্য সেৱা কৰি যাউতিযুগীয়া কীৰ্ত্তি আৰ্জ্জিব পাৰি। সন্দিকৈ ডাঙৰীয়াৰ জীৱনেই ইয়াৰ এটা কটকটীয়া প্ৰমাণ। তেখেতে সন্দিকৈ ডাঙৰীয়াৰ জীৱনৰ বহুকথা বিশেষকৈ তেখেতে কেনেকৈ পুৰাতত্ত্ব বিভাগ, সন্দিকৈ কলেজ আদিলৈ দান আগ বঢ়াইছিল আৰু তেখেতৰ সুযোগ্যা সহধৰ্ম্মিনী নাৰায়ণী সন্দিকৈ স্বামীৰ জীৱনত আদৰ্শ গৃহিনীস্বৰূপে কেনেকৈ প্ৰভাৱ বিস্তাৰ কৰিছিল সেই বিষয়ে ফঁহিয়াই কয়। ভূঞা ডাঙৰীয়াই কয় বোলে দানবীৰ সন্দিকৈদেৱৰ বদান্যতা আৰু পুণ্যস্মৃতিৰ লগত ৺নাৰায়ণী সন্দিকৈৰ নামো নিশ্চয় সংযুক্ত হৈ থাকিব লাগে। এই সভাত তলত লিখা প্ৰস্তাৱ সমূহ সৰ্ব্বসম্মতিক্ৰমে গৃহীত হয়।

(১) দানবীৰ সন্দিকৈ ডাঙৰীয়াৰ সৰু জীৱন চৰিত এখন লিখি উলিয়াবলৈ শ্ৰীযুত বেণুধৰ শৰ্ম্মা আৰু শ্ৰীযুত লীলা গগৈক অনুৰোধ জনোৱা হয়। সাহিত্য সভাৰ পক্ষৰ পৰা এই পুথি প্ৰকাশ কৰিবলৈ যত্ন কৰা হব বুলি প্ৰধান সম্পাদক অধ্যাপক শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকাই প্ৰতিশ্ৰুতি দিয়ে।

(২) গণৰাজ্য দিৱস উপলক্ষে ৰাষ্ট্ৰপতিয়ে অসম সাহিত্য সভাৰ ভূতপূৰ্ব্ব সভাপতি শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াক "পদশ্ৰী" উপাধিৰে সন্মানিত কৰাত আজিৰ সভাই গৌৰৱ অনুভৱ কৰে আৰু সন্দিকৈদেৱৰ প্ৰতি সম্বৰ্দ্ধনা আগবঢ়ায়।

(৩) অসম সাহিত্য সভাৰ আন এগৰাকী ভূতপূৰ্ব্ব সভাপতি শ্ৰীযুত ৰঘুনাথ চৌধুৰীদেৱে জীৱনৰ ৭৫ বছৰ অতিক্ৰম কৰি ৭৬ বছৰত পদাৰ্পণ কৰাত এই সভাই আনন্দ প্ৰকাশ কৰি কৱিৰ দীৰ্ঘ জীৱন কামনা কৰে। লগতে তেখেতৰ কৱিতা এটিয়ে বিশ্ব সাহিত্যত উচ্চ পৰ্য্যায়ৰ কৱিতা বুলি ঘোষিত হোৱাত চৌধুৰী ডাঙৰীয়াক এই সভাৰ পক্ষৰপৰা সম্বৰ্দ্ধনা জনোৱা হয়।



**শ্ৰীঅতুল হাজৰিকা**
প্ৰধান সম্পাদক।
১৬।১।৫৫

**শ্ৰীসূৰ্য্যকুমাৰ ভূঞা**
সভাপতি।

# স্মৃতি তৰ্পণ

## জ্ঞানদাভিৰাম বৰুৱা

**স্থান:— অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্য্যালয়**

৩০।১।৫৫

আজি ৩০ জানুৱাৰী দেওবাৰে আবেলি ৫ বজাত কুমাৰ ভাস্কৰ নাট্য মন্দিৰত স্বৰ্গীয় জ্ঞানদাভিৰাম বৰুৱা ডাঙৰীয়াৰ স্মৃতি-তৰ্পণ আগবঢ়াবলৈ অসম সাহিত্য সভাৰ উদ্যোগত এখন ৰাজহুৱা সভা পতা হয়। এই সভাত সৰিতা সভা প্ৰাগজ্যোতিষপুৰ সাহিত্য পৰিষদ, জোনাকী প্ৰকাশ আদি সাহিত্য সভাৰ স্থানীয় শাখাসমূহ আৰু অসম সঙ্গীত সন্মিলন, কামৰূপ নাট্য সমিতি আদি নগৰৰ আন আন অনুষ্ঠানেও যোগদান দিছিল। সাহিত্য সভাৰ ভূতপূৰ্ব্ব সভাপতি শ্ৰীযুত ৰঘুনাথ চৌধুৰী, শ্ৰীযুত নীলমণি ফুকন, শ্ৰীযুত অম্বিকাগিৰি ৰায়চৌধুৰী, শ্ৰীযুত সূৰ্য্য কুমাৰ ভূঞা প্ৰমূখ্যে চহৰৰ বহু বিশিষ্ট লোকৰ উপৰিও সকলো শ্ৰেণী লোকে স্বতঃস্ফূৰ্ত্ত ভাৱেৰে বৰুৱা ডাঙৰীয়াৰ স্মৃতিৰ তৰ্পণ আগ বঢ়াবলৈ আহিছিল। অসম সাহিত্য সভাৰ সভানেত্ৰী শ্ৰীযুতা নলিনী বালা দেৱীৰ পৌৰোহিত্যত শ্ৰীযুত কমলেশ্বৰ চলিহাৰ দ্বাৰা গীতা সম্পূৰ্ণ দশম অধ্যায় পাঠেৰে সভাৰ কাম আৰম্ভ কৰা হয়।

সমজুৱা সকলৰ ফালৰপৰা প্ৰথমতে বাগ্মীবৰ শ্ৰীযুত নীলমণি ফুকনদেৱে স্বৰ্গীয় জে, বৰুৱাদেৱৰ বহুমুখী ব্যক্তিত্বৰ বিষয়ে বিশদ বৰ্ণনা কৰি এটি তথ্যপূৰ্ণ বক্তৃতা দিয়ে। তেখেতৰ ভাষাৰে কবলৈ হলে জে, বৰুৱাৰ তিৰোধানত অসমৰ এডাল কামি হাড় ভাগিল। তাৰ পিচত আৰ্লল কলেজত অধ্যাপনা কালৰ বৰুৱাদেৱৰ সহকৰ্ম্মী শ্ৰীযুত তীৰ্থনাথ ফুকন ডাঙৰীয়াই সেই সময়ৰ জে, বৰুৱাৰ জীৱনৰ কেইবাটাও উল্লেখযোগ্য সৰু কিন্তু মহত্বৰ পৰিচায়ক ঘটনাৰ কথা কৈ সমজুৱাক মুগ্ধ কৰে। তেখেতে কয় যে প্ৰকৃত ধাৰ্ম্মিক বা ঋষি আখ্যা যদি কোনোবাই পাব লাগে সেই জনেই হৈছে জে, বৰুৱা। ইয়াৰ পিচত ডক্টৰ শ্ৰীযুত সূৰ্য্য

কুমাৰ ভূঞাদেৱে এটি প্ৰাঞ্জল বক্তৃতাত বৰুৱাদেৱৰ হুবহু চিত্ৰ এটি ৰাইজৰ আগত ডাঙি ধৰে। তেখেত কয় যে বৰুৱাৰ জীৱনত কোনো ডাঙৰ ঘটনা নঘটিব পাৰে, তেওঁৰ কাপৰপৰা চেক্সপীয়েৰ, কালিদাসৰ গ্ৰন্থৰ নিচিনা কোনো ডাঙৰ গ্ৰন্থ নোলাব পাৰে কিন্তু তেওঁৰ মাহাত্ম্য আছিল গোটেই মানুহজনৰ সমগ্ৰ জীৱনৰ দৈনন্দিন ঘটনাৱলীত। সেই ঘটনাবিলাক জুকিয়াই সংগ্ৰহ কৰিব পাৰিলে তাৰ ভিতৰতহে আমি দেখা পোৱা যে, বৰুৱা জীৱন্ত হৈ ফুটি ওলাব। বিহগী কবি শ্ৰীযুত ৰঘুনাথ চৌধুৰী ডাঙৰীয়াই ৰ'মভোলা জে. বৰুৱাৰ হাকিমী জীৱনৰ স্মৃতিবোৰ এটা এটাকৈ কৈ শুনায়। ৰাইজৰ মাজত তেখেত কেনেকৈ 'জাবৰুৱা' হাকিম বা "গেন্ধা হাকিম" বুলি অতিশয় জনপ্ৰিয় হৈ উঠিছিল আৰু আচামীতকৈ ফৰিয়াদীয়েহে কেনেকৈ তেওঁক ভয় কৰি চলিব লগীয়া হৈছিল সেইবোৰ কথাৰ কেইবাটাও দৃষ্টান্ত দিয়ে। শ্ৰীযুত সুৰেন্দ্ৰ নাথ চলিহাই বৰুৱাদেৱৰ লগত যোৱা সাত বছৰ কাল কেনেকৈ ওচৰা উচৰিকৈ কটাইছিল মৃত্যুৰ আগদিনা ৰাতিও কেনেকৈ তেওঁৰ লগত এঘন্টাকাল কথাপাতি কটাইছিল আৰু কেনেকৈ তেওঁৰ আচম্বিতে মৃত্যু হল সেই কথা বিবৰি কয়। শ্ৰীযুত বেণুধৰ শৰ্ম্মাই শোকৰ আবেগত বেছি কথা কব নোৱাৰি বৰুৱা ডাঙৰীয়াই ১৯০২ চনত বিলাতৰপৰা স্বৰ্গীয় মথুৰামোহন বৰুৱালৈ লিখা দীঘলীয়া চিঠি এখনকে পঢ়ি শুনায়। তেখেতে কয় সেই চিঠিৰ মাজতে যে, বৰুৱা মানুহজন সোমাই আছে। শ্ৰীযুত জিতেন্দ্ৰ নাথ বুজৰবৰুৱাই বৰুৱাদেৱৰ লগত তেওঁৰ দীৰ্ঘকালৰ ব্যক্তিগত সম্পৰ্কৰ কথা কৈ কেইটামান স্মৃতি ডাঙি ধৰে। তেওঁ কয় যে যে, বৰুৱাৰ বন্ধু কেৱল যে ডাঙৰ মানুহেই আছিল এনে নহয়। খোৰা, কণা, পগলা, দুখীয়া আদি লোকসকলেহে তেখেতৰ বিশেষ বন্ধু আছিল। চিঠি পত্ৰৰ উত্তৰ দিয়াত বৰুৱা ডাঙৰীয়া অতিশয় নিয়মীয়া আৰু তৎপৰ আছিল। তেওঁলৈকে লিখা স্বৰ্গীয় বৰুৱা-দেৱৰ ৯৫ খন চিঠি তেওঁৰ হাতত আছে। সেইবোৰতেই বৰুৱাদেৱৰ জীৱনৰ বহু লাগতিয়াল কথাৰ সম্ভেদ পোৱা যাব। শ্ৰীযুত বেথাৰাম বৰাদেৱে কয় যে বিশেষ কামত আওহতীয়া মাজুলীৰপৰা গুৱাহাটীলৈ আহি এই স্মৃতি সভাত যোগ দিবলৈ পাই আৰু সুধীসকলৰ কথা শুনি তেওঁ নিজেই ধন্য মানিছে। তাকে কৈ তেওঁ বৰুৱাদেৱৰ স্মৃতিৰ প্ৰতি সশ্ৰদ্ধ নিবেদন আগবঢ়ায়। শ্ৰীযুত প্ৰেমনাৰায়ণ দত্তই বৰুৱাদেৱৰ গুণাৱলী বৰ্ণনা কৰি এটি প্ৰবন্ধ পাঠ কৰে। তাত তেখেতে গীতাৰ বাণী ব্যাখ্যা কৰি কয় যে বৰুৱাদেও উত্তৰায়ণৰ মাঘ মাহৰ শুক্লপক্ষত দিনৰ ভাগত দেহত্যাগ কৰি ব্ৰহ্মলোকলৈ গৈছে। শ্ৰীযুত নীলকান্ত হাজৰিকাদেৱে কয় যে বৰুৱাদেও কেৱল যে এজন সভাশুৱনী লোকেই আছিল এনে নহয় তেওঁ আছিল দৰিদ্ৰ আৰু নিপীড়িত সকলৰ বন্ধু। লগতে ইয়াকো কয় যে বৰুৱাদেৱৰ উদাৰতা আৰু সাহসীকতাৰ মূলত আছিল তেখেতৰ পিতৃ স্বৰ্গীয় গুণাভিৰাম বৰুৱাৰ অৱদান। তেখেত এনে সৌভাগ্যবান আছিল যে মৃত্যুৰ পিচতো ঘটনাচক্ৰত শৱযাত্ৰা এঘণ্টা পিছুৱাব লগা হোৱাত মুখ্যমন্ত্ৰী শ্ৰীযুত বিষ্ণুৰাম মেধিয়েও তেখেতৰ শৱ দেহ কান্ধত লৈ মটৰত তুলি দিবলৈ সুযোগ পালে। ইয়াৰপৰা দেখা গ'ল যে ডাঙৰৰপৰা সৰুলৈকে ধনীৰপৰা দৰিদ্ৰলৈকে সকলো স্তৰৰ লোকেই তেখেতক শেষ সন্মান জনোৱাৰপৰা বঞ্চিত হব লগীয়া নহল। গোৱালপাৰাৰ শ্ৰীযুত ধৰ্ম্মেশ্বৰ দাসদেৱে স্মৃতি তৰ্পণ আগবঢ়াই কয় যে



বৰুৱাদেৱৰ লগত অসমীয়া ভাষাৰ আখৰ জোটনি আৰু উচ্চাৰণ সম্পৰ্কে ভালে দিন কথা বতৰা হৈছিল। এই প্ৰসঙ্গত তেখেতে কয় যে অসমীয়া ভাষা আৰু সাহিত্য মৰিব নোৱাৰে। ই জীয়াই থাকিবই থাকিব। সমজুৱাসকলৰ বক্তৃতাৰ সামৰণি পৰাত সভানেত্ৰী শ্ৰীযুতা নলিনী বালা দেৱীয়ে এটি ওজস্বিনী বক্তৃতাৰে বৰুৱাদেৱৰ গুণবোৰ ফঁহিয়াই দেখুৱাই বিশেষভাবে জোৰ দি কয় যে পৱিত্ৰ আত্মা জে, বৰুৱা শিশুসকলৰ প্ৰকৃত বন্ধু আছিল। গুৱাহাটীৰ সকলো শিশুৱে তেওঁক ককা দেউতা বুলিহে জানিছিল। তেখেতে আৰু কয় যে এনে পুণ্যাত্মাৰ মৃত্যু হব নোৱাৰে। জে. বৰুৱা অমৰ। তেওঁ হয়তো আমাৰ মাজতে থাকি আমাৰ কাৰ্য্যাৱলী চাই আছে। অশৰীৰী আত্মাই বিশেষকৈ পুণ্যাত্মাসকলে মৃত্যুৰ পিচতো কেনেকৈ কাম কৰে তাৰ দুটামান প্ৰত্যক্ষ প্ৰমাণ তেওঁৰ নিজৰ জীৱনৰ স্মৃতিৰপৰা কৈ শুনায়। ইয়াৰ পিচত তেখেতে ডাঙি ধৰা তলত লিখা প্ৰস্তাৱটো সকলোৱে থিয় হৈ দুই মিনিট নীৰৱে থাকি গ্ৰহণ কৰে।

প্ৰস্তাৱটো এই :— "অসম সাহিত্য সভাৰ অন্যতম ভূতপূৰ্ব্ব সভাপতি সৰ্ব্বজন প্ৰিয় উদাৰ চৰিত, শিশু সৰল দেশ হিতৈষী আদৰ্শ পুৰুষ শ্ৰদ্ধেয় জ্ঞানদাভিৰাম বৰুৱা ডাঙৰীয়াৰ যোৱা ২৭ জানুৱাৰী ১৯৫৫ চন বৃহস্পতিবাৰে পুৱা গুৱাহাটীৰ নিজা ঘৰত আকস্মিক তিৰোধানত অসম সাহিত্য সভাৰ উদ্যোগত গুৱাহাটীত বহা এই ৰাজহুৱা সভাত গভীৰ শোক প্ৰকাশ কৰা হয় আৰু স্বৰ্গীয় আত্মাৰ সদগতিৰ কাৰণে ভগৱানৰ ওচৰত সৰ্ব্বান্তঃকৰণে প্ৰাৰ্থনা জনোৱা হয় আৰু শোক সন্তপ্ত পৰিয়ালক সমবেদনা জনোৱা হয়।"

সামৰণিত প্ৰধান সম্পাদক অধ্যাপক অতুলচন্দ্ৰ হাজৰিকাদেৱে সভাৰ সকলোলৈকে শলাগৰ শৰাই আগবঢ়াই কয় যে যে, বৰুৱা কিমান মহান আৰু কিমান জনপ্ৰিয় আছিল এই সভাৰ উপস্থিতিৰ সংখ্যাই সেইকথা প্ৰমাণ কৰে। তেখেতে শ্ৰীযুত জিতেন বুজৰ বৰুৱা, শ্ৰীযুত বেণুধৰ শৰ্ম্মা আৰু শ্ৰীযুত লীলা গগৈৰ সহযোগত বৰুৱা-দেৱৰ জীৱন কথাবোৰ সংগ্ৰহ কৰি এখনি জীৱন চৰিত প্ৰণয়ন কৰি বৰুৱাদেৱৰ পিচৰ মৃত্যু বাৰ্ষিকীত ৰাইজক উপহাৰ দিবলৈ অনুৰোধ জনায়। বৰুৱাদেৱৰ অমায়িকতা, সৰলতা আদিৰ বিষয়ে ফঁহিয়াই তেখেতে কয় যে আজি আমি যিখন বৰ্ণহীন সমাজৰ কল্পনা কৰিছোঁ যে, বৰুৱাই নিজৰ জীৱনত তেনে এখন বৰ্ণ শ্ৰেণীহীন সমাজ কেতিয়াবাই সৃষ্টি কৰি লৈছিল আৰু তাৰ মাজতে মৃত্যুৰ দিনলৈকে তেওঁ আত্ম বিস্মৃত হৈ আছিল। তেনে এজন পুৰুষক হেৰুৱাই আজি অসম সঁচাকৈয়ে দুখীয়া হ'ল। ইমানতে এটা গভীৰ শোকপূৰ্ণ পৰিবেশৰ মাজত সভাৰ কাৰ্য্য শেষ হয়।

**শ্ৰীনলিনী বালা দেৱী**
সভানেত্ৰী
৩০।১।৫৫

## দণ্ডিনাথ কলিতা

ঠাই :- অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্য্যালয়

তাং :- ১৮।৫।৫৫ গধূলি ৭ বজা।

এই সভাৰ সভাপতিত্ব কৰে ডক্টৰ শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াই। জয় জয়তে শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি কলিতাদেৱৰ গুণাৱলীৰ বিষয়ে চুআবাৰমান কয়। সমজুৱা সকলৰ ফালৰ পৰা বিহগী কবি শ্ৰীযুত ৰঘুনাথ চৌধুৰীদেৱে স্বৰ্গীয় কলিতাদেৱৰ লগত তেখেতৰ ব্যক্তিগত সৌহাৰ্দ্দ্যপূৰ্ণ সম্পৰ্কৰ কথা আৰু কেইটামান করুণ পুৰণি স্মৃতি দাঙি ধৰে। অধ্যাপক শ্ৰীযুত মহেশ্বৰ নেওগে কলিতাদেৱৰ বহুমুখী সাহিত্য প্ৰতিভাৰ বিষয়ে এটি চমু আলচ কৰে। তেখেতৰ উপন্যাস, নাটক, কৱিতা, কাব্য আদিৰ বিষয়ে উল্লকিয়াই কয় যে কলিতাদেৱে নিৰহ নিপানি ভাবে জীৱনৰ শেষ দিনলৈকে অসমীয়া সাহিত্যৰ চৰ্চ্চা কৰিছিল। তেওঁৰ মৃত্যুত অসমীয়া সাহিত্যৰ অপূৰণীয় ক্ষতি হ'ল। অধ্যাপক শ্ৰীযুত হৰি চন্দ্ৰ ভট্টাচাৰ্য্যদেৱে কলিতাদেৱৰ সাহিত্য চৰ্চ্চাৰ কেৱল সংস্কৃত সাহিত্যৰ ফালটো আলোচনা কৰি কয় যে তেখেতে সংস্কৃত ব্যাকৰণ আদি খন দিয়েক হাইস্কুলৰ পাঠ্য পুথি ৰচনা কৰিছিল আৰু তাৰ বিশেষত্ব এইটোৱেই আছিল যে সেই সংস্কৃত পুথিৰ মাজতো আমি অসমীয়া দণ্ডিনাথক দেখা পাইছিলো। সভাপতি শ্ৰীযুত ভূঞা ডাঙৰীয়াই এটি চমু বক্তৃতাত কলিতাদেৱৰ সাহিত্য চৰ্চা বিষয়ে কৈ মন্তব্য কৰে যে একমাত্ৰ ৰহঘৰা, ৰগৰেই কলিতাদেৱৰ সাহিত্যিক শ্ৰেষ্ঠতা প্ৰমাণ কৰিব পাৰে। অসম সাহিত্য সভাৰপৰা বঁটা পোৱা সাধনা উপন্যাসৰ লিখক দণ্ডি নাথ কলিতাদেৱ যে অসমীয়া সাহিত্যৰ এগৰাকী একনিষ্ঠ সাধক আছিল সেই বিষয়ে সন্দেহৰ স্থল নাই। সভাৰ শেষত তলত দিয়া শোক প্ৰস্তাৱটি গ্ৰহণ কৰা হয় :—

বহুমুখী প্ৰতিভাৰ প্ৰধান সাহিত্যিক দণ্ডিনাথ কলিতাদেৱৰ মৃত্যুত অসম সাহিত্য সভাৰ উদ্যোগত হোৱা আজিৰ এই গুৱাহাটীৰ ৰাইজৰ সভাই গভীৰ শোক প্ৰকাশ কৰে আৰু মৃতকৰ আত্মাৰ সদগতি কামনা কৰি শোক সন্তপ্ত পৰিয়াললৈ সহবেদনা জ্ঞাপন কৰে।

**শ্ৰীঅতুল হাজৰিকা**
সম্পাদক।

**শ্ৰীসূৰ্য্য কুমাৰ ভূঞা**
সভাপতি।



## বেণুধৰ ৰাজখোৱা

ঠাই :— যোৰহাট চন্দ্ৰকান্ত সন্দিকৈ ভৱন

তাৰিখ :— ২৫ জুন ১৯৫৫।

যোৱা শনিবাৰ ২৫ জুন তাৰিখে যোৰহাট সাহিত্য সভাৰ উদ্যোগত চন্দ্ৰকান্ত সন্দিকৈৰ ভৱনত বেণুধৰ ৰাজখোৱা ডাঙৰীয়াৰ পৰলোক গমনত শোক প্ৰকাশ কৰিবলৈ এখন সভা পতা হয়। সেই সভাত সভাপতিত্ব কৰিছিল অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকাদেৱে। জয় জয়তে সভাৰ সম্পাদক শ্ৰীযুত ধীৰেশ্বৰ ভট্টাচাৰ্য্যদেৱে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পিচত ঘোষা পাঠ কৰা হয়। সমজুৱা সকলৰ ফালৰপৰা শ্ৰীযুত দেৱানন্দ ভৰালী আৰু শ্ৰীযুত পূৰ্ণানন্দ পাঠকদেৱে স্বৰ্গীয় ৰাজখোৱা ডাঙৰীয়া আৰু তেখেতৰ সাহিত্য সেৱাৰ বিষয়ে বিবৰি কয়। ভৰালী ডাঙৰীয়াই তেখেতৰ বক্তৃতাত ৰাজখোৱাৰ ৰচনাৰ কোনো কোনো অংশ গাই শুনায়। পাঠকদেৱে খণ্ডবাক্য কোষেই ৰাজখোৱাৰ সাহিত্যৰ শিৰৰ মুকুট বুলি কয়। সভাপতি শ্ৰীযুত হাজৰিকায়ো ৰাজখোৱা ডাঙৰীয়াৰ আজীৱন ব্যাপী সাহিত্য সেৱাৰ বিষয়ে চমু আভাস এটা দি তিনিটা বিষয়ে বিশেষ ভাবে উল্লেখ কৰে। খণ্ডবাক্য-কোষ, অসমীয়া সাহিত্যৰ সম্পদ ৰাশি ইংৰাজীলৈ অনুবাদ আৰু ভাষাতত্ব সম্পৰ্কে আলোচনা। এই তিনিটা বিষয়ত আজি কালিৰ যি প্ৰচেষ্টা চলিছে ৰাজখোৱা ডাঙৰীয়াই বহুদিন আগতে সেই বিষয়ে বাট দেখুৱাই থৈ গৈছে বুলি তেওঁ কয়। সামৰণিত যোৰহাট সাহিত্য সভা আৰু অসম সাহিত্য সভাৰ হৈ সভাপতিৰ আসনৰপৰা এটা শোক প্ৰস্তাৱ দাঙি ধৰা হয় আৰু সমজুৱা সকলে কিছু সময় থিয় হৈ নীৰৱ প্ৰাৰ্থনা জনাই সেই প্ৰস্তাৱ সমৰ্থন কৰে।

যোৰহাট
২৫।৬।৫৫।

**অতুল চন্দ্ৰ হাজৰিকা**
সভাপতি।

## স্বৰ্গীয় পূৰ্ণানন্দ হাজৰিকা পুৰস্কাৰ ঘোষণা

বিষয় :— শ্ৰীশঙ্কৰদেৱৰ পূৰ্ব্বৰ অসমীয়া সমাজ আৰু সংস্কৃতিৰ বুৰঞ্জী।

এই ৰচনা ছপাৰ আকাৰত ২৫০ পিঠিৰ কম হব নেলাগিব। হাতে লিখা অৱস্থাত ১৯৫৫ চনৰ ৩০ অক্টোবৰ বা তাৰ আগতে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ হাতে লিখা এখন গ্ৰন্থ পঠালেই হব। পুৰস্কাৰৰ মূল্য পাঁচশ টকা। পুৰস্কাৰ পোৱা গ্ৰন্থ স্বত্ব অসম সাহিত্য সভাৰ হব। ৰচনা কেৱল অসমীয়া ভাষাত লিখা হব লাগিব।

উজান বজাৰ, গুৱাহাটী
তাং ১৯।৬।৫৫

**শ্ৰীঅতুল হাজৰিকা**
প্ৰধান সম্পাদক।

## শাখা সভালৈ জৰুৰী জাননী।

কামত হাঁত লগাবলৈ এইবাৰ শাখা সভা আৰু স্বীকৃত সভাৰ বাবে আবেদন পত্ৰ আৰু সভ্যৰ আবেদন পত্ৰ ২৫ পঁচিশ খনীয়া পাতৰ বহীৰ আকাৰত সুকীয়াকৈ যুগুত কৰা হৈছে! সেইবোৰ পিচত ৰচিদ হিচাপেও ব্যবহৃত হব। উপৰোক্ত বহী প্ৰতি শাখা সভালৈ ৰেজিষ্টী ডাকযোগে পঠোৱা হৈছে অথবা কোনো কোনো ক্ষেত্ৰত হাতে হাতে দিয়া হৈছে। পুৰণি সভ্যসকলে ওৱা ৰনক দোৱা কৰি পুণৰ আবেদন পত্ৰ পূৰণ কৰি দিব লগীয়া হোৱা বাবে জগৰ নধৰে যেন। তেখেত সকলৰ কাৰণে এই কাম বাধ্যতামূলক নহলেও আমাৰ কামৰ সহায়ক স্বৰূপে হাতৰ আখৰ কেইটাৰে আমাক নিশ্চয় সহায় কৰিব। সম্পাদক সকলে তলত লিখা কথা কেইটাইলৈ মন দিব :—

১। শাখা সভাৰ সম্পাদক সকলে প্ৰতি পিঠিৰ দুইফালে ( সভ্য ভৰ্ত্তি বহীত ) পুৰ কৰি বহী সম্পূৰ্ণভাবে আমালৈ ঘূৰাই পঠাব। কোনো পাত ব্যৱহাৰ নহলে বা কটাকটি হলে সেই দৰে ৰাখি বহী ঘূৰাই পঠাব।

২। আমাৰ অফিচৰপৰা সম্পাদকৰ চহীৰে আবেদন পত্ৰবোৰ পুনৰ ৰচিদ স্বৰূপে শাখা সভাৰ সম্পাদকৰ যোগেদি সভ্য-সকললৈ ঘূৰাই পঠোৱা হব।

৩। এই বছৰৰ সভ্যভৰ্ত্তিৰ শেষ দিন ২৫ চেপ্টেম্বৰ ১৯৫৫ চন পৰ্য্যন্ত সম্প্ৰতি ধাৰ্য্য কৰা হৈছে।


৪। পুৰণি সভ্যসকলৰো এই আবেদন পত্ৰই হব। ৰৰঙণিৰ পিচত পুৰণি সভ্য বুলি লিখিব।

নিৰ্দ্দিষ্ট সময়ত বহীবোৰ যথাবিহিত ভাবে ঘূৰি আহিব বুলি আমি আশা কৰিছোঁ। নিয়মাৱলীয়ে সম্প্ৰীতি কোনো নিয়ম বান্ধি নিদিলেও স্বকৃতি সভাৰ সম্পাদক আৰু প্ৰতিনিধি সকলো সাহিত্য সভাৰ সভ্য হোৱাটো একান্ত বাঞ্ছনীয়। স্বীকৃতি সভালৈ ওপৰত উল্লেখ কৰা আবেদন পত্ৰৰ বহী পঠোৱা হোৱা নাই। কিয়নো তেওঁলোকক একোখন বহী আৱশ্যক নহব। তেনে সভাই সভ্য ভৰ্ত্তিৰ বাবে কেইখন আবেদন পত্ৰ লাগে আমাক জনালেই তুৰন্তে পঠাই দিয়া হব।

শাখা সভাৰ কাৰ্য্যাৱলী ইয়াৰ পিচৰ সংখ্যা পত্ৰিকাৰ অসম সাহিত্য সভাৰ বাহিৰে ভিতৰে শিতানৰ তলত সাহিত্য সভাৰ সকলোবোৰ শাখা আৰু স্বীকৃত সভাৰ চমু আৰু কাৰ্য্যাৱলী প্ৰকাশ কৰা হব। সেই কাৰণে এই পত্ৰিকা প্ৰকাশ হোৱাৰ এমাহৰ ভিতৰতে আমাৰ হাতত পৰাকৈ সম্পাদক সকলে নিজৰ নিজৰ সভাৰ সাহিত্য সভাৰ যোৱা যোৰহাট অধিবেশনৰ পৰা আজি-লৈকে হোৱা তেওঁলোকৰ সভাৰ কাৰ্য্যাৱলীৰ চমু টোকা আমালৈ পঠাই দিবলৈ হেলা নকৰে যেন। যথা সময়ত তেনে টোকা নোপোৱাৰ বাবে কোনো সভাৰ কথা যদি বাদ পৰি যায় তেন্তে বৰ দুখৰ কথা হব।

---

## অশ্ৰু অঞ্জলি।



বেণুধৰ ৰাজখোৱা।

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি জ্ঞানদাভিৰাম বৰুৱাদেৱৰ বিয়োগ কষ্ট অৱসান ঘটা নঘটা অৱস্থাতেই



দণ্ডিনাথ কলিতা।

আৰু দুগৰাকী সু সাহিত্যিকৰ বিয়োগ ৰতৰাই অসমীয়া ৰাইজক শোক সাগৰত ডুব নিওৱাৰ উপৰিও অসমীয়া ভাষা সাহিত্যৰ এক অপূৰণীয় ক্ষতি কৰি গ'ল। বেণুধৰ ৰাজখোৱা আৰু দণ্ডিনাথ কলিতা আজি ইহ সংসাৰত নাই।

## ডাঙৰীয়া বেণুধৰ ৰাজখোৱা

শ্ৰীযুত উপেন্দ্ৰ নাথ দত্ত।

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, আজীৱন সাহিত্যসেবী, অসম মহিলা জাগৰণৰ সুনিপুণ কাণ্ডাৰী, অসম সাহিত্য গগণৰ চিৰন্তন নক্ষত্ৰ স্বৰূপ জ্যোতিষ্মান জোনাকী যুগৰ অন্যতম শেৰ যুজাৰু, আজীৱন অসমীয়া ভাষা কৃষ্টিৰ হকে আত্মনিয়োগ কৰা, অসমীয়া গুণাকুলীয়া খনীয়া কাপোৰৰ অতীতৰ স্নেহ বিজৰিত মূল্য আজীৱন উপলব্ধি কৰা, আধা শতিকাৰ পূৰ্ব্বৰেপৰা অসমীয়া জাতি জাগৰণৰ ভাব সঞ্চাৰ কৰা, অসমীয়াৰ চিৰপূজ্য চিৰস্মৰণীয় ককাদেউতা স্বৰূপ, সেই শান্তিপ্ৰিয় নীৰৱ সাহিত্যিক বেণুধৰ ৰাজখোৱাদেৱে পূৰ্ণ বয়স প্ৰাপ্ত হৈ চাৰি কুৰি তিনি বছৰ বয়সত

মহাপ্ৰয়াণ কৰি সদৌ অসমবাসীৰ মুখত বিষাদৰ কালিমা সনাৰ উপৰিও অতীত আৰু বৰ্ত্তমানৰ যোগসূত্ৰ ডালি বিচ্ছিন্ন কৰি দি গ'ল যোৱা ২২ জুন বুধবাৰৰ দিনা পুৱা ১১ বজাত। তেখেতৰ পবিত্ৰ আত্মাৰ সদ্গতি হওক।

সাহিত্যিক ৰাজখোৱাদেৱ আছিল এজন প্ৰকৃত দেশপ্ৰেমিক। তেখেত আছিল হাড়ে হিমজুৰে অসমীয়া আৰু তেখেতৰ আছিল অসমীয়া নামধাৰী প্ৰত্যেকটো বস্তুৰে প্ৰতি এক প্ৰচণ্ড চেনেহ। দূৰ ভৱিষ্যতক জুমি চাব পৰা শক্তি সম্পন্ন ৰাজখোৱাদেৱে আজি আধা শতিকাৰ পূৰ্ব্বতে অসমীয়াৰ ভাগ্য গগণত কলীয়া মেঘৰ চপৰা দেখিবলৈ পাই বিড়িয়াই বিড়িয়াই দেশবাসীক সাৱধান কৰি দিছিল এনেদৰে –

"বৰ্ত্তমান কালটো হৈছে অসমীয়াৰ পক্ষে সঙ্কটৰ যুগ। কৰ্ম্মক্ষেত্ৰত প্ৰাণ টাকি যত্ন নকৰিলে অসমীয়া তৰিব নোৱাৰে। মোৰ মনত বিশ্বাস হৈছে ঐশ্বৰিক সাহায্য নহ'লে অসমীয়া জাতি ধ্বংস হ'ব অথবা ঘৃণনীয় জীৱন ধৰিব।"

ই আজি পঞ্চাশ বছৰৰ আগৰ কথা। এই সতৰ্ক বাণী প্ৰচাৰ কৰিছিল আজি পঞ্চাশ বছৰৰ পূৰ্ব্বতে যি কালত মৈমনসিংহৰ পৰা লানি নিচিগা জনসোঁত অসমলৈ বোৱা নাছিল, যি সময়ত বাস্তুহাৰা সৰ্ব্বহাৰা সকলৰ হিচহিচনি নাছিল আৰু যি সময়ত অসমী আইৰ অঙ্গছেদৰ প্ৰস্তাৱো উত্থাপন হোৱা নাছিল।

স্বৰ্গীয় ৰাজখোৱাদেৱ আছিল এজন হাকিম; – আড়ম্বৰহীন, মেজাজবিহীন শান্তিপ্ৰিয় হাকিম। সেই ৰেল গাড়ী প্ৰচলনৰ পূৰ্ব্বতে জাহাজেৰে গৈ কলিকতাত শিক্ষা লাভ কৰি আহি হাকিমী পদত মকৰল হোৱা ৰাজখোৱাদেৱে চিৰদিন অসমীয়া হৈয়েই ৰ'ল; – তেখেত আছিল কথাবাৰ্ত্তাত অসমীয়া, চাল-চলনত অসমীয়া আৰু 'মই অসমীয়া' বুলি গৌৰৱ বোধকৰা এজন প্ৰাচীন ডাঙৰীয়া। গুণা ফুল দিয়া খনীয়া কাপোৰ আছিল তেখেতৰ ভূষণ আৰু তেখেতৰ লগে লগে সেই অতীত কালৰ খনীয়া কাপোৰ কিজানি যাদুঘৰতহে স্থান লাভ কৰিব।

অসমীয়াৰ প্ৰতি থকা স্বাভাৱিক প্ৰেমেই যে তেখেতৰ চাকৰি জীৱনৰ ক্ৰমোন্নতিত সময়াসময়ে প্ৰতিবন্ধক নজন্মাইছিল তেনে নহয়। কিন্তু সেই পদোন্নতি প্ৰত্যাশা নকৰা ৰাজখোৱাদেৱে চাকৰি কৰি থকা অৱস্থাতে সভাই সমিতিয়ে দিয়া বক্তৃতা আৰু ভাষণ সমূহত সেই একে কথাকেই সঁকিয়াই দি গ'ল – ইয়াকেই মাথোন কৈ গ'ল যে দূৰ ভৱিষ্যতত অভিধানৰপৰা অসমীয়া শব্দটোৱেই উঠি যাব, যদিহে সেই যুগতে অসমবাসী সাৱধান নহয়।

অসমীয়া ভাষাৰ প্ৰতিও আছিল তেখেতৰ অগাধ প্ৰেম আৰু ভক্তি। অসমীয়া ভাষাৰ প্ৰাচীনত্বৰ বিষয়ে তেখেতৰ মনত অগাধ বিশ্বাস আছিল আৰু তেখেতে কিতাপে পুথিয়ে, বক্তৃতাই ভাষণে তাকেই প্ৰমাণ কৰি গৈছিল। অসমীয়া আৰু বঙলা ভাষাৰ মাজত তেখেতে যি বিভিন্নতা বিচাৰি পাইছিল তাক কোনো পধ্যেই উলাই কৰিব নোৱাৰি। তেখেতে লিখি গৈছে, –

" বঙ্গ ভাষা সৰ্ব্বাঙ্গ সুন্দৰ নহয় এই কথা ওপৰত দেখুওৱা হৈছে। বঙ্গ ভাষাই আগপাত, আগ-ঢাৰি পাবৰ যোগ্য নহয়। বঙালীসকলে ভূইঁখোৱা হৈ মাটি ফুটি ওলাই কোঢ়াল লগাইছে। তেওঁবিলাকে সংস্কৃতৰ পৰা সোপাসোপে শব্দ আনি পানী মিঠৈ



সাজিছে। কোনো ৰাষ্ট্ৰবিপ্লৱ হ'লে (ঈশ্বৰে নকৰক) বঙ্গভাষাৰ পঞ্চভূতময় দেহা পঞ্চভূতত মিলি যাব, তাৰ আত্মা নাই। বঙ্গদেশৰ লিখিত ভাষা আছে, তেনে কথিত ভাষা নাই। কিন্তু অসমীয়াৰ বিষয়ে সেই কথা নাখাটে। অসমীয়া ভাষা শদীয়াৰপৰা ধুবুৰীলৈ অসমবাসী মাত্ৰেই বুজিব। অসমীয়া বাতৰি কাকত এখন গাঁৱলীয়া মানুহৰ আগত পঢ়িলে সোপাকে বুজিব। বঙলা বাতৰি কাকত এখন বঙালী খেতিয়কৰ আগত পঢ়িলে ভেবা লাগি চাই থাকিব। এই কথা কেইষাৰি কোৱাৰ এয়ে অৰ্থ যে অসমীয়া লেখক সকলে যেন পৰাখিনি পক্কত বিশুদ্ধ নিভাঁজ অসমীয়া শব্দাৱলী, বচন ভঙ্গী ইত্যাদিৰ ব্যৱহাৰ কৰে।'

স্বৰ্গীয় ৰাজখোৱাদেৱ আছিল সেই যুগৰ লিখক। যুগ অনুযায়ী অসমীয়া ভাষাত যি যি বিষয়ৰ পুথিৰ অভাৱ আছিল সেই সকলোবিধ পুথি লিখি উলিয়াবলৈ চেষ্টা কৰিছিল। নাটক, কৱিতা, ৰচনা, জীৱনী, উপন্যাস আদি সকলোবিধ পুথি লিখাতেই তেখেতে হাত দিছিল। বহুত বিলাক পুথিৰ বিষয় বস্তু, প্ৰকাশ ভঙ্গী উচ্চস্তৰৰ নহবও পাৰে, – কিন্তু তেখেতে যি মহান উদ্দেশ্য লৈ পুথিবিলাক প্ৰকাশ কৰিছিল সেই উদ্দেশ্য আংশিকৰূপে সাধন হোৱা হ'লেও, এই প্ৰৌঢ় বয়সত শান্তিৰেই মহাপ্ৰয়াণ কৰিলেহেঁতেন। কিন্তু পঞ্চাশ বছৰৰ আগত তেখেতে দি যোৱা সতৰ্ক বাণীৰ ওপৰত বিশেষ গুৰুত্ব নিদি তাৰ ২৫ বছৰৰ পাচত সেই একে কথাকে মোলান চাহাবে চেঞ্চাৰ্ছ বিপৰ্টত প্ৰকাশ কৰাত সদৌ অসমতে যি চাঞ্চল্যৰ সৃষ্টি হৈছিল তাৰ পৰাই এইটো বেচ প্ৰমাণিত যে তেখেতৰ সতৰ্কবাণী আছিল কেৱল মাত্ৰ অৰণ্যত ৰোদনহে।

শেষ বয়সলৈকে তেখেতে হাতৰ কলম এৰা নাছিল। খনদিয়েক পুথি হাতে লিখা অৱস্থাত বৈ গ'ল। তেখেতৰ দ্বাৰা প্ৰকাশিত " খণ্ডবাক্যকোষ " খনেই অসমীয়া সাহিত্যলৈ এটা বিশেষ দান। অসমীয়া ভাষাৰ প্ৰাচীনত্বৰ বিষয়ে এখনি সুচিন্তিত গ্ৰন্থ প্ৰণয়ণৰ আশা তেখেতে মনতে পোষণ কৰিছিল। কিন্তু ক্ৰমান্বয়ে স্বাস্থ্য ভঙ্গ হোৱাত সেই আশা পূৰণ নহ'ল। অসমীয়া ভাষাক তেখেতে কি দৃষ্টি ভঙ্গীৰে চাইছিল সেইকথা তেখেতৰ তলত উদ্ধৃত কৰা অংশটিয়েই প্ৰমাণ কৰে।

" If my health permits, I hope to bring out some day the beauties of Assamese language on a wider scope. Let me conclude by saying that Assamese is one of the best languages of the world. The cynics may laugh at me, but I am bound to say that the truth cannot be kept concealed for all times by any amount of sophistry and jugglery. Our language is only waiting for a master hand to reveal its serine beauties and masculine excellences.

# দণ্ডিনাথ কলিতা

শ্ৰীমতী ৰাগেদেৱী ৰৰদলৈ।

বহুমুখী প্ৰতিভা সম্পন্ন সুসাহিত্যিক দণ্ডিনাথ কলিতাদেৱৰ মহাপ্ৰয়াণত অসমীয়া ভাষা সাহিত্যৰ যি ক্ষতি হ'ল কব নোৱাৰো সেই ক্ষতি কোনোবা দিনা কোনো সাহিত্যিকে পূৰণ কৰিবৰ বাবে সক্ষম হ'ব বুলি। তিনি কুৰিৰ কাষ চপা কলিতাদেৱৰ মৃত্যুক অকাল মৃত্যুৱেই বুলিব পাৰি এটা কাৰণত যে তেখেতে তেখেতকৈ ছুটা যুগৰ পূৰ্ব্বতে জন্মগ্ৰহণ কৰা ৰাজখোৱাদেৱৰ প্ৰায় লগে লগেই মৃত্যু বৰণ কৰিব লগীয়া হ'ল। ইয়ে হৈছে নিয়তিৰ বিধান। কলিতাদেৱৰ আত্মাৰ প্ৰতি আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।— তেখেতৰ আত্মাৰ যেন সদগতি হয় এয়ে প্ৰাৰ্থনা।

কলিতাদেৱ আছিল এজন বিচিত্ৰ সাহিত্যিক সেই কথা প্ৰমাণ কৰে তেখেতৰ লিখনিৰপৰা ওলোৱা বিচিত্ৰ ৰচনাৱলীয়ে। হাস্যৰসাত্মক কবিতাৱলীৰ যোগেদি সাহিত্যৰ সৌষ্ঠৱ বঢ়াই ব্যঙ্গ সাহিত্যিক ৰূপে সাহিত্যিক জীৱনৰ প্ৰাৰম্ভণিতে খ্যাতি লাভ কৰা কলিতাদেৱে অতি কম সময়তে সুঔপন্যাসিক ৰূপে পৰিচয় দি সাহিত্য সভাৰ পুৰস্কাৰ লাভ কৰিছিল। তেখেতৰ লিখনিৰপৰা ওলোৱা সেই তাহানিৰেই 'ৰহঘৰা' 'ৰগৰ' আৰু 'বহুৰূপী' নামৰ ব্যঙ্গ কবিতাৱলীৰ সোৱাদ লৰা-বুঢ়া সকলোৱে সমানে চিৰকাল উপভোগ কৰি আহিছে। তেখেতৰ সেই কবিতাবিলাক ইমান জনপ্ৰিয় হৈ পৰিছিল যে আজিও বহুত লোকেই সুন্দৰ ধৰণে মুখে মুখে আবৃত্তি কৰি আনন্দ উপভোগ কৰা আমি দেখি আহিছো।

কলিতাদেৱৰ ৰচনাৱলী সমূহ সদায় ব্যক্তিগত আক্ৰমণৰপৰা আতৰি আছিল। দৰাচলতে কলিতাদেৱ আছিল এজন সমাজ সংস্কাৰক। কিন্তু সেই ব্ৰতত ব্ৰতী হৈ তেখেতে পৰিভ্ৰমণ কৰি বক্তৃতা আৰু ভাষণৰ দ্বাৰা সমাজ সংস্কাৰ কৰিবলৈ নগৈ সাহিত্যৰ যোগেদি সমাজৰ দোষ ত্ৰুটিবোৰ আঙু-লিয়াই দি গ'ল। 'মেধি তীৰ্থলৈ যায়' নামৰ কবিতাত কৰা তীৰ্থ যাত্ৰাৰ বৰ্ণনা আজিৰ প্ৰগতিশীল সমাজৰ ডেকাই ভালদৰে উপলব্ধি কৰিব নোৱাৰি অতিৰঞ্জিত বুলি আখ্যা দিয়াটো বিচিত্ৰ নহয়। কাৰণ ৰেলে-জাহাজে ভাত-খাৱা, সাগৰ পাৰ হোৱা, অশৰণীয় হৈ জীৱন নিৰ্ব্বাহ কৰা কাৰ্য্য সেই কালত কিমান দোষণীয় আছিল আজিৰ প্ৰগতিশীল সমাজে বুজিব নোৱাৰে। কিন্তু যুগ অনুযায়ী সেই কবিতাৰ মৰ্ম্ম সেই যুগত সকলোৱে উপভোগ কৰিছিল। সেই বুলিয়েই কলিতাদেৱৰ ৰচনা সমূহক " এটা যুগৰ সাহিত্য " বুলিলে ভুল হ'ব। 'ডাঙৰীয়া হ'বৰ উপায়' 'কবিৰ প্ৰেম' 'বিক্ষৰ্ম সুন্দৰী' 'শাস্ত্ৰ ভুল' আদি সেই ডেৰকুৰি বছৰৰ পূৰ্ব্বে লিখা সৰহ সংখ্যক কবিতাৰ ভাব, ভাষা, কথাবস্তু আজিৰ যুগতো মানুহে উপলব্ধি কৰিছে।

তেখেতৰ উপন্যাসৰ ভিতৰত 'সাধনা' 'আবিষ্কাৰ' আৰু 'গণ-বিপ্লৱ' এই তিনিখনৰ স্থান আগশাৰীত। উপন্যাসৰ ভিতৰত 'সাধনা' আৰু 'আবিষ্কাৰ'ৰ যোগেদি তেখেতে সমাজ সংস্কাৰৰ বীজহে সিচিছিল। কাব্য সাহিত্যিক ৰূপে কলিতাদেৱৰ প্ৰতিভা আমি দেখিলো তেখেতৰ "অসম সন্ধ্যা"ৰ মাজেদি। একেজন লিখকৰ লিখনিৰপৰা উচ্চস্তৰৰ গল্প-উপন্যাস, কাব্য, কবিতা, নাটকৰ উপৰিও হাস্যৰসাত্মক কবিতাৱলী ওলোৱাটো আৰু অতি কৃতীত্বৰে ওলোৱাটো বিচিত্ৰ নহলেও বিৰল। শব্দ সমাবেশেই তেখেতৰ আছিল বৈশিষ্ট্য। নিভাঁজ, শুৱলা শব্দ যথা স্থানত প্ৰয়োগ কৰিব পৰাটো তেখেতৰ এটা ঐশ্বৰিক শক্তিয়েই বুলিব পাৰি।



সেই হাস্যৰসৰ থুনুপাক, কাব্য, কবিতা, উপন্যাস নাটকাদি লিখাত সিদ্ধহস্ত, সৰ্ব্ব-জনপ্ৰিয়, অভাৱগ্ৰস্থ সু সাহিত্যিক দণ্ডিনাথ কলিতা আজি আৰু নাই। দণ্ডিনাথ কলিতা চিৰঞ্জীৱী হওক।

# পুথি সমালোচনা।

" পৰাণৰ তান " ( গীতি মালিকা )
ৰচোঁতা আৰু প্ৰকাশক শ্ৰীশঙ্কৰ মজুমদাৰ,
তিনিচুকীয়া। মূল্য ৸৵০ অনা।

এই কিতাপখনি কিছুমান গীতৰ সমষ্টি। গীতৰ সমালোচনা কৰিবৰ হলে ৰচনাখিনি গীতত অৰ্থাৎ সুৰত পালেহে সমালোচকে তাৰ পূৰ্ণৰস উপভোগ কৰিবলৈ আৰু মতামত প্ৰকাশ কৰিবলৈ সুচল পালেহেঁতেন। গতিকে কিতাপখনিৰ ৰচনাৰ "হেডিং" ( Heading ) অৰ্থাৎ শিৰোণামাবিলাকৰ লগতে সুৰৰ নাম সংযোগ হৈ থকা হলেহে " গীতি মালিকাৰ " নামৰ লগতো ৰজিতা খালেহেঁতেন। " পৰাণৰ তান " লিখকে নিজেই কৈছে " শিল্পীসকলৰ ওচৰত মোৰ প্ৰাৰ্থনা যেন তেখেতসকলে গীত বিলাকত ভাৱৰ লগত সম্পৰ্ক ৰাখি সুৰ যোজনা কৰে। ' দুখৰ বিষয় এই সমালোচক গীতিবিলাকৰ ভাৱৰ লগত সম্পৰ্ক ৰাখি সুৰ যোজনা কৰিবপৰা গীতি শিল্পী নহয়।

গতিকে এতিয়া কিতাপখনিৰ ৰচনা আমি উমানতে গান বুলি ধৰিছোঁ। যদিও তাক পঢ়োঁতে ঠিক গানৰ সুৰত গাব পৰা নাই। গান আৰু কবিতাৰ যদিও ভাই ভনীৰ সম্বন্ধ ( Sister arts ) তথাপি দুয়োৰে ব্যক্তিত্ব কিছু স্বকীয়া, গানৰ প্ৰাণেই হৈছে সুৰ— তাৰ কথাবিলাকৰ সুৰেহে বেচি প্ৰাণৱন্ত কৰি দিয়ে। আন এটা কথাৰে সুৰৰ আকাশত, সুৰৰ বতাহত, গানৰ কথা-বোৰ, শব্দবোৰ কপোৱা তুলাবোৰ যেনেকৈ বতাহত উৰে, তেনেকৈ উৰিবলৈ ধৰে। এটা কৰুণ ভাৱৰ গান পুৰবী সুৰে যেনেকৈ জীৱন্ত কৰিব ভৈৰৱী সুৰে তেনেকৈ তাক মৃতপ্ৰায়হে কৰি দিব।

কবিতাতো সুৰ আছে যদিও, কবিতা ভাৱ, ভাষা, ছন্দ ( ছন্দজাত সুৰ ) এই তিনিওৰে একাত্মিক প্ৰকাশ। এটা কথাৰে কবিতা Thought, music and picture অৰ্থাৎ ভাৱধৰ্ম্মী, গীতধৰ্ম্মী আৰু চিত্ৰধৰ্ম্মী। কবিতাৰ প্ৰাণ ভাৱ, তাক প্ৰকাশ কৰে ঘাইকৈ ভাষাইহে। গতিকে কবিতাৰ প্ৰধান সম্বল ছন্দোময়ী ভাষা, গানৰ প্ৰধান সম্বল ভাষা সিমান নহয় যিমান তাৰ সুৰ, ৰাগ, তাল মান প্ৰভৃতি। ৰবীন্দ্ৰনাথ ঠাকুৰৰ অনেক কবিতা যদিও গান, সেই-বিলাক গান হিচাবে যিমান জীৱন্ত, যিমান মধুৰ, কবিতা হিচাবে সিমান নহয়। উদাহৰণ স্বৰূপে :—

অমল ধবল পালে লেগেছে
মন্দ মধুৰ হাওয়া
দেখি নাই কভু দেখি নাই কভু
এমন তুৰনী বাওয়া ।
(গীতাঞ্জলি)

উক্ত কবিতা ফাকি গানত যিমান জীৱন্ত যিমান মধুৰ, কবিতাত সিমান নহয়। কবিতাত যেন সি ম্লান পৰি যায়। সেইদৰে –

" তোৰা শুনিচ নি কি শুনিচ,
তাৰ পায়েৰ ধ্বনি,
সে যে আসে আসে আসে ।
(গীতাঞ্জলি)

উক্ত পদ ফাকি গানত সুৰৰ লালিমাৰে যেনে হৃদয় গ্ৰাহী হৈ নৈৰ তৰল গতিৰে ধ্বনি তুলি বৈ যায়, কবিতাত সি যেন শুকাই বাম হৈ গছৰ শাৰীলৈহে নামিব খোঁজে। ( এইখিনিতে উক্ত থাকে যে আমি ঠাকুৰৰ উক্ত কবিতা গানতো শুনিছোঁ ) ।

আচল কথা ৰবীন্দ্ৰনাথৰ গীতাঞ্জলি গানৰে কিতাপ, গান হিচাপেহে "গীতাঞ্জলি"ত ৰচনাবোৰ লিখিছিল। সেই কাৰণে তাৰ নামো দিছে 'গীতাঞ্জলি'। সেইদৰে কবিবৰৰ 'গীতালিও' গানেৰে কিতাপ। অৱশ্যে তাত যে কবিত্বও ভৰপূৰ হৈ আছে সি নিঃসন্দেহ। আনপক্ষে ঠাকুৰৰ কিছুমান গান অৱশ্যে কবিতাও, সেইটো ৰবীন্দ্ৰনাথৰ অদ্ভুত প্ৰতিভাৰ পৰিচয়। কিন্তু ৰবীন্দ্ৰনাথৰ সৰহ ভাগ কবিতাই গান নহয় "উৰ্ব্বশী" বা "তাজমহল" ( সা জাহান ) কবিতাহে গান নহয়, তাক গান কৰি গাবও নোৱাৰি।

* * *

বৰ্ত্তমান "পৰাণৰ তান" গানৰ কিতাপ, নিভাঁজ কবিতাৰ কিতাপ নহয় ; অৱশ্যে গান হলেও তাত কবিত্ব নিশ্চয় থাকিব লাগিব। গান বা গীত কবিত্বময় হলেও ৰূপত সি কবিতাৰপৰা কিছু বেলেগ। "পৰাণৰ তানৰ" গীতবোৰ আগৰেপৰা বহুল প্ৰচাৰ হৈ আমাৰ কাণত পৰি থকা হলে আমি এইখিনি কথা কব নেলাগিলহেঁতেন।

"পৰাণৰ তান'ক আমি সুৰেৰে উপভোগ কৰিব নোৱাৰি তাৰ বহুখিনি সৌন্দৰ্য্যৰপৰা হয়তো বঞ্চিত হৈ পৰিছোঁ। কবিত্ব হিচাপেই কলে "পৰাণৰ তান"ৰ চিনাকী দিওঁতাৰ ভাষাকেই কব পাৰি যেন "গীত কেইটিত এটি করুণ সুৰ বহুল ভাৱে আছে। লেখকে যেন চাৰিওফালে বিষাদৰ ডাৱৰ দেখা পাইছে"। এই বিষাদৰ ডাৱৰেই তো আনন্দৰ পূৰ্ণচন্দ্ৰ ঢাকি ঢাকি ধৰি তালৈ এটা অনিবাৰ ধাউতি, অনিবাৰ হেঁপাহৰ সৃষ্টি কৰে। "পৰাণৰ তান'তো কবিৰ এই ধাউতিৰ পৰিচয় ৰিণিকি জিলিকি উঠিছে। যেনে :–

তেৰা মোৰ প্ৰিয়
গোৱা এটিবাৰ গান ॥
মৰুৰ বুকুত উঠক জোৱাৰ
লৈ যক উটুৱাই
জড়তা প্ৰাণৰ ।
সি সুৰত গোৱা
গীতটি তোমাৰ
মনভুলা পৰাণৰ তান ॥
এই দুনিয়াৰ দুদিন জীৱন
দিয়া আজি খুলি দ্বাৰ
তোমাৰ গীতৰ ;
ভৰক পৃথিবী সুৰে সুৰে
বৈ যক নিজৰা প্ৰাণে প্ৰাণে
আজি প্ৰাণে প্ৰাণে,
গীতৰ প্ৰাণেই মোৰো প্ৰাণ হায়
মনভুলা পৰাণৰ তান ॥

মুঠতে কলে "পৰাণৰ তান" যেন কিবা বিৰহৰ তান, বিৰহৰ তান মানে প্ৰেমৰ তান। সেই দেখি তেওঁ বিশ্বপ্ৰকৃতিৰ সৌন্দৰ্য্যত, বৰ্ষাৰ মেঘধ্বনিত, নৈ নিজৰাৰ কল কলনিত, কুলি কেতেকীৰ মাতত অন্তৰৰ যেন বিৰহৰ ধ্বনিৰে প্ৰতিধ্বনি শুনিছে, প্ৰেমাস্পদক যেন য'তে ত'তে বিচাৰি ফুৰিছে। কবি ৰবীন্দ্ৰনাথে গাইছে :–

যদি প্ৰেম দিলেনা প্ৰাণে,
কেন ভোৰেৰ আকাশ ভৰে দিলে
এমন গানে গানে,
কেন ফুলেৰ শয়ন পাতা,
কেন তাৰাৰ মালা গাঁথা
কেন দখিন হাওয়া গোপন কথা
জানায় কাণে কাণে ।

অৰ্থাৎ যদি মোৰ অন্তৰত প্ৰেম নিদিলা, তেন্তে পুৱাৰ আকাশখন ইমান গানে গানে ভৰাই দিলা কিয় ?

ওপৰত কিয় তৰাৰ মালা গাঁথিলা আৰু তলত কিয় ফুলৰ শয়ন পাতিলা, আৰু দক্ষিণ বতাহে আহি কাণে কাণে গোপন কথা জনায়হি কিয় ? প্ৰকৃতিৰ চাৰিওফালে গছে ফুলে ইমান সৌন্দৰ্য্যৰ প্ৰয়োজন কিহৰ ?

বাস্তৱতে অন্তৰত প্ৰেম নেথাকিলে বাহিৰত সৌন্দৰ্য্যৰ একো অৰ্থই নাই,— সৌন্দৰ্য্যই প্ৰেম জগায় প্ৰেমে সৌন্দৰ্য্য বিচাৰে। "পৰাণৰ তানে" এই কথাকে যেন বিৰহৰ অনুভূতিৰে পৰোক্ষ ভাৱে হলেও ঘোষণা কৰিব খুজিছে।

জগতৰ চৰম প্ৰেম, চৰম সৌন্দৰ্য্য কি সেইটোৱেই হৈছে মানুহৰ জীৱনত বিৰাট ৰহস্য। সেইটোৱেই প্ৰেমিকৰ, সেইটোৱেই ভকতৰ সাধকৰো সাধনা। "পৰাণৰ তান" অজ্ঞাতসাৰে হলেও সীমাৰ ভিতৰে দিয়েই সেই অসীম অনন্তলৈকো একোবাৰ বেঙা মেলিছে যেন লাগে। যেনে :–



(প্ৰভু) তুমি সাগৰ মাজৰ তৰী
এই জীৱনৰ বিয়লি পৰত
দিবা পাৰ কৰি ॥

* * *
* * *
* * *

বিদায় পৰত আন্ধাৰ পথত
নিবা মোক হাত ধৰি ॥

মুঠতে "পৰাণৰ তান" আমাৰ সাহিত্যত বিৰহীৰ অন্তৰৰ করুণ উৎচ্ছ্বাসৰ এটি ধুনীয়া গীতি অৱদান হৈছে বুলি কব পাৰি। আমি কবিৰ উত্তৰোত্তৰ উন্নতি কামনা কৰোঁ। অৱশেষত কিতাপখনিত অ'ত ত'ত বৈ যোৱা দুই এটা ব্যাকৰণগত দোষৰ কথা আঙুলিয়াই দিয়াটোও উচিত হব যেন পাওঁ। অসমীয়া ভাষাত প্ৰথমা বিভক্তিৰ আৰু সৰহ ঠাইতে ২য়া বিভক্তিৰ ক্ৰিয়াপদ বিলাকৰ সদায় অনুনাসিক উচ্চাৰণ হয়,— যেনে : কৰোঁ, খাওঁ, উঠোঁ। বহোঁ আছোঁ, আহিছোঁ, গৈছোঁ, আহাঁ, যোৱাঁ, খোৱাঁ, কৰাঁ ইত্যাদি। সেই বুলি ক্ৰিয়া নিজেই অনুনাসিক বৰ্ণ হলে তাৰ মূৰত চন্দ্ৰ বিন্দুটো আৰু উঠিব নেলাগে। "ন" আৰু "ঞ" নিজেই অনুনাসিক বৰ্ণ সেই দেখি "জানো" ক্ৰিয়াটো "জানোঁ" লিখা ভুল। সেইদৰে 'ভূঞা" ক ভূঞাঁ লিখা ভুল। "পৰাণৰ তান"ত উক্ত নিয়মৰ ব্যতিক্ৰম ঘটিছে।— যেনে :–

নকৰে শীতল কাৰো প্ৰাণ
জানোঁ জানোঁ ( ২৫ পৃঃ )

হোৱা উচিত জানো জানো।

জাগা, জাগা, জাগা
অলস ঘুমতি তেজি জাগা (১ পৃঃ)
বলা বলা বলা আগুৱাই (২ পৃঃ)

হোৱা উচিত ভাঁগা, জাঁগা আৰু বলাঁ, বলাঁ।

হেৰা মোৰ প্ৰিয় গোৱা এটিবাৰ গান
দিয়া আজি খুলি দ্বাৰ। (৩৫ পৃঃ)

হোৱা উচিত গোৱাঁ আৰু দিয়াঁ।

উক্ত নিয়মৰ ব্যতিক্ৰম গোটেই কিতাপখনতে হৈছে।

দুখুণি মাতৃ তোমাৰ মাতে

হোৱা উচিত দুখুনী বা দুঃখিনী।

বাউলি ধৰাতে বাধে (২৫ পৃঃ)

হোৱা উচিত বাউলী ধৰাত।

নব ঘনশ্যাম সুন্দৰ বয়ন
হেৰিয়া পাগল মতি (৬৭ পৃঃ)

"'হেৰি' টো অসমীয়া ক্ৰিয়াপদ নহলেও, মিশ্ৰ শব্দৰূপে তাক অসমীয়াত সুমালেও তাৰ ৰূপটো বঙলা নহৈ অসমীয়া অৰ্থাৎ "হেৰিয়া" নহৈ "হেৰি" হলেই ভাল আছিল ; হেৰি যে পাগল মতি বা হেৰি ই পাগল মতি বুলিলেও সুশ্ৰাব্য হব নিশ্চয়।

কিতাপখনিৰ কাগজ আৰু ছপা ভাল — সুস্পষ্ট। বেতুপাতও মনোৰমেই হৈছে। আমি "পৰাণৰ তান"ৰ বহুল প্ৰসাৰ কামনা কৰোঁ।।

শ্ৰীবজ্ৰ কান্ত বৰকাকতি।
২১। ৬। ৪৫।
( নগাওঁ )।

মোৰ ঘৰখন — লিখক অসম মেডিকেল কলেজৰ অধ্যক্ষ ডাঃ হেম বৰুৱা। প্ৰকাশক শ্ৰীচন্দ্ৰকুমাৰ শৰ্ম্মা। গ্ৰন্থকাৰৰ হৈ শ্ৰীবিপিন শৰ্ম্মাৰ যোগেদি উক্ত পুথিখনি সমালোচনাৰ কাৰণে আমি পাই লিখক আৰু প্ৰকাশকৰ শলাগ লৈছোঁ।।

পুথিখনিৰ পাতনি লিখিছে বন্ধুবৰ শ্ৰীযুত বিজয় চন্দ্ৰ ভাগৱতীয়ে। পুথিখনিৰ পৰিচয় আৰু যথাযথ সমালোচনা পাতনি লিখকে বঢ়িয়াকৈ কৰি গৈছে এনে দৰে — 'মোৰ ঘৰত থকা শালিকি, ঘনচিৰিকা, বস্তুজাত নিগনি কেইটায়ো ক'ব পাৰে, সিহঁতৰ ঘৰ বুলি। কাক্কাইতো কয়েই 'হামৃকা ঘৰ'. এই কথা কেষাৰে ঘৰখনৰ সমষ্টিগত চিত্ৰ এখন আঁকিছে। পাতনি লিখকে পুনৰ লিখিছে, — "........ এই কিতাপখনত মই প্ৰাণৰ অনুভূতি আৰু জীৱন্ত ভাষাৰ সংযোগ দেখিবলৈ পাইছোঁ।। সেই কালৰ-পৰা ই সাহিত্য সৃষ্টি কৰিছে বুলি মই ক'ব খুজিছোঁ।। ঘৰৰ পিচপিনে চুৰণি খাল। তাত চুৰা পেলোৱা হয় আৰু বাচন ধোৱা হয়, ...... 'এনে ধৰণৰ বস্তুত সৰু সুৰা কথা 'মোৰ ঘৰখনত' অতি সাধাৰণ ভাবে ডাঙি ধৰা হৈছে। *কিন্তু* এই সকলোকে লৈ এখন সম্পূৰ্ণ আৰু নিৰবিচ্ছিন্ন ছবি আঁকা হৈছে।"

পাতনি লিখকৰ উক্ত মন্তব্যৰ শেষৰ শাৰীৰ আৰম্ভনীতে 'কিন্তু' শব্দ প্ৰয়োগ কৰাত মনত ভাব উদয় হয় যে 'কিন্তু' বুলি তেখেতে অন্য কথাহে ক'ব খুজিছিল। নকলে।

প্ৰৌঢ় বয়সত ডাঃ হেম বৰুৱাৰ অৱদান আমি বহুত পাই আহিছোঁ।। তেখেতৰ ভাষা সহজ, নিভাঁজ, ৰসাল আৰু মধুৰ। তেখেতে যি ধৰণৰ কথা কয় সেই ধৰণেই লিখে বাবে তেখেতৰ ভাষাত আমি বিচাৰি 'আমাক' আৰু বিচাৰি পাওঁ আমাৰ সংসাৰখন, আমাৰ সমাজখন আৰু আমাৰ ঘৰখন। ডাঃ বৰুৱাৰ 'মোৰ ঘৰখন'ক নিৰ্ব্বিঘ্নে আমি 'আমাৰ ঘৰখন' বুলি সম্ভাষিয়া কৰি লব পাৰোঁ। এটা কাৰণত যে আমি প্ৰত্যেকেই নিজ নিজ ঘৰত তেখেতৰ ভাষাতেই বিচাৰি পাওঁ সুখ, দুখ, ভাল, বেয়া, সুন্দৰ, কুৎসিত, লোভ, ত্যাগ সকলোৰে সমাবেশ— কম বেচি মাত্ৰ।" তেখেতে কৈছে, "মোৰ ঘৰত পৰা ৰ'দখিনি মোৰ, মোৰ ঘৰত পৰা বৰষুণখিনি মোৰ,— মোৰ কামত লাগে। Grow more food হয়। মোৰ ওপৰেদি যোৱা বতাহখিনি মোৰ, মোৰ ঘৰৰ মাখি মহবোৰ মোৰ, জাৰ জহ সকলো মোৰ।"— আমি সেই-বিলাকৰ ওপৰত তেখেতৰ প্ৰভুত্ব মানি লৈছোঁ।। কিন্তু আমাৰ ঘৰৰ ওপৰত পৰা ৰ'দ, বৰষুণ আদিৰ ওপৰত আমাৰো অধিকাৰ আছে বাবেই কওঁ যে ডাক্তৰ বৰুৱাৰ ঘৰখনক আমি নিৰ্ব্বিঘ্নে 'আমাৰ ঘৰখন' বুলি নামাকৰণ কৰি গৌৰব কৰিব পাৰোঁ।।

'মোৰ ঘৰখন'ৰ বহুতখিনি ৰচনাই Robert Lynd. Richard Jefferies আদিৰ ৰচনাৰ প্ৰকাশ ভঙ্গিৰ কাষ চাপিব খোজে আৰু দৰাচলতে Robert Lynd'এ 'The mouse' নামৰ ৰচনাত যি প্ৰশ্ন কৰিছে তাৰ উত্তৰ ডাক্তৰ বৰুৱাই শালিকি, ঘনচিৰিকা, নিগনি, আদিৰ গিৰিহঁত বুলি গৌৰব কৰিয়েই উত্তৰৰ যোগান ধৰিছে। Robert Lynd এ লিখিছে —

It is an engaging problem in ethics whether, if you have been lent a cottage, you have the right to feed the mice. There will for most people be one answer to the question. Your first duty, they will tell, is to the man who has been good enough to lend you his house, and you must do nothing that would damage it or even that would ennoy him if he knew about it. On the other hand it is reasonable to argue that feelings of a mouse that is present are more to be considered than the feeling of the host who is absent."

লিখক হৈছে এজন ডাক্তৰ। ডাক্তৰী শিক্ষা দান কৰোঁতে নিজৰ সন্তানৰ আগতো কেতিয়াবা কেতিয়াবা মুখৰ আৰু চকুৰ পৰ্দ্দা বিসৰ্জন দিব লগীয়া হয়। সেই কাৰণেই কিজানি সাহিত্য ক্ষেত্ৰতো তেখেতে শলীনতাৰ পৰ্দ্দা ডাঙি ধৰি অসমীয়া সাহিত্যত এক যুগান্তৰ অনাৰ প্ৰচেষ্টা চলাইছে যেন পাওঁ। এই প্ৰচেষ্টা কেৱল মাত্ৰ পুথিৰ যোগেদিয়েই কৰা নাই। তেখেতে সময়াসময়ে আলোচনী সমূহত 'জহৰা'ৰ সদৃশ গল্প, প্ৰবন্ধ ৰচনাৰজীৰ মাজেদিও চলোৱা যেন অনুমান হয়। কিন্তু যি জাতিৰ শিশু সাহিত্য, কৈশোৰ সাহিত্য, বিবাহিত অবিবাহিত লোকৰ কাৰণে পৃথক সাহিত্যৰ অভাব, সেই দেশৰ সকলোবোৰ পুথি আলোচনী বয়স নিৰ্ব্বিশেষে সকলোৰে পাঠ্য বুলি আমি গণ্য কৰিব লগীয়া হৈছে যেতিয়া অসমীয়া সাহিত্যত ডাক্তৰী সাহিত্যৰ প্ৰকাশ ভঙ্গী অলপ আগতীয়া যেন বোধ হৈছে। ডাঃ বৰুৱাই কোনো কোনো ক্ষেত্ৰত মোঁপাছা'ৰ অনুবাদ কৰিব নলগীয়া ৰচনাও চেৰাই গৈ Giovinni Boccaccio ৰ কাষ চাপিব খোজাটোহে অলপ আগতীয়া প্ৰচেষ্টা বুলি ক'ব খোজোঁ।। 'মোৰ

খনৰ ২য় পৃষ্ঠাৰ শেষৰ দুশাৰীৰপৰা আৰম্ভ কৰি তৃতীয় পৃষ্ঠাৰ প্ৰথম ছোৱা বাদ দিলেও তেখেতৰ লিখনিৰ হাস্যৰসৰ অৱতাৰণাৰ এখানিমানো নষ্ট নহ'লহেঁতেন। তাকে অৱশ্য সু-ৰুচিপূৰ্ণভাৱে তেখেতে ৮৮ পৃষ্ঠাৰ ৬ নম্বৰ শাৰীৰপৰা আৰম্ভ কৰি ৭ নম্বৰী শাৰীৰ আৱৰ্ত্তণীত শেষ কৰা ৰূপে প্ৰকাশিব-পৰা হ'লে কৃতিত্ব লাভ কৰিলেহেঁতেন।

পুথিখনিত বৰ্ণাশুদ্ধি বহুত বৈ গৈছে। অনেক ক্ষেত্ৰত ব্যাকৰণৰ ওপৰত নেওচা পৰিছে। দ্বিতীয় বাৰ মুদ্ৰণ কৰিলে সেই দোষ নিশ্চয় আঁতৰিব। বিশেষকৈ ও অব্যয় সংযোগত বহুত ত্ৰুটি বৈ গৈছে। তদুপৰি লিখকে সংস্কৃত ব্যাকৰণৰ সূত্ৰ অনুকৰণ কৰি সম্বোধনত 'বন্ধু'ৰ ঠাইত 'বন্ধো' লিখাটো অসমীয়া ব্যাকৰণে কিজানি সমৰ্থন নকৰিব। "……এই নিয়মো সৰ্ব্বত্ৰ চলা নাই। অনেক প্ৰসিদ্ধ লিখকৰ পুথিত ঈ কাৰান্ত স্ত্ৰীলিঙ্গ শব্দৰ ঈ সম্বোধন ৰখা দেখা যায়। আমাৰ মতেও ৰখা উচিত। কিয়নো এই বিষয়ে অসমীয়াত সংস্কৃত ব্যাকৰণৰ কোনোটো নিয়মেই নচলে,— এনে স্থলত এটা নিয়ম চলাবৰ কাৰণ দেখা নেযায়। ……" সত্যনাথ বৰা।

— মহাজনো যেন গতঃ স পন্থাঃ —

***সম্পাদক।***

ফিৰিঙতি :— কথা কৱিতা। লিখক শ্ৰীমান প্ৰফুল্ল গোস্বামী। প্ৰথম প্ৰকাশ ১৯৪০ চন। দ্বিতীয় প্ৰকাশ ১৯৫৪ চনৰ নৱেম্বৰ মাহত।

লিখকৰ লগত আমাৰ ব্যক্তিগত পৰিচয় বহুত কালৰে পৰা,— অৱশ্যে লিখক হিচাপে নহয়,— সাহিত্যিক হিচাপে নহয়,— এটি ফিৰিঙতি ৰূপেহে। লিখকৰ কথা কৱিতাৰ নামাকৰণক বহুতে বহুত ধৰণে ব্যাখ্যা কৰিছে যদিও আমি কিন্তু ফিৰিঙতিত বিচাৰি পাইছোঁ। লিখকৰ নিজৰ ৰূপ আৰু নিজৰ নিজত্ব। তাহানিৰ ৰাজনৈতিক ক্ষেত্ৰৰ বিদ্ৰোহ স্ফুলিঙ্গ শ্ৰীমানে নিজকেই, নিজৰ মনোভাৱকেই ফুটাই তুলিছে— তেখেতৰ ফিৰিঙতিত।

কথা-কৱিতা অসমীয়া সাহিত্যত বিৰল। কবি সম্ৰাট দুৰ্গাবৰৰ বাহিৰে অন্য কোনো লেখত লব লগীয়া কথা কৱিতা লিখক বুলিলে আমি বুজিম শ্ৰীমানক। তেখেতৰ মনৰ ভাৱ ভাষাত পৰিণত কৰি ফিৰিঙতিৰ যোগেদি প্ৰকাশ কৰি নিজৰ ব্যক্তিত্বৰ পৰিচয় দিয়াৰ উপৰিও সাহিত্যৰ সৌষ্ঠৱ বঢ়াইছে।

ফিৰিঙতিৰ সমালোচনা ইতিমধ্যে বহুত প্ৰকাশ পাইছে। ১৯৪০ চনতে আত্ম প্ৰকাশ কৰা ফিৰিঙতিয়ে আজি আৰু সমালোচনাৰ আশাত আমাৰ হাতত পৰাহি নাই। কিন্তু তথাপিও কওঁ যে দ্বিতীয় প্ৰকাশ ১৯৪০ চনত নহৈ ১৯৪৭ চনৰ পোন্ধৰ আগষ্টৰ পাচত হোৱা হ'লে ফিৰিঙতিত আৰু কেইটামান কথা কৱিতা আমি কিজানি পালোঁহেঁতেন। ফিৰিঙতিৰ তৃতীয় প্ৰকাশ আমাৰ হাতত পৰিলেহে প্ৰকৃত সমালোচনা, অৰ্থাৎ লিখকৰ ভাৱ-সমালোচনাৰ সম্ভৱ হ'ব। ফিৰিঙতি লিখকৰ ফিৰিঙতিয়ে খাণ্ডৱ দাহ কৰিলেনে দিগন্তত লীন হ'ল সেই বিষয়ে আৰু এখনি গ্ৰন্থৰ আমি আশাত ন'ব নোৱাৰোনে ?

***সম্পাদক।***

মালঞ্চ :- কৱিতাৰ পুথি। লিখিকা— শ্ৰীমতী দিব্য প্ৰভা ভৰালী। যোৰহাট। বেচ - ১৷৵০ অনা।

শ্ৰীমতী ভৰালীৰ ৰচনাৱলী আমি বহুত কালৰে পৰা পাই আহিছোঁ,— কেৱল কাকত



আলোচনীতে নহয়, পুথিৰ আকাৰতো। বৰ্ত্তমানৰ প্ৰকাশিত 'মালঞ্চ' লিখিকাই ১৯৪৯। ৫০ চনৰ ভিতৰত ৰূপ দিয়া এখনি ফুলনি অথবা লিখিকাৰ আধ্যাত্মিক উপলব্ধিৰ প্ৰকাশ কৱিতাৱলী। উচৰ্গা কৰিছে —

" যাক দেখা নাই দুচকুৰে
চিনাকি তথাপি যেন,
যুগ যুগান্তৰে"

সেই তেওঁলৈ।

" আজি উছৰ্গা কৰিলোঁ
এই দীন মালা ধাৰ—
মোৰ জীৱনৰ মালঞ্চৰ
ব্যথা অশ্ৰু, আনন্দৰ
গাঁথা প্ৰীতি হাৰ।"

উচৰ্গাতেই লিখিকাই ফুটাই তুলিছে নিজৰ মনৰ আধ্যাত্মিকতা আৰু ভাৱ প্ৰৱণতা।

" মিলোৱা মিলোৱা আজি
মোৰ এই জীৱনৰ সুৰ,
তোমাৰ আপোন সুৰে স'তে,
এক তাল, এক মান,
একেটি লয়তে।
সপ্ত স্বৰ গ্ৰাম জিনি
অপূৰ্ব্ব ৰাগিনী
উপলি উঠোক আজি
এটি মূৰ্ছনাতে।"

পুথিখনিৰ পাতনি লিখিছে সু সাহিত্যিক শ্ৰীযুক্ত ডিম্বেশ্বৰ নেওগদেৱে। পাতনি লিখকে লিখিকাৰ কৱিতাত কবি সম্ৰাটক বিচাৰি পাইছে,— তেখেতৰ ভাৱ আৰু ভাষা। তাকেই পুনৰ পুনৰ নেওগদেৱে প্ৰকাশি কৈছে ৰবীন্দ্ৰনাথে গালে কি ৰূপে আৰু লিখিকাই ৰূপ দিলে কেনেকৈ। কিন্তু সেই বুলিয়েই আমি লিখিকাক ৰবীন্দ্ৰ কৱিতাত প্ৰভাৱান্বিতা বুলি কলে ভুল হ'ব। শ্ৰীমতী ভৰালীয়ে অষ্ট্ৰেলিয়াৰ আটা ময়দা ভক্ষণ কৰি অসমীয়া ৰক্তহে তেখেতৰ সিৰত প্ৰবাহিত কৰিছে।

চিৰপৰিচিতা লিখিকাৰ কাপৰপৰা ই'মান সোনকালে বিৰাগ ভাৱৰ কৱিতা ওলোৱাত আমি দুঃখীত। তেখেতৰপৰা অসমীয়া ভাষা সাহিত্যই বহুত আশা কৰে। কিন্তু —

" জীৱনত মোৰ সামৰিলোঁ এই খেল
যাবৰে যে হ'ল, নাই যে ৰ'বৰ বেলা"

বুলি যি মনোভাৱ ব্যক্ত কৰিছে কৱিতাৰ যোগেদি সেয়েহে আমাক দুঃখ দিছে, বেজাৰ দিছে আৰু বহুত কিবা কিবি দিছে। তেখেতে যেতিয়া নিজেই স্বীকাৰ কৰি কৈছে।

" সময় যে হ'ল, ৰ'ল কাম আধা কৰা " বুলি,— আমিও কওঁ আধা কৰা কাম শেষ নকৰাকৈ অসমীয়া ভাষা সাহিত্যই তেখেতক এৰি দিব নোখোজে।

***সম্পাদক।***

# সম্পাদকীয়

***সাহিত্য সভা ঃ—*** অসম সাহিত্য সভাৰ আগন্তুক বৈঠক এইবাৰ গুৱাহাটীত বহিব অহা ডিচেম্বৰ মাহৰ ২৫ তাৰিখৰপৰা। উক্ত অধিৱেশনৰ কৃতকাৰ্য্যতাৰ বিষয়ে ইতিমধ্যে গুৱাহাটীৰ ৰাইজে যথাযথ আয়োজনত আগ বঢ়োৱা বতৰাও আমি পাই সুখী হৈছোঁ। মূল অধিৱেশনৰ লগতে বুৰঞ্জী সন্মিলন, বিজ্ঞান সন্মিলন আৰু প্ৰদৰ্শনী, পুৰাতত্ত্ব বিভাগীয় পুথি প্ৰদৰ্শনী, আদিৰ উপৰিও গুৱাহাটীয়া ৰাইজে যি কবি সন্মিলন, অধ্যয়ন চক্ৰ আৰু সঙ্গীত-নাটক প্ৰতিযোগিতা আদিৰ আয়োজন কৰিছে তাৰপৰাই বুজিব পাৰি যে আগন্তুক অধিৱেশন অতি সমাৰোহেৰেই সমাপন হ'ব। কেইবাটাও কাৰণত গুৱাহাটীৰ অধিৱেশনৰ বিশেষ গুৰুত্ব আমি দেখিবলৈ পাইছোঁ। ভালেদিন শুপ্ত অৱস্থাত থকা সভাখনক শ্বিলং অধিৱেশনে সঞ্জীৱনী দান কৰিলে যদিও বহু বছৰ ধৰি জমা হৈ থকা আৱৰ্জ্জনাবিলাক আঁতৰ কৰি অনুষ্ঠানখনিৰ ওপৰত সূৰ্য্যৰ ৰেঙনি দিবলৈ সমৰ্থ হৈছিল আমাৰ সাহিত্য পূজাৰী ডাঃ সূৰ্য্যকুমাৰ ভূঞাদেৱে। যোৰহাট অধিৱেশনৰ পাচৰ-পৰাহে সভাখনিয়ে প্ৰকৃত কাৰ্য্যকৰী পন্থা হাতত হৈ আচনি প্ৰণয়ন কৰি কাৰ্য্যত আগ বাঢ়িবৰ কাৰণে প্ৰস্তুত হৈছিল। এনেতে যেতিয়া গুৱাহাটীৰ অধিৱেশনৰ সময় আহি পৰিলহি আমি নিশ্চয়কৈ বুজিব পাৰিছোঁ যে এই অধিৱেশনেই হ'ব সাহিত্য সভাৰ পূৰ্ণজাগৰণৰ কাল।

শ্বিলং অধিৱেশনৰ পাচৰপৰা প্ৰতিটো বছৰে যথা সময়ত বছেৰেকীয়া অধিৱেশন পাতিবলৈ ধৰাটো এটা শুভ লক্ষণেই বুলিব পাৰি। আৰু এটা শুভ লক্ষণ আমি দেখিবলৈ পাইছোঁ। অসমৰ চুকে কোণে থকা শাখা-সভা সমূহৰ সজাগ তৎপৰতা।

আগন্তুক অধিৱেশনৰ বাবে সভাপতি নিৰ্ব্বাচনৰ দিন ৩০ চেপ্তেম্বৰ পৰ্য্যন্ত দিয়া হৈছে। শাখা সভা সমূহে সক্ৰিয় অংশ গ্ৰহণ কৰি যোগ্য জনক যাতে এই সন্মানিত আসনত বহুৱাবলৈ চেষ্টা কৰে ইয়াকে আমি বাঞ্ছা কৰোঁ। গণতান্ত্ৰিক ভেটিত সাহিত্য সভাৰ সভাপতি নিৰ্ব্বাচন কৰা হয় যদিও, গণতন্ত্ৰৰ অন্তৰালত থকা ধনতন্ত্ৰ আৰু মনতন্ত্ৰ কুলাঙ্গাৰে যাতে কোনো কালেই এই সন্মানিত আসনৰ সভাপতি নিৰ্ব্বাচন কাৰ্য্যত আউল লগাব নোৱাৰে তাৰ বাবে সদৌ শাখা-সভা সমূহ সজাগ হোৱাটো উচিত। সেই সন্মানিত আসন অধিকাৰ কৰা ভূতপূৰ্ব্ব সভাপতি সকলৰ নামো শাখা-সভা সমূহে জানি থোৱাটো উচিত বুলি বিবেচনা কৰি এই সংখ্যা কাকতৰ আৱৰণীতে প্ৰাক্তন সভাপতি সকলৰ এখনি তালিকা দিয়া হৈছে।

মূল অধিৱেশন বিলাকৰ সভাপতি সকলৰ ভাষণ সমূহ একে লগে ছপা কৰি উলিয়াবৰ বাবে সাহিত্য সভাই ইতিমধ্যে আগ বঢ়া শুনি আমি সুখী হৈছোঁ। বুৰঞ্জী, বিজ্ঞান আদি শাখা সন্মিলন সমূহৰ সভাপতি সকলৰ অভিভাষণো একত্ৰে প্ৰকাশিবৰ প্ৰচেষ্টা চলিছে বুলি জানিব পাৰিছোঁ।



এই দুটা কাম সমাধা হ'লে সাহিত্য সভাৰ এটা উল্লেখযোগ্য কামেই হ'ব।

***কাব্য ভাৰতী দেৱী বৰুৱানী :—*** আমাৰ চিৰ পৰিচিতা মহিলা কবি, আজীৱন কগ্না অৱস্থাত শয্যাশায়ী হৈ থকা শ্ৰীযুক্তা ধৰ্ম্মেশ্বৰী দেৱী বৰুৱানীক অসম সাহিত্য সভাই কাব্য ভাৰতী উপাধিৰে সন্মানিত কৰাত আমি অতিশয় আনন্দিত আৰু তেখেতলৈ আমাৰ সম্বৰ্দ্ধনা জনাইছোঁ। ইতিমধ্যে আমাৰ জনপ্ৰিয় চৰকাৰেও কাব্য ভাৰতী দেৱী বৰুৱানীলৈ এটি পেঞ্চন আগ বঢ়োৱাৰ বতৰাই আমাক ততোধিক আনন্দিত কৰিছে। চৰকাৰৰ অৰ্থ সাহায্য যথেষ্ট পলম হ'লেও সাহিত্য সভাৰ দ্বাৰা সন্মানিতা কবি দেৱী বৰুৱানীৰ সাহিত্য ক্ষেত্ৰলৈ অৱদানৰ স্বীকৃতি স্বৰূপে পেঞ্চন এটি আগ বঢ়োৱাত ৰাজ্যিক চৰকাৰ গোটেই অসমবাসীৰেই ধন্যবাদৰ পাত্ৰ।

কাব্য ভাৰতী দেৱী বৰুৱানীৰ গোটেই জীৱনটোতেই এটি কৰুণ বিননি শুনিবলৈ পোৱা যায়। বাৰ বছৰ বয়সতে বিয়া দিয়া দেৱী বৰুৱানীয়ে অলপ দিনৰ পাচতেই বাত বেমাৰত ভোগিব লগীয়া হয়। সেই ৰোগেই তেখেতক কালক্ৰমে গতি শক্তিহীন, পঙ্গু আৰু দৃষ্টিশক্তিহীন কৰিলে যদিও তেখেতৰ স্মৰণ শক্তিয়ে এৰা নিদিলে— আজিও বৰ্ত্তমান। স্ব-ৰচিত কবিতাবিলাক আজিও সুন্দৰৰূপে আবৃত্তি কৰি শুনাবলৈ তেখেতে ভাল পায়। ঐশ্বৰিক শক্তি সম্পন্না দেৱী বৰুৱানীয়ে সৰুতে পিতৃ মাতৃৰ উপৰিও চাৰিটি ককায়েক, আৰু চাৰি গৰাকী বায়েকক হেৰুৱাই তেখেতৰ প্ৰাণ প্ৰিয়তম স্বামী দেৱতাৰ পদ-সেৱাতেই অসীম আনন্দ লাভ কৰিলেহেঁতেন। কিন্তু কাল নিয়তিয়ে তাকো কৰিবলৈ নিদি পঙ্গু কৰি থ'লে। স্বামীয়ে অশেষ যত্ন আৰু অৰ্থব্যয় কৰিও তেখেতক ভাল কৰিব নোৱাৰি ১৯৪২ চনত ইহলীলা সম্বৰণ কৰি এৰি গ'ল সেই স্বভাৱ কবিক চিৰদুখুনী কৰি থৈ। সেই চিৰদুখুনী মহিলা কবিয়ে কবিতা দেৱীকেই আকোঁৱালি ললে, কবিতা পঢ়াই শুনে,— মুখে মুখে কবিতা ৰচনা কৰি অন্যৰ হতুৱাই লিখায় আৰু সেই কবিতাকে প্ৰকাশ কৰি আনন্দ উপভোগ কৰে।

আজি জীৱনৰ বিয়লি বেলাত তেখেতক অসম সাহিত্য সভা আৰু অসম চৰকাৰে ওপৰাউপৰিকৈ সন্মানিত কৰাত তেখেতৰ মনোভাব কেনে হৈছে বুজা টান,— কিন্তু সদৌ অসমবাসী আজি সুখী।

***লিপি পৰিৱৰ্ত্তন ঃ—*** আজি কেইবা বছৰৰ পূৰ্বতে উদ্ভৱ হোৱা লিপি পৰিৱৰ্ত্তনৰ প্ৰস্তাৱটো আমি ইমান দিনে এটা মৃত প্ৰস্তাৱেই বুলি জ্ঞান কৰি আহিছিলোঁ। এটা কাৰণত যে সেই তাহানিতেই অসম চৰকাৰে আমাৰ প্ৰচলিত লিপি সলনি কৰি দেৱনাগৰী লিপি গ্ৰহণ কৰা নকৰাৰ বিষয়ে আলোচনা কৰিবৰ কাৰণে ১৯৫০ চনৰ ২৭, ২৮ আৰু ২৯ জুলাইত চৰকাৰৰ তৰফৰপৰা গুৱাহাটীত এখনি সভা আহ্বান কৰিছিল আৰু উক্ত সভাত মীমাংসা হ'ল যে লিপি পৰিৱৰ্ত্তনৰ নিচিনা গুৰুত্বপূৰ্ণ সমস্যা এটা সমাধা কৰিব লগীয়া হ'লে আৰু ভালদৰে আলোচনা কৰি লোৱাটো বাঞ্ছনীয় হ'ব। সেই কাৰণেই উক্ত প্ৰস্তাৱ সম্প্ৰতিকলৈ স্থগিত ৰখাকে স্থিৰ কৰিলে যদিও তাৰ কেই মাহমানৰ পাচতে অসম চৰকাৰে সদৌ অসমৰ সাহিত্যিক, সাহিত্যানুষ্ঠান আৰু চৰকাৰী স্কুল সমূহৰ ( সাহায্যপ্ৰাপ্ত সকলৰ নহয় ) এই বিষয়ে মতামত আহ্বান কৰিলে। শ্ৰীযুক্ত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়া প্ৰমুখ্যে অসমৰ সকলো সাহিত্যানুৰাগীয়ে এক বাক্যে এক মুখে উক্ত প্ৰস্তাৱৰ বিৰোধিতা কৰাত

অসম চৰকাৰে জনমত ভালদৰে বুজিব পাৰি পুনৰ সভা আহ্বান কৰা নিষ্প্ৰয়োজন বুলি ভাবি এটি বিবৃত্তিৰ দ্বাৰা লিপি পৰিৱৰ্ত্তনৰ প্ৰস্তাবটো স্থগিত ৰাখিলে আৰু সেই প্ৰস্তাব পুনৰ ডাঙি ধৰা নাই। অসম সাহিত্য সভাই মাৰঘেৰিটা, শ্বিলং আৰু যোৰহাট অধিৱেশনত সভাৰ স্পষ্ট মনোভাব প্ৰকাশ কৰি কৈ দিছে যে প্ৰস্তাবিত লিপি পৰিৱৰ্ত্তনে অসমীয়া ভাষা সাহিত্যৰ ওপৰত বাগী কুঠাৰ মাৰিব আৰু আমাৰ ইমান দিনৰ সাহিত্য প্ৰচেষ্টা বহু যুগলৈকে পিচ পৰি যাব। কিন্তু বৰ্ত্তমান আমি দেখি আৰু শুনি আচৰিত হৈছোঁ। যে চৰকাৰে বিবৃত্তি দি স্থগিত ৰখাতো লিপি পৰিৱৰ্ত্তনৰ এটা গোপনীয় আন্দোলন গুপুত ভাবে চলি আছে আৰু তলে তলে বহুত দূৰ আগো বাঢ়িছে হেনো।

সদৌ অসমৰ মতামত লৈ চৰকাৰে জনমতৰ মৰ্য্যাদা ৰক্ষা কৰি প্ৰশ্নটো আঁতৰাই থোৱাতো সেই প্ৰশ্নই সময়াসময়ে কিয় আমনি দি আছে তাৰ একো উৱাদিহ পোৱা নাই। সিদিনা অলপতে সদৌ জনমতৰ ওপৰত নেওচা দি প্ৰদেশ কংগ্ৰেছ কমিটিয়ে নগাঁৱত লিপি পৰিবৰ্ত্তনৰ সপক্ষে প্ৰস্তাব গ্ৰহণ কৰাটো কিমান ন্যায় সঙ্গত হৈছে কোৱা টান আৰু ৰাজনৈতিক দল সমূহে সকলো ক্ষেত্ৰতে হস্তক্ষেপ কৰা কাৰ্য্যটো সঁচাকৈয়ে গৰ্হিত বুলি আমি ক'ব খোজোঁ।

বৰ্ত্তমান অসম চৰকাৰে এই বিষয়ে কোনো বাহ্যিক উদ্বিগ্নতা প্ৰকাশ কৰা নাই যদিও কংগ্ৰেছ কমিটিৰ উগ্ৰ তৎপৰতা আৰু ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ কাৰ্য্যকলাপে আমাক ভাবিবলৈ বাধ্য কৰিছে যে লিপি পৰিবৰ্ত্তনৰ প্ৰস্তাবৰ অন্তৰালত কোনো উচ্চ মহলৰ গোপন পৰামৰ্শ অথবা গোপন নিৰ্দ্দেশ আছে। যদি সেয়ে হয়, অসমৰ পক্ষে ই বৰ শোক লগা কথা। অসমৰ প্ৰত্যেক কথাতে যদি অসমৰ বাহিৰৰ নিৰ্দ্দেশ মানি চলিব লগীয়া হয়, ই আমাৰ নেতৃস্থানীয় লোক সমাজৰ মেৰুদণ্ড-হীনতাৰহে প্ৰমাণ কৰে। সিদিনা অলপতে অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ সঞ্চালক শ্ৰীযুক্ত ৰজনীকান্ত চক্ৰৱৰ্ত্তী মহাশয়ে আমাৰ লগত এঘণ্টাৰো অধিক কাল আলাপ আলোচনা কৰি আমাৰ আৰু সাহিত্য সভাৰ স্পষ্ট মনোভাব বুজিব পাৰিও লিপি পৰিৱৰ্ত্তন কাৰ্য্যত আমাৰ সমৰ্থন বিচাৰি আমাক জনায় যে ইতিমধ্যে সকলো জনমত উপেক্ষা কৰি পাৰ্ব্বত্য অঞ্চলত দেবনাগেৰী হৰফৰ প্ৰচলন আৰম্ভ কৰা হৈ গৈছে হেনো। সেই অঞ্চল সমূহত চলাবৰ বাবে অসমীয়া পাঠ্য পুথিও বোলে দেবনাগেৰী লিপিত ছপোৱা হৈছে— অৱশ্যে এপিঠিত বৰ্ত্তমান অসমীয়া লিপিও ব্যৱহাৰ কৰিছে। ইমান খিনি গোপন ভাবে আগ বঢ়াৰ পাচত যেতিয়া ৱৰ্কিং কমিটিয়ে প্ৰস্তাব গ্ৰহণ কৰিছে আমি নিৰ্ব্বিঘ্নে বুজিব পাৰিছোঁ, বাহ্যিক ভাবে নহলেও গোপন ভাবে অসমীয়া লিপিৰ সলনি হিন্দি লিপি গ্ৰহণ কৰা হ'ল আৰু অচিৰে পৰ্ব্বত ভৈয়ামৰ মিলনাৰ্থে পাৰ্ব্বত্য অঞ্চলৰ পুথি বিলাকেই আহি আমাৰ স্কুল সমূহতো পাঠ্য পুথিৰূপে সোমাবহি।

সাহিত্য সভাৰ আগন্তুক অধিৱেশনত এই বিষয়ে খৰছি মাৰি আলোচনা চলাবলৈ সকলো শাখা আৰু স্বীকৃতি সভাক আমি সময় থাকোতেই সজাগ কৰি দিছোঁ।

***পত্ৰিকা সম্বন্ধে একেষাৰ :***— যোৱা যোৰহাট অধিৱেশনতে পত্ৰিকা সম্পাদনাৰ ভাৰ আমাৰ গাত পৰে। কিন্তু আগৰ বছৰৰ তৃতীয় সংখ্যা পত্ৰিকা তেতিয়াও প্ৰকাশ



পোৱা নাছিল আৰু প্ৰকাশ পাওঁতেও কেইবা মাহো পলম হোৱাত আমি সম্পাদনাৰ ভাৰ লোৱাৰ পাচত কেইবাটা মাহো থমকি ৰ'ব লগীয়া হ'ল। আনহাতে চিঠি পত্ৰ আদিৰে হাঁকুটী লগাই প্ৰবন্ধ সংগ্ৰহ কৰোঁতেও যথেষ্ট সময় লাগিল বাবে পত্ৰিকা ছাপাশাল পোৱাত পলম হোৱাটো স্বাভাবিক। ছাপাশালৰ বেমেজালিত অৱশ্যে আশাতীত ভাবে পলম হোৱাত পত্ৰিকা সম্বন্ধে বহুত মহলত আলোচনা হোৱাৰ বতৰা আমি পাইছোঁ। সম্পাদনাৰ ভাৰ লোৱাৰ পাচত আমাৰ কোনো কৈফিয়তেই গ্ৰহণযোগ্য নহব সেই কথা আমি জানো। সেই বাবেই আমাৰ সকলো দোষ স্বীকাৰ কৰিছোঁ।

এইখিনিতে কোৱা উচিত হ'ব যে আমি সদাশয় প্ৰবন্ধ লিখক সকলৰপৰা যি পৰিমাণে সহযোগ পাম বুলি আশা কৰিছিলোঁ তাৰ আধাৰো আধা পোৱা হ'লেও আমি ধন্য মানিলোঁহেঁতেন। প্ৰবন্ধৰ বাবে চিঠি দিওঁতে ডাকখৰছত যিমান ধন ভগন হৈছে তাৰে বোধকৰো জনদিয়েক প্ৰবন্ধ লিখকক পাৰিশ্ৰমিকো দিব পৰা হ'লহেঁতেন।

লিখক সকলৰ সহযোগ পালে ২য় আৰু ৩য় সংখ্যা মূল অধিৱেশনৰ লগে লগে উলিয়াবৰ দিহা কৰা হৈছে।

সমাপ্ত